ফেব্ৰুয়াৰী ২০০১ Rs. 10/-

চান্দমামা



OPPORTUNITY
KNOCKS ON YOUR DOOR



MAKE FRIENDS
AND LET THE NETWORK GROW

EARN
IN THE COMFORT OF YOUR HOME

You have been an avid reader of Chandamama, and here is a chance to associate yourself with the 54-year-old magazine and make money, too. Chandamama is appointing **SUBSCRIPTION AGENTS** throughout India. If you are above 18 years and love interacting with people, get in touch with us.

HURRY! GRAB THIS OPPORTUNITY!

CHANDAMAMA INDIA LIMITED

82, Defence Officers' Colony,
Ekkatuthangal,
Chennai - 600 097.
Tele/fax : 234 7384 / 99
E-mail : subscription@chandamama.org

চান্দমামা

বৰ্ষ : ২৮ ফেব্ৰুৱাৰী ২০০১ সংখ্যা - ২

এই সংখ্যাত আছে

কাহিনী

ৰাজসন্মান (বেতাল কথা) পৃষ্ঠা ০৯
ভাগ্যবান পৃষ্ঠা ১৬
বিন্দুসাৰৰ চিত্ৰবিদ্যা পৃষ্ঠা ২৪
অষ্টাৱধান পৃষ্ঠা ৫০
পুত্ৰৰ সিদ্ধান্ত পৃষ্ঠা ৬৪
ঘোচখোৰ পৃষ্ঠা ৬৫
নাক আৰু নাকফুলি পৃষ্ঠা ৬৪

পুৰণি ধাৰাবাহিক

মহাভাৰত- ৫৯ পৃষ্ঠা ৪৩

ঐতিহাসিক ঘটনা

ভাৰত কথা পৃষ্ঠা ২০
কুৰি শতিকাৰ ভাৰত পৃষ্ঠা ২৭

চিত্ৰ কথা

পৰোপকাৰী সমীৰ পৃষ্ঠা ৫৫

বিশেষ আলোচনা

সংবাদ প্ৰবাহ পৃষ্ঠা ০৬
এই মাহত যাৰ জন্ম পৃষ্ঠা ০৮
ভাৰতৰ বিষয়ে জানি লোৱা পৃষ্ঠা ৬৫
সৃজনাত্মক প্ৰতিযোগিতা পৃষ্ঠা ৬১
ফটো নামকৰণ প্ৰতিযোগিতা পৃষ্ঠা ৬৬

এই মাহৰ বিশেষ আকৰ্ষণ

ৰাজসন্মান (বেতাল কথা)

বিন্দুসাৰৰ চিত্ৰবিদ্যা



অষ্টাৱধান

ভাৰত কথা



Printed and Published by B. Viswanatha Reddi at B.N.K Press Pvt. Ltd., Chennai–600 026 on behalf of Chandamama India Limited, No.82, Defence Officer's Colony, Ekkaduthangal, Chennai - 600 097.

সৰ্বোত্তম
উপহাৰ

আপুনি আপোনাৰ প্ৰবাসী
আত্মীয় স্বজনৰ কাৰণে
ভাবিব পাৰে

চান্দমামা

**তেওঁলোকৰ ইচ্ছা অনুসৰি
যিকোনো এটা ভাষাৰ পত্ৰিকা
উপহাৰ দিয়ক**

অসমীয়া, বঙালী, ইংৰাজী, গুজৰাটী, হিন্দী, কানাড়ী
মালয়ালম, মাৰাঠী, উড়িয়া, সংস্কৃত তামিল আৰু তেলেগু

ঘৰৰ পৰা বহু দূৰত থকাজনকো ঘৰৰ স্নেহ
অনুভব কৰিবলৈ দিয়ক

বৰঙণি
বিমান ডাক যোগে পৃথিৱীৰ সকলো ঠাইতে
বাৰটা সংখ্যা ৯০০ টকা

সাধাৰণ ডাকত ভাৰতৰ ভিতৰত
বাৰটা সংখ্যা ১২০ টকা

গ্ৰাহকসকলে ডিমাণ্ড ড্ৰাফ্‌ট্ বা মনি অৰ্ডাৰ
'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত
পঠাব লাগিব

পঠোৱাৰ ঠিকনা

PUBLICATION DIVISION
CHANDAMAMA INDIA LIMITED
New 82 (Old 92), Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097.

সম্পাদক
বিশ্বম

চান্দমামা পত্ৰিকা বিভাগ
নতুন নং ৮২
(পুৰণি নং ৯২),
ডিফেন্স অফিচাৰ্চ্ কল'নী,
একাডুথাঙ্গল,
চেন্নাই - ৬০০ ০৯৭.
ফোন : ২৩৪ ৭৩৮৪/
২৩৪ ৭৩৯৯
ফেক্স : ২৩৪ ৭৩৮৪

For USA
Single copy $2
Annual subscription $20
Mail remittances to
INDIA ABROAD
43 West 24th Street
New York, NY 10010
Tel: (212) 929-1727
Fax (212) 627-9503

The stories, articles and designs contained in this issue are the exclusive property of the Publishers and copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক

বি.নাগি ৰেড্ডি আৰু চক্ৰপাণি

নতুন সহস্ৰাব্দলৈ চান্দমামা

২০০০ চনটো এটা নতুন শতাব্দী আৰু এটা নতুন সহস্ৰাব্দৰ আৰম্ভণি হয় নে নহয় এটা তৰ্কৰ বিষয় আছিল । আজি আৰু কোনেও সেইটো প্ৰশ্ন নোতোলে । যদি ২০০০ চনটো নহয়, তেতিয়াহলে ২০০১ চনটো নিৰ্বিবাদে এটা নতুন যুগৰ আৰম্ভণি ।

এশ বছৰ আগতে এই সময়ত কি ঘটিছিল কম বেচি পৰিমাণে আমি সকলোৱে জানো । মটৰ গাড়ী, উৰজাহাজ, টিভি, ৰেডিঅ, ইন্টাৰনেট, ই-মেইল ইত্যাদি নথকা সেইখন আছিল বেলেগ পৃথিবী । কিন্তু এহেজাৰ বছৰ আগতে আমাৰ দেশখন কেনেকুৱা আছিল ? টাঞ্জাভূৰৰ বৃহদীশ্বৰ মন্দিৰ আৰু ভূৱনেশ্বৰৰ লিঙ্গৰাজ মন্দিৰ, এই বিখ্যাত মন্দিৰ দুটাৰ নিৰ্মাণৰ কাম শেষ হৈছিলহে, আনহাতে, সেই সময়ত গজনিৰ মহম্মদে ভাৰতৰ বহুতো নগৰ লুণ্ঠন কৰিছিল আৰু বহুতো অমূল্য স্মৃতিসৌধ ধ্বংস কৰিছিল । কবলৈ গলে, একে সময়তে ভঙা-গঢ়াৰ কাম চলিছিল ।সেইটো গোটেই শতাব্দীজুৰি সদায়ে ঘটিছিল ।

যুগ যুগ ধৰি মনীষীসকলে আমাক কৈ গৈছে ধ্বংসাত্মক শক্তিৰ চিকাৰ নহবা, তোমালোকৰ শক্তি সৃষ্টিমূলক কামত লগোৱা । সকলোবোৰ নহলেও বেচি ভাগ সমস্যাই সঁচাকৈয়ে আমাৰ মনৰ । আমি কিছুমান ধ্বংসাত্মক কাৰ্য্যৰ দ্বাৰা সেইবোৰ সমাধান কৰিব বিচাৰো । কিন্তু সেইদৰে একোৰে সমাধান নহয় । উদাহৰণ স্বৰূপে ভাৰত বিভাজনৰ কথাকে কব পাৰি । আমি ভাবিছিলো দেশখন ভাগ কৰিলে হিন্দু-মুছলমানৰ সমস্যাতো সমাধান হৈ যাব । কিন্তু, সমস্যা সমাধান হওকচাৰি বেচি জটিল হে হৈছে । আজিও বিবাদ চলিয়ে আছে, কাৰণ সেইবোৰ আছে মানুহৰ মনত, এই মঙ্গলময় ধৰাত নাই ।

যদি আমি এই সত্যতো মনত ৰাখো আমি চমকপ্ৰদ সাফল্য লাভ কৰিব পাৰিম । আমি এক মানৱ জাতি হিচাবে বাস কৰাৰ বাবে মানসিক ভাবে প্ৰস্তুত হব লাগিব । এইটোৱে হৈছে নতুন শতিকা আৰু নতুন সহস্ৰাব্দৰ আহবান । সকলো কথা আৰু কামৰ ফল একেখন পৃথিবীতে থাকিব । আনি যিমান সোনকালে এইটো উপলব্ধি কৰিব পাৰো সিমানেই মঙ্গল ।

সংবাদ প্ৰবাহ

একেৰাহে কথা কোৱা

ডেকা প্ৰতিযোগীসকলে কোনো বক্তৃতা প্ৰতিযোগিতাত কোনো এটা বিষয়ৰ ওপৰত তিনি বা পাঁচ মিনিট সময় কবলৈ টান পায়। তাৰ ভিতৰতে কিছুমানে অৱশ্যে আৰু দুই চাৰি মিনিট সময় কবলৈ দিলে বেচি ভাল পায় । চেন্নাইত (আগৰ মাদ্ৰাজ) এইটো প্ৰতিযোগিতা নাছিল, কিন্তু তামিলনাডুৰ তেনি জিলাৰ ২৭ বছৰীয়া কাশীনাথনে ‘‘আজিৰ মহিলাৰ সামাজিক মৰ্য্যাদা’’ বিষয়ৰ ওপৰত এটা ভাষণ দিছিল । তেওঁ তিনি নৱেম্বৰৰ ৰাতিপুৱা ১০ বজাত ভাষণ আৰম্ভ কৰিছিল আৰু ৩০ ঘন্টা পিছত পিছদিনা আবেলি ৪ বজাত তেওঁ ভাষণ শেষ কৰিছিল । তেওঁৰ উদ্দেশ্য আছিল গিনিজ বুক অফ ৰকৰ্ডচত তেওঁৰ নামটো অন্তৰ্ভূক্ত কৰা । তেওঁ নিউজিলেণ্ডৰ মাইকেল মোৰেলে (৬৪) এটা বিষয়ৰ ওপৰত একেৰাহে কথাকোৱাৰ (২৪ ঘন্টা) ৰেকৰ্ড ভঙ্গ কৰিছিল । মাদ্ৰাজ হাইকোৰ্টৰ বিচাৰপতিকে ধৰি বহুতো গণ্যমান্য ব্যক্তি কাশিনাথৰ বক্তৃতা শুনিবলৈ তাত উপস্থিত আছিল ।

অন্ধৰ বাবে বাগিছা

ভাৰতে নববৰ্ষৰ দিনা চকুৰে দেখা নোপোৱাবোৰক এটা উপহাৰ দিয়ে । লক্ষ্ণৌত দি নেশ্বনেল বোটানিকেল ৰিচাৰ্চ ইনষ্টিটিউটে ‘‘অন্ধৰ বাগিছা’’এখন মুকলি কৰিছে। পৃথিৱীৰ ভিতৰত এইখনেই এনে ধৰণৰ প্ৰথম বাগিছা । দৰ্শনাৰ্থীসকলে অকল যে ফুলৰ গোন্ধেই অনুভৱ কৰিব এনে নহয়, তেওঁলোকে (ব্ৰেইলি পদ্ধতিৰে) গছডালৰ বিৱৰণ আৰু তাৰ ফুল ফলৰ বিষয়েও জানিব পাৰিব । তেওঁলোকৰ সুবিধাৰ বাবে সমস্ত বিৱৰণ কান্ধৰ সমান ওখ ঠাইত ৰখা হয় । তেওঁলোকে যদি টেলিফোনটো তুলি লৈ গছ এডালৰ (বা এটা জোপোহাৰ) কাষত ৰাখে, তাত থকা ৰেকৰ্ডাৰৰ পৰা তেওঁলোকে গছ জোপাৰ বিষয়ে সবিশেষ জানিব পাৰে । যিবোৰে হুইল চেয়াৰত আছে তেওঁলোকেও সহজে বাগিছাত ঘূৰি ফুৰিব পাৰে ।

অদৃশ্য তাজমহল ?

কাশপুৰাৰ মানুহবোৰে সেইটোয়ে ভয় কৰিছিল । সেই ঠাইখন এতিয়া যমুনাৰ সিটো পাৰে, য'ৰপৰা বিশ্ববিখ্যাত তাজমহল চাব পাৰি । এজন বিখ্যাত যাদুকৰে তেওঁৰ প্ৰচাৰ পত্ৰত কোৱা মতে বায়ুৰ মাজত তাজমহল অদৃশ্য হোৱা চাবলৈ সেই সৰু চহৰখনৰ মানুহবোৰ গোট খাইছিল । ৮ নৱেম্বৰৰ আবেলি প্ৰদৰ্শন আৰম্ভ হৈছিল আৰু এইটো দেখুৱাইছিল পি চি চৰকাৰ জুনিয়ৰে । সকলোৱে আচৰিত হৈ চাই আছিল সেই বহুল প্ৰচাৰিত যাদুটো দেখুৱাব পাৰিব নে নাই । আৰু তেওঁ সেইটো দেখুৱাইছিল ! হেজাৰ যোৰ চকুয়ে যেতিয়া বগা মাৰ্বলৰ আচৰিত বস্তুটো চাই আছিল, তাৰ মাজৰ পৰাই সেইটো অদৃশ্য হৈছিল !দীঘলীয়া দুই মিনিটৰ অবিশ্বাস্য চকুবোৰ ঘূৰাই অনাৰ ভাৰ দিয়া হৈছিল যদুকৰৰ কন্যা মানেকাৰ ওপৰত । যদুকৰে কৈছিল "এই যাদুৰ দৃশ্যত মাথোঁ অদৃশ্য ৰস প্ৰয়োগ কৰা হৈছে।"

এবেকাচৰ পৰা আন্‌জানলৈ

৩১ অক্টোবৰৰ দিনা জাপানৰ কিয়োটোত এইটো ঘটিছিল । প্ৰতিযোগীসকলৰ এটা দলক ৫,৬৪৭.১২৩ ৰ দ্বাৰা ৯৯২.৫৮৭৩১৮ ক হৰণ কৰিবলৈ দিয়া হৈছিল । তেওঁলোকক সহায় কৰিবলৈ কোনো কমিপউটাৰ বা কেলকুলেটৰ নাছিল, আনকি এটা গণনা কৰা যন্ত্ৰও নাছিল । কিছুমানে কাল্পনিক গণনা যন্ত্ৰৰ গুটিবোৰ লৰাই আছিল, কিছুমানে আসনবোৰ লৰাই মনতে গণনা কৰি আছিল । শেষত ১৩ বছৰীয়া হিৰোয়াকি টুচিয়াই মুহূৰ্ত্তৰ ভিতৰতে কৰি উলিয়াইছিল । তেওঁ বোৰ্ডত উত্তৰ লিখিছিলঃ ০.১৭৫৭৫০০০০১৩২৭৯৬৮৮ ১১৫০১৫৫৫৫৮২৬৬৫৮ । উত্তৰটো শুদ্ধ আছিল !তেওঁ আন্‌জান পদ্ধতি ব্যৱহাৰ কৰিছিল । জাপানে ১৫০০ খৃষ্টাব্দত গণনা যন্ত্ৰৰ বিষয়ে জানিব পাৰিছিল । এইটো চীনাসকলে উলিয়াইছিল । অঙ্ক কৰিবলৈ চাৰিডাল ৰ'ডত থকা গণনা যন্ত্ৰৰ গুটিবোৰ পিচলৈ থেলি দিব লাগে । পাৰ্গত গণনা যন্ত্ৰ ব্যৱহাৰকাৰীসকলে এটা নতুন পদ্ধতি উলিয়াইছে ! তেওঁলোকে মাথো কল্পনা কৰি লয় যে তেওঁলোকে সেই যন্ত্ৰ ব্যৱহাৰ কৰিছে !ইয়াকে আন্‌জান বোলে । তেতিয়াহলে কম্পিউটাৰ আৰু কেলকুলেটৰবোৰ আউট মডেড হবলৈ আৰু বেচি দিন নাই ।

এই মাহত জন্ম হোৱা ব্যক্তি

১৮৭৯ চনৰ ১৩ ফেব্ৰুৱাৰীত হায়দৰাবাদত সৰোজিনী নাইডুৰ জন্ম হৈছিল। তেওঁ এজনী স্বভাৱ কবি আছিল। ১১ বছৰ বয়সতে তেওঁ কবিতা লিখিবলৈ আৰম্ভ কৰে। সৰোজিনীয়ে এদিন স্কুলৰ গণিতৰ পাঠত মনোযোগ দিব পৰা নাছিল আৰু সেই সময়খিনিতে তেওঁ এটা কবিতা লিখি পেলায়। তেওঁ কোৱা মতে সেই কবিতাটো তেওঁৰ মনৰ পৰা আপোনা আপুনি ওলাই আহিছিল।

তেওঁৰ পিতৃৰ নাম আছিল অঘোৰনাথ চট্টোপাধ্যায়। সৰোজিনী আৰু তেওঁৰ ভাই ভনী সকলে লিখা পঢ়াৰ ক্ষেত্ৰত পিতাকৰ পৰা অনুপ্ৰেৰণা লাভ কৰিছিল। তেওঁ নিজেই এজন কবি আছিল। তেওঁ উৰ্দু আৰু বঙালী ভাষাত কবিতা লিখিছিল। তেওঁৰ মাতৃ বৰদাসুন্দৰী দেৱী এজনী ভাল গায়িকা আছিল আৰু তেওঁ বঙালীত গীত লিখিছিল।

আৰ্থাৰ চাইমনচ আৰু এডমান্ড গছৰ দৰে সেই সময়ৰ বিদ্যান ব্যক্তিসকলে তেওঁৰ কবিতাৰ প্ৰশংসা কৰিছিল। সমালোচক সকলে তেওঁৰ প্ৰথম কবিতা সংকলন "ডি গোল্ডেন থ্ৰেছহ'ল্ড"খনক অতি প্ৰশংসা কৰিছিল।

কথিত আছে তেৰ বছৰ বয়সত তেওঁ এবাৰ ডাঙৰ অসুখত পৰিছিল। ডাক্তৰে তেওঁক আনকি পঢ়াশুনা কৰিবলৈ মানা কৰিছিল। কিন্তু সৰোজিনীয়ে ২,০০০ শাৰীৰ এখন নাটক লিখিছিল। পৰিয়ালৰ বাধা স্বত্বেও সৰোজিনীয়ে অন্য এখন ৰাজ্যৰ লোক ডঃনাইডুক ১৮৯৮ চনত বিবাহ কৰাইছিল। হায়দৰাবাদত থকাৰ সময়ত তেওঁ মুছলমানসকলৰ লগত মিলামিচা কৰাৰ সুযোগ পাইছিল। পিছত যেতিয়া উৰ্দুক জাতীয় ভাষৰ তালিকাৰ পৰা উঠাই দিয়াৰ কথা উঠিছিল সৰোজিনীয়ে ইয়াৰ বিৰোধিতা কৰিছিল। তেওঁ অন্য মানুহৰ ইচ্ছাত আঘাত কৰা নাছিল।

সৰোজিনীয়ে নাৰী অধিকাৰ লাভৰ বাবে যুঁজিছিল। তেওঁ বিশ্বাস কৰিছিল নাৰীবোৰ শিক্ষিত হব লাগে, তেতিয়াহে তেওঁলোকৰ জীৱন ধাৰাৰ পৰিবৰ্তন হব। তেওঁ নাৰীয়ে ভোটাধিকাৰ পোৱাৰ ওপৰতো জোৰ দিছিল।

তেওঁ ৰাজনীতিত প্ৰৱেশ কৰাৰ আগতে মহাত্মা গান্ধীৰ লগত দক্ষিণ আফ্ৰিকাত বৰ্ণবৈষম্যবাদৰ বিৰুদ্ধে কাম কৰিছিল। গোপালকৃষ্ণ গোখলেই তেওঁক ভাৰতৰ ৰাজনীতিত প্ৰৱেশ কৰায়। ১৯১৯ চনত তেওঁ সদৌ

সৰোজিনী নাইডু

ভাৰত হোম ৰুল লিগৰ সদস্য হৈ লণ্ডনলৈ গৈছিল আৰু নাৰীৰ অধিকাৰৰ ওপৰত ভাষণ দিছিল। জালিৱনৱালা বাগ হত্যাকাণ্ডৰ পাছত সৰোজিনীয়ে কাই-শেৰ-এ-হিন্দ বঁটা ত্যাগ কৰিছিল। তেওঁৰ সমাজ সেৱাৰ স্বীকৃতি স্বৰূপে ১৯০৮ চনত তেওঁক এই বঁটা দিয়া হৈছিল।

১৯২৫ চনত কানপুৰত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনত তেওঁ সভাপতিত্ব কৰিছিল। তেওঁৰ সভাপতিৰ ভাষণে মানুহৰ মনত স্বাধীনতাৰ ভাব জগাই তুলিছিল। ১৯৩০ চনৰ লোন সত্যাগ্ৰহৰ সময়ত তেওঁৰ সাহস আৰু হাস্যৰপূৰ্ণ কথাত স্বেচ্ছাসেৱকসকলে পৰিস্থিতিৰ সন্মুখীন হবলৈ সাহস পাইছিল।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ত গান্ধীজীক যেতিয়া আগা খান পেলেচত কাৰাবাস দিয়া হৈছিল সৰোজিনী নাইডুও তাত আছিল। তাত তেওঁ হাস্যৰসৰ কথা কৈ সকলোকে আনন্দিত কৰি ৰাখিছিল। ৰবাৰ্ট বাৰ্ণে তেওঁৰ "দি নেকেড ফকিৰ"কিতাপত সৰোজিনীক মহাত্মাৰ সৰু ৰাজসভাৰ হাস্যৰসিক ব্যক্তি বুলি অভিহিত কৰিছে। গান্ধীজীয়ে তেওঁক 'ভাৰত কোকিলা'বা 'Nightingale of India' বুলি মাতিছিল।

ভাৰতৰ স্বাধীনতাৰ পাছত তেওঁ ইউনাইটেড প্ৰভিন্সৰ (বৰ্ত্তমান উত্তৰ প্ৰদেশ) ৰাজ্যপালৰ পদ অনিশ্চাস্বত্বেও লৈছিল। কিন্তু তেওঁ অতি সুচাৰুৰূপে আৰু কৰ্ত্তব্যনিষ্ঠাৰে তেওঁৰ দায়িত্ব পালন কৰিছিল। ১৯৪৯ চনৰ ২ মাৰ্চ তাৰিখে তেওঁ ইহলীলা সম্বৰণ কৰে।

বেতাল কথা

ৰাজসন্মান

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল । গছৰ ডালৰ পৰা মৰাশটো নমাই আনি কান্ধত পেলাই লৈ মৰিশালীৰ ফালে গৈ থাকিল। তেতিয়া শটোৰ ভিতৰত থকা বেতালে ৰজাক কলে, “মহাৰাজ, তোমাৰ আঁকোৰ-গোজালি দেখি মোৰ সন্দেহ হবলৈ ধৰিছে তুমি পাগলামী কৰা নাইতো। সকলোৰে সহনশক্তিৰ এটা সীমা আছে, কিন্তু তোমাৰ সহনশক্তিয়ে সীমা পাৰ হৈ গৈছে। মই যিমানেই বুজাও তুমি বুজিবলৈ চেষ্টাই নকৰা । তোমাক বাৰে বাৰে কৈছো তোমাৰ জীৱন বিপদৰ সন্মুখীন হৈছে, কাৰণ ইয়াত হিংস্ৰ জন্তু আছে । যি কোনো সময়তে তোমাক আক্ৰমণ কৰি তোমাৰ মৃত্যু ঘটাব পাৰে । এই শ্মশানত স্বচ্ছন্দে

ঘূৰা-ফুৰা কৰি আছা, যেনিবা কোনেও তোমাৰ একো অনিষ্ট কৰিব নোৱাৰে । নিজৰ ৰাজ্যলৈ উলতি যোৱাৰ নামেই লোৱা নাই । বোধহয় তুমি এইটোও পাহৰি গৈছা যে তুমি এজন ৰজা আৰু ৰজা হোৱা কাৰণে তোমাৰ কিছুমান ধৰ্ম আছে।

তোমাৰ ৰাজ্যৰ কতো অশান্তি হোৱা নাইতো? যি পৰিস্থিতিৰ সম্মুখীন হবলৈ তোমাৰ শক্তি নাই । মোৰ কথা শুনা, আৰু নিজ ৰাজ্যলৈ উলতি যোৱা । ৰজা শান্তনুয়েও এনে পৰিস্থিতিৰ সম্মুখীন হব লগা হৈছিল । তেওঁ এদিন হঠাতে যেনিবা তেওঁৰ সমস্যা সমাধানৰ পথ বিচৰি পালে। কিন্তু এইটো মাথোঁ তেওঁৰ আত্মবঞ্চনা আছিল, মাত্ৰ তেওঁৰ ভ্ৰম আছিল । তুমি নিজৰ ভাগৰ দূৰ কৰিবলৈ তেওঁৰ কাহিনী শুনা ।” বেতালে শান্তনুৰ কাহিনী কবলৈ ধৰিলে ।

বহুদিন আগৰ কথা । বিদৰ্ভ ৰাজ্যত শান্তনু নামে এজন ৰজা আছিল । তেওঁৰ ৰাজ্য ফলে ফুলে, শস্যে মৎস্যে ভৰপুৰ আছিল । কিন্তু ধৰ্মীয় বিৰোধৰ বাবে তাত অশান্তি নুগুচিছিল । শিৱ ভক্ত আৰু বিষ্ণু ভক্তসকলৰ মাজত সৰু সৰু কথাকলৈ কাজিয়া লাগিছিল । ইজনে সিজনৰ মন্দিৰ ভাঙিছিল আৰু ইজনে সিজনৰ সম্পত্তি অধিকাৰ কৰিছিল । কেতিয়াবা কেতিয়াবা কথা ইমান দূৰ পাইছিল গৈ যে ইজনে সিজনক মাৰি পেলাবলৈও পাচ নুহুহিকিছিল ।

শান্তনুয়ে এইটো সোনকালে বুজিব পাৰিলে, যদি ধৰ্মীয় কাজিয়া এইদৰে চলি থাকে তেতিয়াহলে ৰাজ্য দুৰ্বল হব, আৰু ইয়াৰ পৰা শত্ৰু ৰাজ্যবোৰে লাভ আদায় কৰিব । মন্ত্ৰীসকলৰ পৰা পৰামৰ্শ বিচৰাত তেওঁলোকৰ ভিতৰৰ শিৱভক্তসকলে পৰামৰ্শ দিলে যে বৈষ্ণৱ ভক্তসকলক নিষিদ্ধ কৰিব লাগে । বিষ্ণুভক্ত মন্ত্ৰীসকলে আৰু এখোপ আগবাঢ়ি কলে, ৰাজ্যত শিৱৰ নাম উচ্চাৰণ কৰিব দিয়াটোয়ে উচিত নহয় । ৰাজ্যই বুজিব পাৰিলে ধাৰ্মিক ভেদভাব মন্ত্ৰীসকলৰ মাজতো উদ্ভৱ হৈছে যেতিয়া এইটো এটা চিন্তাৰ বিষয় ।

শান্তনুৰ পত্নীৰ নাম আছিল বিবেকৱতী । তেওঁ পতিৰ চিন্তাৰ কাৰণ বুজিব পাৰি ৰজাক সুধিলে, “প্ৰভু, মই জানিব পাৰোনে আপুনি শিৱভক্ত নে বিষ্ণুভক্ত?”

“মই দেশভক্ত । মোৰ প্ৰজাসকলে এই দুয়োটা দেৱতাৰে পূজা কৰে, সেয়েহে এই দুয়ো ভগবানেই মোৰ আৰধ্য দেৱতা ।” ৰজা শান্তনুয়ে কলে ।

আমাৰ পুৰাণবোৰেও এই দুয়োজনৰ ৰূপ বেলেগ বেলেগ বুলি কোৱা নাই । এই দুয়োজনেই এক আৰু ভগবান এক । শিৱৰ ৰূপত বিষ্ণুক আৰু বিষ্ণুৰ ৰূপত শিৱক পূজা কৰা আমাৰ সম্প্ৰদায় আছে । শিৱ আৰু কেশৱ এক, এই সত্য প্ৰতিষ্ঠিত

কৰিবলৈ কৰবাত কৰবাত হৰ হৰ নাথৰো মন্দিৰ আছে। আজি কালি তেওঁৰ চোৱাচিতা কৰা নহয়। আপুনি হৰিহৰ নাথৰ শ্ৰেষ্ঠতা প্ৰচাৰ কৰক । প্ৰজাকো এই প্ৰচাৰৰ কামত লগাওক। ইয়াৰ দ্বাৰা তেওঁলোকৰ দৃষ্টিভঙ্গিৰ পৰিবৰ্তন হোৱাৰ সম্ভাৱনা আছে।" বিবেক-বতীয়ে ৰজাক পৰামৰ্শ দিলে।

শান্তনুয়ে হাঁহিমাৰি কলে, "হৰি হৰ যে বেলেগ বেলেগ নহয়, বৰং একহে এই কথাটো প্ৰজাক বুজোৱা টান কাম নহয়। কিন্তু কিছুমান স্বাৰ্থান্বেষী মানুহে ধৰ্মৰ নামত প্ৰজাসকলক বিপথে পৰিচালিত কৰিছে। তেওঁলোকে ধৰ্মীয় একতা স্থাপনত বাধা দি আহিছে। আনকি তেওঁলোকে মোক ধৰ্মদ্ৰোহী বুলি মোৰ বিৰুদ্ধে জনতাক উচতাব পাৰে। এই পৰিস্থিতিত নিজৰ ৰক্ষাৰ বাবে সেনাকো প্ৰয়োগ কৰিব লগা হব পাৰে। কিন্তু মই এইটো কেতিয়াও নিবিচাৰো। তেজৰ নৈ বোওৱাতো মোৰ সিদ্ধান্ত আৰু আদৰ্শ বিৰুদ্ধ।

" আপুনি প্ৰজাসকলৰ মাজলৈ ৰজা শান্তনু হৈ নাযাব । হৰিহৰনাথৰ এজন যোগী সন্ন্যাসী হৈ তেওঁলোকক উপদেশ দিব । " বিবেকৱতীয়ে কলে।

"স্বাৰ্থান্বেষী শক্তিয়ে যেতিয়া ৰাজাৰ বিৰুদ্ধেই মানুহক উচতাবলৈ চেষ্টা কৰিছে তেওঁলোকে এজন যোগাক আৰু কি ভয় কৰিব, আচল কথাটো জনাৰ পাছত গোটেই ৰাজ্যতে খলকনি নুঠিবনে?"ৰজাই প্ৰশ্ন কৰিলে।

এই সমস্যা সমাধান কৰিবলৈ বিবেকৱতীৰ ওচৰত এটা উপায় আছে। এবাৰ এজন মুনি ৰজাৰ অন্তঃপুৰলৈ আহিছিল। তেওঁ অতি শ্ৰদ্ধা ভক্তিৰে মুনিৰ সেৱা কৰিছিল। যোৱাৰ সময়ত মুনিয়ে তেওঁক এটা আঙঠি দিলে আৰু কলে, "এই আঙঠিটো যিয়ে পিন্ধিব অস্ত্ৰ-সস্ত্ৰই তেওঁক একো

কৰিব নোৱাৰিব, আনকি প্ৰাকৃতিক শক্তিয়েও তেওঁৰ কোনো অনিষ্ট কৰিব নোৱাৰিব। কিন্তু এটা কথা, ইয়াক মানুহৰ হিতৰ বাবে ব্যৱহাৰ কৰিলেহে এই আঙঠিয়ে প্ৰভাৱ দেখুৱাব পাৰিব।"

"মই এতিয়ালৈকে সেই আঙঠিটো মন্দিৰত ৰাখি থৈ দিছো। এতিয়া ইয়াক প্ৰজাৰ মঙ্গলৰ বাবে ব্যৱহাৰ কৰাৰ সময় আহিছে।" ইয়াকে কৈ বিবেকৱতীয়ে আঙঠিটো লৈ আহি ৰজাৰ হাতত দিলে।

সেই আঙঠিটো পিন্ধাৰ লগে লগে ৰজা এজন যোগীৰ ৰূপলৈ পৰিবৰ্তিত হ'ল। তেওঁ ৰাণীক খুব প্ৰশংসা কৰিলে আৰু আত্মবিশ্বাসেৰে সৈতে প্ৰজাৰ মাজলৈ গ'ল। ৰজাই হৰিহৰনাথৰ প্ৰচাৰ কাৰ্য্যত লাগি গ'ল। মানুহক উপদেশ দিবলৈ ধৰিলে। তেওঁ বুজাবলৈ ধৰিলে শিৱ আৰু বিষ্ণু কোনো বেলেগ দেৱতা নহয়, এজন ভগবানৰে

দুটা নাম । এই কথা শুনি দুষ্টলোক সকলে তেওঁৰ ওপৰত শিলগুটি মাৰিবলৈ ধৰিলে। নানা ধৰণৰ অত্যাচাৰ কৰিবলৈ ধৰিলে।

যেনেদৰে হিৰণ্যকশিপুয়ে প্ৰহ্লাদাৰ ওপৰত চলোৱা অত্যাচাৰে প্ৰহ্লাদক একো কৰিব নোৱাৰিলে, সেইদৰে ক্ষুদ্ধ জনতায়ো তেওঁৰ কোনো অনিষ্ট কৰিব নোৱাৰিলে । লাহে লাহে প্ৰজাসকলৰ মনৰ পৰিবৰ্তন হ'ল । তেওঁলোকে সমান ভাবে শিৱ বিষ্ণুৰ পুজা কৰিবলৈ ধৰিলে । স্বাৰ্থান্বেষীসকলৰ খেলা খতম হ'ল । তেওঁলোকে হাৰ মানিলে ।

ৰজা শান্তনুয়ে নিজৰ কৃতকাৰ্য্যতাত খুব আনন্দিত হ'ল । কিন্তু ইয়াৰ ভিতৰতে এটা ঘটনা ঘটিল । যেতিয়া তেওঁ এখন প্ৰদেশৰ পৰা ৰাজধানীলৈ বুলি উলতি আহিছিল তেতিয়া এজন যুৱকে তেওঁক আক্ৰমণ কৰিলে । বলবান ৰজাই অতি কৌশলেৰে সেই যুৱকক অধীন কৰি ললে আৰু কলে, "মই হৰিহৰনাথ, ভগবানৰ কৃপাত মই অমোঘ শক্তি লাভ কৰিছো । মই এজন যোগী। এই কথাতো নাজানি তুমি মোৰ ওপৰত আক্ৰমণ চলাইছা । তথাপি মই তোমাৰ ওপৰত অসন্তুষ্ট হোৱা নাই । এতিয়া কোৱাচোন, তুমি মোক কিয় আক্ৰমণ কৰিছা ?"

সেই যুৱকে বিদ্ৰূপপূৰ্ণ চাৱনিৰে শান্তনুৰ ফালে চাই কলে "জানি বুজিয়েই মই তোমাৰ ওপৰত আক্ৰমণ কৰিছো । মই জানো, তুমি কোন আৰু তোমাৰ লক্ষ্য কি । যোগৰ দ্বাৰা তুমি মহিমা প্ৰাপ্ত হব পাৰা আৰু সেই মহিমাৰ দ্বাৰা জনগণক সত্য পথেৰে লৈ যাব পাৰা । কিন্তু তুমি নিজৰ মহিমাৰ দুৰ্ব্যৱহাৰ কৰিছা । আমাৰ দেশত যি অৰাজকতাৰ সৃষ্টি হৈছে ইয়াৰ কাৰণ হ'ল দেৱভক্তি । কোনো দেশক সমৃদ্ধিশালী কৰিবলৈ তাৰ বাবে আৱশ্যাক নাস্তিকতাৰ । তুমি মানুহৰ দেৱভক্তিৰ পথ ঘূৰাই দিছা, কিন্তু তাৰ পৰা দেৱভক্তি নামৰ যি মূৰ্খতাৰ সৃষ্টি হৈছে তাৰদ্বাৰা তেওঁলোকে নিস্তাৰ নাপাব । এইটো তোমাৰ জয় নহয়, পৰাজয়হে ।"

শান্তনুয়ে কলে, "এই বিশ্বত বেচিভাগ মানুহেই আস্তিক । দেৱভক্তি এক অদ্ভুত বিশ্বাস। গোটেই বিশ্বতে দেৱভক্তিৰ নামত কিমান ভাল কাম হৈ আছে । মই স্বীকাৰ কৰো, দেৱভক্তি যেতিয়া মূঢ়ভক্তিলৈ পৰিৱৰ্তিত হয় তেতিয়া মানুহৰ হৃদয়ৰ পৰা মানৱতা দূৰ হৈ যায় । পশু আৰু তেওঁলোকৰ মাজত কোনো পাৰ্থক্য নাথাকে । সেয়েহে মোৰ বিশ্বাস সেই সময়ত তেওঁলোকক আচল পথলৈ লৈ অহাতো আমাৰ কৰ্তব্য আৰু সেইটোৱে আমাৰ লক্ষ্য । এই বিশ্বাসৰ বলতেই মই প্ৰচাৰো কৰিছো । তুমিও যদি মোৰ দৰে প্ৰচাৰ কৰা তোমাৰ মঙ্গল হব।"

তেতিয়া যুৱকজনে নিজৰ এখন কাব্য পঢ়ি



শুনালে। শান্তনুৱে অতি সন্তুষ্ট হৈ কলে “ তুমি এখন উত্তম কাব্যও ৰচনা কৰিছা। তুমি যদি ৰজাক শুনোৱা তোমাক পুৰস্কাৰ দিব।”

ইয়াৰ পাছত দুয়ো বেলেগ ফাললৈ গুচি গ'ল। ৰাজধানীলৈ ঘূৰি আহাৰ পাছত ৰজাই ৰাণীক আঙঠিটো ঘূৰাই দিলে। এদিন তেওঁ যেতিয়া সিংহাসনত বহি আছিল তেতিয়া সেই নাস্তিক যুৱকজন তালৈ আহিছিল। ৰজাৰ অনুমতি লৈ তেওঁ ৰাজসভাত কাব্য পাঠ কৰি শুনালে। সভাসদসকলে তেওঁক প্ৰশংসা কৰি হাত তালি বজালে। ৰজায়ো তেওঁৰ কাব্যৰ প্ৰশংসা কৰি কলে, “পুত্ৰ, তুমি এজন প্ৰতিভাশালী কবি। তোমাৰ কাব্য দহ হেজাৰ স্বৰ্ণমুদ্ৰা পোৱাৰ যোগ্য।”

তেতিয়া মন্ত্ৰীয়ে হস্তক্ষেপ কৰি কলে “মহাৰাজ, এই যুৱকৰ কাব্য সঁচাকৈয়ে মহান। কিন্তু ইয়াত ভগবানক ব্যঙ্গ কৰা হৈছে, কৰবাত কৰবাত ভগবানক দোষীও কৰা হৈছে। আমাৰ দেশৰ ঈশ্বৰ বিশ্বাসীসকলে ইয়াৰ লগত সহমত নহব। সেয়েহে এই কাব্য ৰাজ সন্মান পোৱাৰ যোগ্য নহয়।”

ৰজাই মন্ত্ৰীৰ কথা সমৰ্থন কৰি কেৱল মূৰটো লৰালে আৰু যুৱকজনক অকলে লগ পাবলৈ বিচাৰিলে। দুয়ো যেতিয়া অকলে লগ হ'ল ৰজাই যুৱকক কলে “নিঃসন্দেহে তোমাৰ কাব্য উত্তম। নিজৰ বিচাৰ আৰু বিশ্বাসৰ প্ৰচাৰ যদি কৰিব বিচৰা তাত মই তোমাৰ মতৰ বিৰোধ নকৰোঁ। কিন্তু মনত ৰাখিবা সেই মত মানুহৰ হিতাকাঙ্ক্ষী হব লাগে, নিজৰ স্বাৰ্থৰ বাবে হব নালাগে।”

যুৱকজনে অস্বীকাৰ কৰি কলে, “সকলোৱে যোগী হব নোৱাৰে। মানুহৰ উপকাৰৰ মোৰ কি প্ৰয়োজন ? এনেধৰণৰ আৰু বহুতো কাব্য মই ৰচনা কৰিব বিচাৰোঁ। ৰজাৰ আদৰ পালে আৰু বহুতো কাব্য ৰচিব পাৰোঁ। অথবা কষ্ট কৰি লিখা এই কাব্যৰ বিষয়ে পাহৰি যোৱাই শ্ৰেয় হব।”

তেতিয়া ৰজা শান্তনুৱে তেওঁক এখন চিত্ৰ দি

কলে “নগৰৰ গহনা ব্যৱসায়ী ৰত্নাকৰক এই চিত্ৰখন দিবা । তেওঁ তোমাক দহ হেজাৰ স্বৰ্ণ মুদ্ৰা দিব । আকৌ কাব্য লিখি মোৰ ওচৰলৈ আনিবা । সেই সময়লৈ আৰু এখন চিত্ৰ তৈয়াৰ কৰি ৰাখিম । কিন্তু এই কথাটো মনত ৰাখিবা ৰত্নাকৰে যাতে কোনোপধ্যে জানিব নোৱাৰে এইখন মই তৈয়াৰ কৰা চিত্ৰ ।”

যুৱকে আচৰিত হৈ কলে “মহাৰাজ, আপোনাৰ ছবি বিক্ৰী কৰি মোক টকা দিয়াৰ কি আৱশ্যক ? ৰাজভঁৰাল উদং হ'ল নেকি ? শিল্পী, কবি, সাহিত্যিকক সন্মান কৰাৰ ৰীতি এই দেশত নাই নেকি ?”

ৰজাই হাঁহি মাৰি কলে,” কবি আৰু শিল্পীক সন্মানিত কৰাৰ ৰীতি আমাৰ দেশত আছে । কিন্তু দেশ মানে ৰজা নহয় প্ৰজা । প্ৰজাৰ প্ৰতিনিধি হোৱা হেতুকে মই প্ৰজাৰ সিদ্ধান্ত মানো, তেওঁলোকক বিশ্বাসত লওঁ । তোমাৰ কাব্যই প্ৰজাৰ আদৰ পোৱা নাই, সেয়ে তুমি ৰাজসন্মানৰ যোগ্য নহয় । যেতিয়ালৈকে তুমি নিজৰ সিদ্ধান্ত আনৰ ওপৰত ন্যস্ত নকৰা তেতিয়ালৈকে তোমাৰ সিদ্ধান্ত ব্যক্ত কৰ অধিকাৰ তোমাৰ আছে । মই তোমাৰ কাব্য বহিষ্কাৰ নকৰো । তোমাৰ কাব্য সঁচাকৈয়ে মোৰ ভাল লাগিছে । সেইবাবে আজৰি সময়ত মই কাম কৰি তাৰ পৰা যি ধন পাইছো তাৰেই মই তোমাক সন্মান কৰিছো । ৰত্নাকৰ এজন কলাপ্ৰিয় ব্যক্তি। তেওঁ এনে চিত্ৰ খুব পছন্দ কৰে । যদি তেওঁ বুজিব পাৰে এই দেশৰ ৰজাই এই চিত্ৰখন আঁকিছে, তেতিয়া তেওঁ ইয়াৰ অধিক মুল্যাঙ্কন কৰিব । মই বিচাৰো তেওঁ ইয়াৰ উচিত দাম দিয়ক, সেয়েহে মই মোৰ নাম গোপনে ৰাখিব খুজিছো । ”

তেতিয়া সেই যুৱকে দুহাতযুৰি কলে, মহাৰাজ মই কল্পনাই কৰিব পৰা নাছিলো, এজন ৰজাও যে ইমান আদৰ্শবাদী হব পাৰে । মই নাস্তিক, কিন্তু আপোনাৰ মাজতে মই ভগবানক দেখিবলৈ পাইছো । এতিয়া মই কোনো সন্মানৰ আশা নকৰো । আগলৈ আপুনিয়ে মোৰ আদৰ্শ হব ।”

ৰজাই তেওঁৰ কান্ধত হাত ৰাখি কলে, “জনতাই মূৰ্খতাৰ সোঁতত উটি নাযায়, ইয়াৰ বাবে তোমাৰ দৰে কবিৰ কাব্য নিশ্চয়কৈ আৱশ্যক । তোমাৰ নিচিনা কবিক যদি সন্মান কৰিব নোৱাৰো, মোৰ দৰে মানুহে চিত্ৰ আঁকাৰ প্ৰেৰণা কেনেকৈ পাম ? মোৰ কলাই তোমাৰ কাব্য ৰচনাৰ প্ৰেৰণা দিব । তুমি মোৰ মাজতে যদি ভগবানক দেখিব পোৱা, তোমাৰ কাব্যৰ দ্বাৰা মানৱৰ কল্যাণ হব । এই চিত্ৰখন লৈ যোৱা। ৰত্নাকৰে চিত্ৰকৰৰ নাম কবলৈ তোমাক

জোৰ কৰিব পাৰে, তুমি কেতিয়াও মোৰ নাম নকবা।”

যুৰকে নম্ৰভাৱে কলে, “প্ৰভু, ৰাজসভাত আপুনি মোক সন্মান নকৰিব পাৰে, কিন্তু এই সন্মানক ৰাজ সন্মানতকৈও শ্ৰেষ্ঠ বুলি বিবেচনা কৰো । আপুনি দিয়া পৰামৰ্শ মতে মই জীৱন পথত আগবাঢ়ি যাম । মোৰ সম্পূৰ্ণ বিশ্বাস আছে কোনোবা দিনা এই সভাতে আপোনাৰ হাতৰ পৰা পুৰস্কাৰ লাভ কৰিম । ”

বেতালে এই কাহিনী শুনোৱাৰ পিছত কলে, “মহাৰাজ, শাসন চলোৱা তৰোৱালৰ ধাৰৰ ওপৰেৰে খোজ কাঢ়ি যোৱাৰ সমান । ৰাজ্যত বিভিন্ন মতৰ লোক আছে । আস্তিক আৰু নাস্তিকে নিজৰ নিজৰ মতৰ সত্যতা বুজাবলৈ চেষ্টা কৰে । ইয়াৰ বাবে পৰস্পৰৰ মাজত কাজিয়া লগা কোনো অস্বাভাৱিক নহয়। এনেকুৱা অৱস্থাত ৰজাই বহুত কঠিন পৰিস্থিতিৰ সন্মুখীন হব লগা হয় । তেওঁ এনেকুৱা লোকৰ লগত কঠিন আচৰণ কৰা উচিত । আৱশ্যক হলে তেওঁলোকক কঠোৰ শাস্তি দিব লাগে । এনে নকৰি ভাল ভাল কথা কৈ, উপদেশ দি তেওঁলোকৰ পৰিবৰ্তন অনা সম্ভৱনে ? আকৌ সম্ভৱ হলেও সেই জয় ক্ষণিকহে । এনেকুৱা লোকে যি কোনো সময়তে অবিশ্বাস প্ৰকাশ কৰিব পাৰে আৰু বিদ্ৰোহ কৰিবলৈ প্ৰস্তুত হব পাৰে । এনেকুৱা ক্ষন্তেকীয়া জয় লাভ কৰি শান্তনুৱে ভাবিছে যে তেওঁ সহজে সমস্যা সমাধান কৰি পেলালে । মই কও সেয়া তেওঁৰ ভ্ৰম মাত্ৰ । তেওঁ বাৰু নিজে নিজকে প্ৰৱঞ্চনা কৰা নাইনে ? মোৰ এই সন্দেহৰ সমাধান জানিও যদি তুমি মনে মনে থাকা তেতিয়াহলে তোমাৰ মূৰ টুকুৰা টুকুৰ হৈ যাব।”

বিক্ৰমে কলে “মনৰ সমাজ চেতনাহীন তথা পৰিবৰ্তনহীন নহয় । পৰিণাম আৰু পৰিবৰ্তন ইয়াৰ সহজ লক্ষণ । সেয়েহে সেই সময়ৰ পৰিস্থিতিৰ ওপৰত দৃষ্টি ৰাখি ৰজাৰ উচিত সমস্যা সোনকালে সমাধান কৰা আৰু পৰস্পৰৰ মাজৰ ভুল বুজা বুজি দূৰ কৰা । বিবেকবান শান্তনুৱে তাকেই কৰিছে । দন্ড দিয়া নীতি সমস্যা সমাধানৰ পথ নহয় । মানুহৰ মাজত, ধৰ্মৰ মাজত শত্ৰুতা সদায় থাকিব । এইটো ভবা ভুল যে এই সমস্যাবোৰ চিৰদিনৰ বাবে নোহোৱা হৈ যাব।

ৰজাৰ মৌনতা ভঙ্গকৰাত সফল হৈ বেতালে শটোৰে সৈতে নোহোৱা হৈ গছৰ ডালত গৈ পুনৰ ওলমি থাকিল ।

বসুন্ধৰাৰ ৰচনাৰ ভিত্তিত

ভাগ্যবান

গোপালনগৰ নামৰ এখন সৰু গাওঁ আছিল । বহুদিন আগতে ৰমেশ নামৰ এজন ব্যৱসায়ীয়ে তাত বাস কৰিছিল । তেওঁৰ পুত্ৰৰ নাম হ'ল ভাগ্যবৰ্মা । পুতেকৰ জন্মৰ পিছৰে পৰা ৰমেশৰ ব্যৱসায়ত খুব উন্নতি হৈছিল । সেই অঞ্চলৰ ভিতৰত তেওঁকে মুখ্য ব্যৱসায়ী বুলি কোৱা হৈছিল । কিন্তু ভাগবৰ্মাই যৌৱনত প্ৰৱেশ কৰাৰ পিছৰে পৰা সকলোবোৰ উলত-পালত হৈ গ'ল । হঠাতে এদিন ৰমেশৰ পত্নীৰ মৃত্যু হ'ল । আন এদিন তেওঁৰ ব্যৱসায়ৰ জাহাজবোৰ সমুদ্ৰত ডুব গ'ল । অকল সেয়াই নহয়, চুবুৰীয়া ৰাজ্যলৈ স্থলপথেৰে পঠোৱা তেওঁৰ ব্যৱসায়ৰ মাল-বস্তু অৰণ্যৰ মাজত ডকাইতে লুটি লৈ গ'ল । এইবোৰ কাৰণত ৰমেশ দেৱলীয়া হৈ গ'ল । মনৰ দুখতে তেওঁ ৰোগগ্ৰস্ত হ'ল ।

মৃত্যুৰ আগতে তেওঁ পুত্ৰ ভাগ্যবৰ্মাক মাতি আনি কলে - "বাচা, তোমাৰ জন্মৰ পাছত মোৰ ব্যৱসায়ৰ উন্নতি হৈছিল, সেয়েহে মই তোমাৰ নাম ৰাখিছিলো ভাগ্য বৰ্মা । কিন্তু আমাৰ বৰ্ত্তমান অৱস্থা খুব ভাল নহয় । আমি সকলো হেৰুৱালো । মই বুজিব পৰা নাই ভগবানে আমাক কিয় এনে অন্যায় কৰিলে? মই জানিব পৰা নাই কি পাপৰ বাবেনো আমি এই দন্ড ভোগ কৰিব লগা হৈছে ? মোৰ মৃত্যুৰ দিনো লাহে লাহে ওচৰ চাপি আহিছে । মই তোমাক অনাথ কৰি থৈ মৰিবলৈ ওলাইছো । তোমাৰ ভৱিষ্যতৰ কথা চিন্তা কৰি মোৰ মনত খুব দুখ লাগিছে । কিন্তু মই কি কৰো ? মই উপায়হীন । " তেওঁ চকুপানী টুকি কবলৈ ধৰিলে ।

ভাগ্যবৰ্মাই পিতাকক সান্ত্বনা দি কলে- "নাৰিকলৰ পানী যেনেদৰে ভৰি আহে, সেইদৰে সম্পত্তিও আহে । চাওতে চাওতে ই চকুৰ আগৰ পৰা নোহোৰা হৈ যায় । শিল ধুমুহা আহিলে শস্যৰ হানি হয় । ইয়াৰ দ্বাৰা

কৃষকৰ প্ৰচুৰ লোকচান হয় । কৃষকে যদি বৰুণদেৱ আৰু ভূদেৱীৰ ওপৰত অসন্তুষ্ট হৈ খেতি নকৰে তেতিয়াহলে কেনেকৈ জীয়াই থাকিব ? পৰিয়ালক কেনেকৈ পোহপাল দিব? এই কথাটো ব্যৱসায়ৰ ক্ষেত্ৰতো প্ৰযোজ্য । ব্যৱসায়ত লোকচান হ'লে ব্যৱসায়ী হতাশ হোৱা উচিত নহয় । তেওঁ উন্নতিৰ বাবে চেষ্টা কৰা উচিত । আপুনি অতি মৰমেৰে মোৰ নাম ৰাখিছে ভাগ্যবৰ্মা । মই এই নামৰ যোগ্য হয় নে নহয় ভৱিষ্যতেহে কব । মোক আশীৰ্বাদ কৰক মই যাতে আপোনাৰ নাম ৰাখিব পাৰো । ”

ৰমেশে নিজৰ পুত্ৰৰ আত্মবিশ্বাস দেখি প্ৰশংসা কৰি কলে-“তুমি যে এই গাঁৱতে ব্যৱসায় কৰিব লাগিব তাৰ কোনো আৱশ্যকতা নাই আৰু তুমি যে মই কৰা ব্যৱসায়টোকে কৰিব লাগিব তাৰো কোনো মানে নাই । যিকোনো বস্তুৰে ব্যৱসায় কৰিব পাৰি । প্ৰথমতে মই সৰু সৰু নাৱত অহা সামগ্ৰীৰ ওপৰত কৰ সংগ্ৰহৰ কাম কৰিছিলো। চক্ৰধৰ নামৰ বন্ধুএজনে মোক এই চাকৰিটো দিছিল । তুমিও তেওঁক লগ কৰা । তোমাকো তেওঁ সেই চাকৰি দিব । তুমি নিঃসঙ্কোচে সেই চাকৰি কৰিব পাৰা । মোৰ আত্মা সদায় তোমাৰ লগতে থাকিব ।”

ৰমেশৰ মৃত্যুৰ পিছত ভাগ্যবৰ্মাই চক্ৰধৰক লগ ধৰিলে । তেওঁৰ বহুতো সৰু সৰু নাও আছিল । ব্যৱসায়ৰ সামগ্ৰীবোৰ অন্য ঠাইলৈ লৈ গৈ বিক্ৰী কৰাত সেই নাওবোৰ ব্যৱহাৰ কৰিছিল । বিক্ৰী কৰা মালৰ ওপৰত বাণিজ্য কৰ সংগ্ৰহ কৰা হৈছিল । এই কৰা সংগ্ৰহৰ বাবে কিছুমান লোক নিযুক্ত কৰা হৈছিল ।

সংগ্ৰহ কৰা ধনৰ পৰা যিটো চৰকাৰৰ প্ৰাপ্য আছিল সেইটো চৰকাৰক দিয়া হৈছিল । এই সকলো কামেই চক্ৰধৰে নিজে চোৱাচিতা কৰিছিল ।

চক্ৰধৰে ভাগ্যবৰ্মাক দেখি মৰমেৰে কলে -“মই এই কামৰ পৰা যি ধন লাভ কৰিছো, সেই ধনেৰে মই কেইখনমান নাও কিনিছো। তোমাৰ পিতাইও এইদৰে উপাৰ্জন কৰি ব্যৱসায় আৰম্ভ কৰিছিল আৰু ডাঙৰ ব্যৱসায়ী হৈছিল । কোটি টকা উপাৰ্জন কৰিছিল । তুমি মোৰ বন্ধুৰ পুত্ৰ । তোমাক মই সেই চাকৰি দিব বিচৰা নাই । তোমাক মই বহুতো টকা ধাৰে দিম । সেই টকাৰে তুমি ব্যৱসায় আৰম্ভ কৰা আৰু উপাৰ্জন কৰি আগৰ প্ৰতিপত্তি লাভ কৰা । মই তোমাক সকলো সময়তে সহায় কৰিম ।”

ভাগ্যবৰ্মাই হাতযোৰ কৰি কলে- “জ্ঞানীজনে কয়, য'তে হেৰইছা তাতে

বিচৰা । মই পিতাৰ আজ্ঞা পালন কৰিব খোজো । মোৰ পিতাৰ আশীৰ্বাদেই মোৰ মূলধন । মোৰ বিশ্বাস মোৰ পিতাই যি চাকৰি কৰিছিল সেই চাকৰিৰ দ্বাৰাই মোৰ ভাগ্য উদয় হব । সেই চাকৰিটোকে মোক দিয়ক । সেইটোকে মই ধাৰ বুলি বিবেচনা কৰিম । আপোনাৰ বন্ধুৰো সেইটোৰে ইচ্ছা আছিল।" ভাগ্যবৰ্মাৰ ইচ্ছা অনুসৰি চক্ৰধৰে তেওঁক চাকৰিটো দিলে । এইদৰে কেই-মাহমান অতিবাহিত হল ।

এদিন নাৱত তিনিটা বাকচ লৈ অহা হৈছিল। তাৰ মালিকে বাকচ কেইটা খুলি ভাগ্যবৰ্মাক দেখুৱাই কলে,চাহাব, এইকেইটা খালী বকচ । নিয়ম মতে ইয়াৰ কৰ দিব লাগে। যিহেতু এইকেইটা খালী বাকচ সেয়েহে ইয়াৰ কৰ দিব লাগিবনে নাই মই জানিব পৰা নাই।"

ভাগ্যবমাই বাকচ কেইটা পৰীক্ষাকৰি কলে-"বাকচকেইটা বেচ ডাঙৰ । একোটাত তিনি মোন মান বস্তু ভাৰাব পৰা যাব । এইকেইটা বেচিলেও টকা পোৱা যাব ।"

বাকচকেইটা লৈ অহা মানুহজনে কলে, "অনুগ্ৰহ কৰি মোৰ কথাতো শুনক । বহুদিন আগতে বেপাৰৰ বহুতো সামগ্ৰী লৈ এটা ব্যৱসায়ীৰ দল অৰণ্যৰ মাজৰ পথেৰে গৈ আছিল । মই সেই দলৰ এজন ভৃত্য আছিলো মাত্ৰ । অৰণ্যৰ মাজত এটা ডাকাইতৰ দলে সেই ব্যৱসায়ী দলটোৰ সকলো সামগ্ৰী লুটি নিলে । ডাকাইতৰ ভয়ত মই অজ্ঞান হৈ পৰি গলো । গাধৰ ওপৰত লৈ যোৱা এই তিনিটা বাকচ ছেদেলি-ভেদেলি হৈ পৰি আছিল । মই জ্ঞান পাই ইফালে সিফালে বিচাৰিলো ডকাইতহঁতে কিবা মূল্যবান বস্তু এৰি গৈছেনেকি । মাত্ৰ এই খালী বাকচ তিনিটা পালো । বাটতে মই অইন বেপাৰীৰ মুখৰ পৰা জানিব পাৰিলো এই বাকচ তিনিটা গোপালনগৰৰ ব্যৱসায়ী ৰামেশৰ । মই তেওঁক ঘূৰাই দিবলৈ এইকেইটা লৈ আহিছো। লগতে এইটোও আশা কৰি আহিছো এইকেইটা ঘূৰাই দিয়াৰ প্ৰতিফল হিচাবে তেওঁ মোক এটা চাকৰি দিব বুলি । এই বাকচ কেইটা বিক্ৰী কৰাৰ মোৰ কোনো অধিকাৰ নাই ।"

এই কথা শুনি ভাগ্যবৰ্মাৰ চকু উজলি উঠিল । ইয়াৰ মানে তেওঁ পিতাকৰ খালী বাকচবোৰ ঘূৰাই পালে । ইয়াৰ পৰাই হয়তো তেওঁৰ ভাগ্য উদয় হব পাৰে । ইয়াকে ভাবি তেওঁ মানুহজনৰ আগত কলে-"মই সন্তুষ্ট হৈছো । এতিয়াৰ পৰা মই তোমাক ভৰণ পোষণ দিম । ভাগ্যই যদি লগ দিয়ে আকৌ ব্যৱসায় আৰম্ভ কৰিম আৰু তোমাক মোৰ

সহায়ক হিচাবে ৰাখিম।”

বাকচবোৰ লৈ তেওঁ চক্ৰধৰৰ ওচৰলৈ গ’ল আৰু তেওঁক কলে-“এই মানুহজনে কৈছেযে এই বাকচকেইটা মোৰ পিতাৰ বাকচ, কিন্তু আপোনাৰ অনুমতি নোলোৱাকৈ মই নিব খোজা নাই। আপুনিয়েই কওক, মই বাকচকেইটা নিব পাৰোনে নাই?

চক্ৰধৰে বাকচকেইটাৰ ফালে মনোযোগেৰে চালে আৰু আনন্দ প্ৰকাশ কৰি কলে “বাঃ, তোমাৰ পিতাই ঠিক কথাই কৈছিল যে তেওঁৰ আত্মা তোমাৰ লগতে সদায় থাকিব। তেওঁৰ কথাই সঁচা বুলি প্ৰমাণিত হ’ল। তোমাৰ পিতাই সোণৰ দৰে জিলিকি থকা গহনাৰ ব্যৱসায় কৰিছিল। সেইবোৰ ৰাখিবলৈ তেওঁ এই বাকচ বনাইছিল। চোৱা, প্ৰতিটো বাকচতে তিনিটাকৈ সিৰ আছে। পিছত তেওঁ লক্ষ্মীৰ কৃপা পাই লক্ষ্মীদেৱীৰ পূজা কৰি সেইবোৰ সোণেৰে বন্ধাই দিয়ে। বাকচৰ ধুলিবোৰ মছি দিলে তুমি ভালদৰে সেইবোৰ দেখিবলৈ পাবা। লক্ষ্মীৰ কৃপাতে তুমি সেই বাকচ ঘূৰাই পাইছা। ভগবানে তোমাৰ মঙ্গল কৰক।”

ভাগ্যবৰ্মাই বাকচৰ সিৰবোৰৰ পৰা সোণবোৰ উলিয়ালে। তেতিয়া চক্ৰধৰে কলে-“তোমাৰ পিতাই কোৱাৰ দৰে তুমি এই বাকচবোৰ সেই ঠাইতে পালা, য’ৰ পৰা তুমি ব্যৱসায় আৰম্ভ কৰিবলৈ ইচ্ছা কৰিছা। এই সোণবোৰেই এতিয়া তোমাৰ মূলধন হব। তোমাৰ পিতাৰ নিচিনাকৈ তুমিও সেই ব্যৱসায়ে আৰম্ভ কৰা।”

ভাগ্যবৰ্মাই আনন্দিত হৈ কলে-“ মোৰ পিতাই মোক আশীৰ্বাদ দি কৈছিল মোৰ আত্মা সদায় তোমাৰ লগত থাকিব। চাকৰৰ ৰূপত এই বাকচৰ লগত তেওঁ মোৰ ওচৰলৈ আহিছে। তেওঁৰ নামেৰেই মই ব্যৱসায় আৰম্ভ কৰিম। সঁচাকৈয়ে ভাগ্যই মোৰ লগ দিছে।”

ভাগ্যবৰ্মাই ব্যৱসায় আৰম্ভ কৰিলে। দুই তিনি বছৰৰ ভিতৰতে তেওঁ এজন বিখ্যাত ব্যৱসায়ী হৈ গ’ল। চক্ৰধৰে তেওঁৰ ব্যৱসায়ী বুদ্ধি দেখি আচৰিত হ’ল। তেওঁ জীয়েকৰ বিয়া ভাগ্যবৰ্মাৰ লগতে পাতি দিলে।

ভাগ্যবৰ্মাই সেই চাকৰজনকো পিতাকৰ সন্মান দিলে। দুয়ো এতিয়া নিজৰ নিজৰ ভাগ্যৰ বলত সুখেৰে জীৱন কটাবলৈ ধৰিলে।

এক মহান সভ্যতাত ত্ৰভূমুকি
যুগে যুগে সত্যৰ বাবে গৌৰৱময় অনুসন্ধান

১১. সাবিত্ৰীৰ সাহসপূৰ্ণ কাহিনী

সেই দিনা আছিল ৰবিবাৰ। সেয়েহে দেৱনাথৰ ইচ্ছা আছিল পৰিয়ালৰ সকলোৰে লগত পৰ্বতীয়া ঠাইলৈ গৈ ফুৰি অহাৰ। তেওঁ ৰাতিপুৱা আঠ বজাতে সাজু হ'ল। সন্দীপৰ বন্ধুসকলৰ পৰা ফোন আহিবলৈ ধৰিলে। তেওঁলোকে সুধিলে - "ককা, সাবিত্ৰীৰ কাহিনী শুনিবলৈ আমি কেতিয়া তালৈ আহিম?" নিজৰ সংস্কৃতিৰ বিষয়ে জানিবলৈ তেওঁলোকৰ উৎকণ্ঠা দেখি দেৱনাথৰ মনত আনন্দ লাগিল। তেওঁ যাত্ৰা অহা সপ্তাহলৈ স্থগিত ৰাখিলে। বোৱাৰীয়েকেও আনন্দ মনে তেওঁৰ প্ৰস্তাৱ মানি ল'লে।

আবেলি তিনি বজাত সকলোবোৰ ল'ৰা ছোৱালীয়ে আহি সন্দীপহঁতৰ ঘৰৰ সম্মুখত থকা গছডালৰ তলত বহি গ'ল। ককা দেৱনাথ আহি চকীত বহি লৈ কবলৈ ধৰিলে -"আমাৰ কাহিনীবোৰৰ ভিতৰত এটা মুখ্য কাহিনী হ'ল সাবিত্ৰীৰ কাহিনী। আজি মই তোমালোকক সেই কথাই কম। সাবিত্ৰী মদ্ৰ দেশৰ ৰজা অশ্বপতিৰ কন্যা আছিল। মদ্ৰ দেশ ক'ত তোমালোকে জানানে ?"

"আজি কালি চেন্নাই বুলি কোৱা মাদ্ৰাজ নেকি বাৰু ককা?"কিশোৰৰ ভনীয়েকে সুধিলে।

"নহয় মা, আজি কালিৰ আফগনিস্তান সেই সময়ৰ মদ্ৰ দেশ আছিল। আমাৰ পুৰণি কালৰ গান্ধাৰ দেশক আজি কালি কান্দাহাৰ বুলি কয়।" দেৱনাথে বুজায় কলে।

"এইহে কথা। ইয়াৰ মানে এইবোৰ ঠাই আগতে ভাৰতৰ ভিতৰতে আছিল?" কিশোৰে সুধিলে।

"তুমি ডাঙৰ প্ৰশ্ন এটাই সুধিলা। এইবোৰ জানিবলৈ হলে আমি প্ৰাচীন ভৌগলিক আৰু ৰাজনৈতিক ভাৰতৰ বিষয়ে জানিব লাগিব। ভাৰতক আগতে জম্বু দ্বীপ বুলি কোৱা হৈছিল। এক বিশেষ সাংস্কৃতিক আৰু আধ্যাত্মিক বন্ধনে এই সকলোকে লগলগাই ৰাখিছিল। সেই সময়ত প্ৰজাসকলে ভাবিছিল এই গোটেই ৰাজ্যই এক আৰু অবিভক্ত। সেই কাৰণে কৌৰৱ আৰু

কথা

পান্ডৱৰ মাজত যি যুদ্ধ হৈছিল তাত এই উপমহাদেশৰ সকলো ৰাজ্যৰ ৰজাই ভাগ লৈছিল। কিছুমানে লৈছিল কৌৰৱৰ পক্ষ আৰু কিছুমানে লৈছিল পান্ডৱৰ পক্ষ । পেছোৱাৰ, কাবুল, বামিয়ন বৌদ্ধ বিদ্যাৰ কেন্দ্ৰ স্থল আছিল। বামিয়নত বুদ্ধৰ ডাঙৰ ডাঙৰ মূৰ্তি স্থাপন কৰা হৈছিল । চেঙ্গিজখাঁৰ দৰে আক্ৰমণকাৰীসকলে ইয়াৰ বহুতো মূৰ্তি ভাঙি পেলাইছিল । এইবোৰ হ'ল ইতিহাসৰ সৈতে জৰিত ঘটনা । এতিয়া মই তোমালোকক সাবিত্ৰীৰ কথা কম । পান্ডৱসকলৰ বনবাসৰ সময়ত মাৰ্কন্ডেয় মুনিয়ে তেওঁলোকক এই কাহিনী শুনাইছিল । ''এইবুলি কৈ ককা দেৱনাথে সাবিত্ৰীৰ কাহিনী কবলৈ আৰম্ভ কৰিলে ।

সাবিত্ৰী মদ্ৰ দেশৰ ৰজা অশ্বপতিৰ একমাত্ৰ কন্যা আছিল । দেৱী সাবিত্ৰীৰ বৰত জন্ম হোৱা সাবিত্ৰী অতি সুন্দৰী আছিল । তেওঁ যেনে সুন্দৰী তেনে গুণৱতীয়ো আছিল আৰু তেওঁৰ মুখমন্ডল দিব্যজ্যোতিৰে ভৰা আছিল ।

সাবিত্ৰী বিবাহযোগ্যা হোৱাত পিতাকে তেওঁৰ বাবে উপযুক্ত পাত্ৰ বিচাৰিলে । যিবোৰ ৰাজকুমাৰে তেওঁক চাবলৈ আহিছিল তেওঁলোকৰ কোনেও সাবিত্ৰীৰ মুখমন্ডলত ব্যপ্ত তেজস্বীতাৰ ফালে চাব পৰা নাছিল, কাৰণ তেওঁলোকৰ ইমান ক্ষমতা নাছিল । সেয়েহে সাবিত্ৰীয়ে নিজৰ দৰা নিজে বিচাৰি লোৱাতোকে পিতাকে বিচাৰিছিল ।

সাবিত্ৰীয়ে এখন সুন্দৰ ৰথত উঠি সেই দেশৰ মন্ত্ৰীক লগত লৈ দেশে দেশে গ'ল । শেষত তেওঁলোকে সাল্বৰাজ্যৰ সীমা পালেগৈ । আজি কালি সেই ৰাজ্যক ৰাজপুতনা বুলি কয় । তাত

তেওঁ সাল্বৰাজ দ্যুমৎসেনৰ পুত্ৰ সত্যৱানক দেখিবলৈ পালে । দ্যুমৎসেন অকস্মাত অন্ধ হৈ যোৱাত সেই সুযোগতে শত্ৰুয়ে তেওঁৰ ৰাজ্য দখল কৰি ললে । সেই কাৰণে তেওঁ মুনিসকলৰ লগত অৰণ্যতে আছিল । সত্যৱানেও নিজৰ পিতা মাতাৰ লগত থাকি তেওঁলোকৰ সেৱা-শুশ্ৰূষা কৰি আছিল ।

সাবিত্ৰীয়ে সত্যৱানৰ সৈতে বিবাহ কৰাতো স্থিৰ কৰিলে । এই শুভ সংবাদটো পিতা-মাতাক দিবলৈ তেওঁ মদ্ৰ ৰাজ্যলৈ উভতি আহিল । ৰাজভৱনত নাৰদৰ সৈতে তেওঁৰ দেখা হ'ল । তেওঁৰ মুখত সকলো কথা শুনি নাৰদে কলে যে এবছৰ পিছত সত্যৱানৰ মৃত্যু হব । এই কথা জানিব পাৰি সাবিত্ৰী আৰু তেওঁৰ পিতা-মাতা চিন্তাগ্ৰস্ত হ'ল ।

অশ্বপতিয়ে কন্যা সাবিত্ৰীক বুজাবলৈ চেষ্টা কৰিলে তেওঁ যেন সত্যৱানক বিয়া কৰোৱাৰ চিন্তাতে এৰি দিয়ে । কিন্তু সাবিত্ৰী নিজৰ সিদ্ধান্তত অটল থাকিল । যিকোনো অৱস্থাতে তেওঁ

তেওঁৰ পতি আছিল প্ৰাণৰ সমান । পতি বিনে তেওঁৰ জীৱন শূন্য । তেওঁ এইটো পাহৰা নাছিল যিকোনো ক্ষণতে তেওঁৰ পতিৰ মৃত্যু হব পাৰে। তেওঁ মনে মনে স্থিৰ কৰি লৈছিল যে "যিয়েই নহওক, সেই দিনটোৰ মুখামুখি হম আৰু নিজৰ পতিক জীয়াই তুলিম ।"তেওঁ ভক্তিপূৰ্বক ধ্যান কৰি নিজৰ আত্মশক্তি বঢ়াবলৈ ধৰিলে । শেষত নাৰদে কোৱা সেই মৃত্যু দিনটো আহি পালে ।

সেই দিনা ৰাতিপুৱা যজ্ঞৰ কাঠ আনিবলৈ অৰণ্যলৈ যোৱা নিজৰ পতি সত্যবানৰ লগত সাবিত্ৰীও গল । মধ্যাহ্ন সময়ত সত্যবানৰ অনুভব হল তেওঁৰ মূৰটো যেন ঘূৰাব ধৰিছে । সাবিত্ৰীৰ কোলাত মূৰটো থৈ তেওঁ শুই পৰিল । কি হব লগা আছে সাবিত্ৰীয়ে বুজিব পাৰিছিল । মনে মনে ভগবানক আৰাধনা কৰি তেওঁ নিশ্চল হৈ বহি আছিল।

অলপ পিছত তেওঁ দেখিবলৈ পালে এক দিব্য পুৰুষ আহি তেওঁৰ সম্মুখত উপস্থিত হৈছে । তেওঁ জানিব পাৰিলে সেইজন স্বয়ং যমৰাজৰ বহিৰে আৰু আন কোনো নহয় । সত্যৱানৰ আত্মাটো লৈ যমৰাজ আগবাঢ়িল ।

সাবিত্ৰীয়ে যমৰাজৰ পিছে পিছে গ'ল । তেওঁৰ অদ্ভুত শক্তি সামৰ্থ দেখি যমৰজা আচৰিত হ'ল । পতিব্ৰতা স্ত্ৰী এজনী দেখি যমৰজাৰ মনত আনন্দও লাগিল । তেওঁ সাবিত্ৰীক সুধিলে- "দেৱী, তুমি মোৰ পিছে পিছে কিয় আহিছা ? তোমাৰ পতিৰ প্ৰাণৰ বাহিৰে যি বৰ লাগে লোৱা আৰু ঘৰলৈ উলতি যোৱা ।" সাবিত্ৰীয়ে তেওঁৰ অন্ধ শহুৰৰ চকু দান দিবলৈ আৰু তেওঁৰ হেৰোৱা ৰাজ্য ঘূৰাই দিবলৈ প্ৰৰ্থনা কৰিলে । যমৰজাই তেওঁৰ প্ৰাৰ্থনা মানি ললে ।

তথাপিতো সাবিত্ৰী উভতি নগৈ প্ৰাৰ্থনা কৰি কৰি যমৰজাৰ পিছে পিছে গৈ থাকিল । সাবিত্ৰীৰ

সত্যৱানকেই বিবাহ কৰাব । সাবিত্ৰীয়ে পিতা মাতাকো কলে যে, তেওঁ সত্যৱানৰ বাহিৰে অন্য কাকো বিয়া নকৰায় ।

অশ্বপতিয়ে জানিছিল যে তেওঁৰ কন্যা সাবিত্ৰী এজনী অসাধাৰণ ছোৱালী আৰু তেওঁ ভালদৰে জানে কেনেকৈ ভাগ্যৰ সন্মুখীন হব লাগে । সেয়েহে সাবিত্ৰীৰ ইচ্ছা অনুসৰি সত্যৱানৰ সৈতে তেওঁৰ বিয়া পতি দিলে ।

সাবিত্ৰীয়ে নিজৰ পতিৰ সৈতে অৰণ্যৰ ভিতৰতে এটা কুটিৰতে থাকিবলৈ ললে । সাবিত্ৰীৰ আগমনত তেওঁৰ শাহু শহুৰো খুব সন্তুষ্ট হ'ল । তেওঁ শ্ৰদ্ধা ভক্তিৰে শাহু শহুৰৰ সেৱা শুশ্ৰূষা কৰিবলৈ ধৰিলে । ডাঙৰৰ লগত তেওঁ নম্ৰ ব্যৱহাৰ কৰিছিল, সেয়েহে সকলোৱে সাবিত্ৰীক আদৰ কৰিছিল । তেওঁলোকৰ দৃষ্টিত সাবিত্ৰী আছিল এজনী আদৰ্শ নাৰী ।

কিন্তু সাবিত্ৰীৰ মনত শান্তি নাছিল । চিন্তাই তেওঁক খাই মাৰিছিল । পতিৰ জীৱন কালকলৈ তেওঁ সদায় চিন্তিত আছিল । তেওঁৰ বাবে

প্ৰতি যমৰাজৰ মনত কৰুণা উদয় হল আৰু তেওঁক দুটা বৰ মাগিবলৈ কলে । তেতিয়া সাবিত্ৰীয়ে নিজৰ ইচ্ছা প্ৰকাশ কৰি কলে যে মই যেন গোটেই জীৱন সত্যবানৰ সহধৰ্মিনী হৈ থাকো আৰু তেওঁৰ সন্তানৰ মাতৃ হব পাৰো । যমৰাজে 'তথাস্তু' বুলি কলে ।

এতিয়া সত্যৱান পুনৰ জীৱিত হলেহে এই দুয়োটা বৰ ফলৱতী হব । সাবিত্ৰীয়ে খোজা বৰ দুটা দিবলৈ স্বীকাৰ কৰা বাবে যমৰাজে সত্যৱানক জীয়াই দিব লগা হ'ল । সাবিত্ৰীৰ উপস্থিত বুদ্ধিৰ বাবেহে এইটো সম্ভৱ হ'ল ।

সত্যৱান ধীৰে ধীৰে উঠি বহিল, যেন টোপানিৰ পৰাহে সাৰ পাইছে । দুয়ো কুটিৰলৈ উভতি আহিল । দ্যুমৎসেনে পুত্ৰ বোৱাৰীক দেখি আনন্দিত হ'ল আৰু দুয়োকে আশীৰ্বাদ দিলে । তেতিয়ালৈ তেওঁ চকুৰ দৃষ্টিশক্তি ঘূৰাই পাইছিল। তেওঁৰ ৰাজ্য অধিকাৰ কৰা দুষ্ট ৰজাজনক প্ৰজাই বধ কৰিলে আৰু প্ৰজাসকলে তেওঁক স্বাগতম জনাবলৈ আহিল ।

মহাভাৰতত বৰ্ণিত সাবিত্ৰী সত্যৱানৰ এয়া হ'ল সংক্ষিপ্ত কাহিনী । তোমালোকে বাৰু জানানে এই কাহিনী কিয় ইমান মহান? এই কাহিনীত কিছুমান গূঢ় সত্য লুকাই আছে । সাবিত্ৰীয়ে নিজৰ শক্তিৰ বলত পতিৰ ভাগ্য পৰিবৰ্তন কৰিলে । তেওঁৰ পতি সঁচাকৈয়ে সত্যব্ৰতী আছিল ।পতি-পত্নী দুয়োৰে স্বভাৱ পবিত্ৰ । শ্ৰীঅৰবিন্দই যদি সাবিত্ৰী মহাকাব্য নিলিখিলে হেতেন, তেতিয়াহলে এই কাহিনীৰ গূঢ়াৰ্থৰ পৰা, সত্যৰ পৰা আমি পৰিচিত নহলো হেতেন । এটা পুৰণি কাহিনীক তেওঁ এক মহৎ স্তৰলৈ লৈ গৈছে ।

এক ব্যক্তিৰ নিৰ্মল পবিত্ৰ প্ৰেমে অন্য এক ব্যক্তিৰ ভাগ্য ৰেখা পৰিবৰ্তন কৰি দিলে । নহয় নে বাৰু ? এতিয়া ইয়াত কোনো সন্দেহ নাই যে দিব্য প্ৰেমে মানৱ জাতিৰ গতি প্ৰকৃতি বদলাই দিব পাৰে । মানুহে সত্য পথত থাকি উন্নত শিখৰত উঠাৰ যোগ্যতা প্ৰাপ্ত যাতে হব পাৰে । এইটো কথা আমি কেতিয়াও পাহৰি যোৱা উচিত নহয়।"

"ককাদেউতা, আপুনি যদি আমাক সাবিত্ৰী পঢ়ি শুনাই তেতিয়া হলে ভাল হব "। এজনী ছোৱালীয়ে অনুৰোধ কৰিলে ।

"ডাঙৰ হলে তোমালোকে এই গ্ৰন্থ নিজেই পঢ়িবা । এতিয়াও তোমালোকে সেই গ্ৰন্থ পঢ়া আৰম্ভ কৰিব পাৰা । ইয়াৰ অৰ্থ তোমালোকে বুজি নাপাব পাৰা, কিন্তু ইয়ে তোমালোকৰ মনত প্ৰভাৱ বিস্তাৰ কৰিব । তোমালোকে জানিব পাৰিবা শ্ৰেষ্ঠ কবিতা কেনেকুৱা হয় ।" ইয়াকে কৈ ককা দেৱনাথ চকীৰ পৰা উঠি থিয় হল ।

বিন্দুসাৰৰ চিত্ৰবিদ্যা

এটা দুখীয়া পৰিয়ালত বিন্দুসাৰৰ জন্ম হৈছিল। ধনী হবলৈ তেওঁৰ মনত তীব্ৰ আকাঙ্খা আছিল । দিনে ৰাতি পৰিশ্ৰম কৰি তেওঁ কিছু ধনো গোটাইছিল । তেওঁৰ কোনো বেয়া অভ্যাস নাছিল আৰু অনাৱশ্যক খৰছপাতিও নকৰিছিল। সেয়েহে বেপাৰৰ বাবে আৱশ্যকীয় ধন কিছু তেওঁৰ হাতত জমা হৈছিল । তেওঁ প্ৰথমতে সৰুকৈ ব্যৱসায় আৰম্ভ কৰিলে আৰু সেয়ে লাহে লাহে ডাঙৰ হয় গৈ । ব্যৱসায় কৰি দহ বছৰৰ ভিতৰতে তেওঁ কোটিপতি হয় । তেওঁৰ দুজন ল'ৰা আৰু এজনী ছোৱালী আছিল ।

এতিয়া বিন্দুসাৰে, আৰামেৰে জীৱন কটাবলৈ ধৰিলে । তেওঁ জীয়েকৰ বিয়াও পাতি দিলে আৰু তাই শহুৰেকৰ ঘৰত সুখেৰে দিন নিয়াবলৈ ধৰিলে । তেওঁ পুতেক দুয়োটাৰো বিয়া পাতি দিলে । এতিয়া পুতেকহঁতেই বিন্দুসাৰৰ ব্যৱসায় চোৱা-চিতা কৰে । ইমানখিনি কৰিবলৈ তেওঁ বহুতো পৰিশ্ৰম কৰিব লগা হৈছিল । এতিয়াও তেওঁ এনেয়ে বহি সময় কটাবলৈ টান পায় । ব্যৱসায়ৰ কাম কৰিও তেওঁ আমনি পাইছিল;কাৰণ তেওঁ বহুবছৰ ব্যৱসায়ৰ কামেই কৰিলে । সেয়েহে তেওঁ ললিত কলা অভ্যাস কৰাটোকে ঠিক কৰিলে ।

কবিতা লিখিবলৈ তেওঁৰ ভাষা জ্ঞানৰ অভাৱ আছিল ।গান গাবলৈও তেওঁৰ কণ্ঠস্বৰ সিমান মধুৰ নাছিল । এতিয়া থাকিলগৈ এটা বিষয়, সেয়া হ'ল ছবি অঁকা । এদিন নিজৰ কোঠাত বহি বিন্দুসাৰে বিভিন্ন ধৰণৰ ছবি আকিলে । কিন্তু এখন ছবিও তেওঁৰ ভাল নালাগিল । তেওঁ বুজিলে যিকোনো কাৰ্য্যৰ বাবে সাধনা, একাগ্ৰতা আৰু তপস্যাৰ আৱশ্যক । এসপ্তাহ ধৰি তেওঁ চেষ্টা কৰি যাবলৈ ধৰিলে । শেষত এদিন তেওঁ নিজৰ মনৰ পছন্দৰ এখন ছবি আকিলে । সেইখন সিংহৰ ছবি আছিল । নিজ হাতে অঁকা ছবিখন দেখি মনতো আনন্দতে ভাৰি পৰিল । তেওঁৰ অনুমান হ'ল অদূৰ ভৱিষ্যতে তেওঁ এজন ডাঙৰ শিল্পী হব পাৰিব আৰু তেওঁৰ ছবিক মানুহে আদৰ কৰিব ।

তেওঁ ভাবিবলৈ ধৰিলে "সিংহৰ ছবিখন মই সুন্দৰকৈ আকিলো, কিন্তু শিল্পীৰ আত্মসন্তুষ্টি তেতিয়াহে হব যেতিয়া অইন লোকে তেওঁৰ শিল্পকৰ্মৰ প্ৰশংসা কৰিব ।" সেয়েহে সেই ছবিখনৰ বিষয়ে অন্যৰ মতামত জানিবলৈ তেওঁ মানুহক সুধিব বিচাৰিলে-"এই ছবিখন আপোনাৰ কেনে লাগিছে?" কিন্তু এইটো কৰিবলৈ মনতে সংকোচ বোধ হ'ল আৰু মনে মনে থাকিল ।

বহুদিন ধৰি তেওঁ কোঠাৰ ভিতৰতে সোমাই থাকিল আৰু তেওঁনো ভিতৰত কি কৰি আছে সেইটো অইনক জানিবলৈ নিদিলে । সেই কাৰণে তেওঁনো কোঠাত সোমাই কি কৰি আছে অন্য লোকে একো গম নাপালে । তেওঁ ভালদৰে জানিছিল যে এই ছবিবোৰ দেখি কিছুমানে হয়তো মিছাকৈয়ে প্ৰশংসা কৰিব আৰু কিছুমানে ঠাট্টা কৰিব । সঁচা কথা জানিবলৈ হলে এই ছবিবোৰনো আচলতে কি আৰু ইয়াৰ শিল্পীনো কোন এই কথাতো মানুহে জনা উচিত নহয় । ইয়াকে ভাবি তেওঁ ছবিবোৰ ঘৰৰ ভিতৰৰ এখন মেজত ৰাখিলে । তাৰ পাছত তেওঁ ঘোষণা কৰিলে যিজনে এই কাগজত এইবোৰ কি আছে কব পাৰিব তেওঁক এশ টকা পুৰস্কাৰ দিয়া হব ।

প্ৰথমতে বিন্দুসাৰৰ পত্নীয়ে কাগজবোৰ চালে আৰু কলে যে, "আপোনাৰ নাতিহঁতে অঁকা কিছুমান টেঁৰাবেঁকা ৰেখা আছে ।" পত্নীৰ মন্তব্য শুনি বিন্দুসাৰৰ মনত দুখ লাগিল, কিন্তু তেওঁ সেই দুখ বাহিৰত প্ৰকাশ নকৰিলে । ইয়াৰ পিছত তেওঁৰ দুই পুত্ৰই কাগজবোৰ চাই কলে "এইবোৰ আজেবাজে কথাত মূৰ ঘমোৱাতকৈ ব্যৱসায়ৰ কথাত মনোযোগ দিলে দুই পইচা লাভ হব ।" পুতেকহঁতৰ মন্তব্য শুনিও বিন্দুসাৰৰ মনত দুখ লাগিল ।

এই সময়তে দুই বোৱাৰীয়েক সেইফালে গৈছিল । ডাঙৰ বোৱাৰীয়েকে মেজৰ ওপৰত থকা কাগজবোৰ দেখি কলে, "অনুমান হয়, ইয়াত কোনোবাই কিবা কথা লিখি থৈছে । আখৰবোৰ ভোটা ভোটা আৰু অস্পষ্ট, নিশ্চয় এইটো কিবা পৈশাচিক ভাষা ।"

সৰু বোৱাৰীয়েকে নহয় ভাব প্ৰকাশ কৰি



মূৰটো লৰাই কলে, "ইমান ডাঙৰ হলা তথাপি তোমাৰ বুদ্ধি নহল । কাগজত ৰংবোৰ বিয়পি গৈছে সেয়েহে তোমাৰ এনেকুৱা লাগিছে । কিন্তু মোৰ দৃষ্টিত এইটো কোনো ভাষাও নহয় আৰু আখৰো নহয় ।" তেওঁ ভাবিলে তেওঁৰ এই কথাতো শহুৰেকৰ ভাল লাগিব ।

মন্তব্যবোৰ শুনি বিন্দুসাৰে হাঁহিবইনে কান্দিবই এনেকুৱা অৱস্থা হ'ল । তেওঁ গম্ভীৰভাবে কলে," অনুমান হয় এশ টকা পুৰস্কাৰ পোৱাৰ যোগ্য ব্যক্তি মোৰ পৰিয়ালত কোনো নাই ।"

এনে সময়তে দুজন চাকৰ তালৈ আহিল । এজন সেই কাগজবোৰ দেখি কলে, " এইবোৰ শস্যৰ বীজৰ টোপোলা বন্ধা কাগজে হব কিছুমান গুটি ফাটি যোৱা বাবে তাৰে হয়তো ৰং কাগজত লাগিছে ।"

দ্বিতীয় চাকৰজনে হাঁহি হাঁহি কলে, "তোমাৰ মূৰ্খামিৰ বাবে মোৰ হাঁহি উঠি গৈছে । যদি এইবোৰ টোপোলা বন্ধাৰ বাবে ব্যৱহাৰ কৰা কাগজ তেতিয়াহলে তাত ৰাখিব কিয়, তাত কোনো চিহ্ন নাথাকিল হেতেন ।

দুয়োৰে কথা শুনি বিন্দুসাৰৰ মনত অলপ আশা হল । তেওঁ দ্বিতীয় চাকৰজনক কলে, "দুয়োৰে ভিতৰত তোক অলপ বুদ্ধিমান যেন লাগিছে । এতিয়া তই কচোন এইবোৰনো কি?"

চাকৰজনৰ মনত ভাল লাগিল । সি কলে, "এইটো কথানো কি টান কথা মালিক? এই কাগজবোৰত কিছু সময় বীজ ৰখা হৈছিল আৰু তাৰ পিছত তাৰ পৰা পেলাই দিয়ে । বেচ, তাৰ পাছত আৰু এইবোৰ ব্যৱহাৰ কৰা হোৱা নাই।"

"ৰাখ তোৰ আজেবাজে কথা । যা, নিজৰ নিজৰ কাম কৰ গৈ ।"অসন্তুষ্ট হৈ বিন্দুসাৰে কলে।

চাকৰ দুজন তাৰপৰা যোৱাৰ পিছত বিন্দুসাৰৰ পাঁচবছৰীয়া নাতিয়েকজন তালৈ আহিল । সি কাগজবোৰ দেখি কবলৈ ধৰিলে - "কক্া, কক্া, ইয়াত কোনোবাই খুব সুন্দৰ গছৰ ছবি আঁকিছে । এই ছবিখন মোক লাগে" এইবুলি কৈ তেওঁ কাগজখন হাতত ললে । নাতিয়েকৰ কথা শুনি বিন্দুসাৰৰ মনত আনন্দ লাগিল । নাতিয়েকক ওচৰলৈ মাতি নি কলে "সিংহক গছ বুলি কোৱাটোত কিনো পাৰ্থক্য আছে । এই কাগজখনত এখন চিত্ৰ অঁকা আছে, একমাত্ৰ তুমিয়েই সেই কথাটো কব পাৰিছা । সেয়েহে তুমি এই পুৰস্কাৰ পোৱাৰ যোগ্য "এই বুলি কৈ নাতিয়েকক চুমা এটা খালে ।

তাত থিয় হৈ থকা তেওঁৰ পত্নী আৰু দুই বোৱাৰীয়েকে খিলখিলাই হাঁহি দিলে, কাৰণ এতিয়াহে তেওঁলোকে আচল কথাটো বুজিব পাৰিলে ।



কুৰি শতিকাৰ ভাৰত

স্বায়ত্ব শাসনৰ পৰা সাৰ্বভৌম গণৰাজ্যলৈ - ১৯২৩-১৯৫০

১৯২৩ চনৰ মে মাহত শোভাযাত্ৰাত ভাগ লোৱা কিছুমান কংগ্ৰেছী লোকক গ্ৰেপ্তাৰ কৰিছিল । সমদলত ত্ৰিৰঙ্গ পতাকা লোৱা নিষেধ কৰাৰ প্ৰতিবাদত তেওঁলোকে নাগপুৰত এই শোভাযাত্ৰা উলিয়াইছিল । ১৮ জুলাইত গোটেই দেশজুৰি পতাকা দিবস পালন কৰা হৈছিল । পিছত চৰকাৰে এই নিষেধাজ্ঞা উঠাই লৈছিল ।

মৌলানা আবুল কালাম আজাদৰ সভাপতিত্বত দিল্লীত বহা কংগ্ৰেছৰ বিশেষ অধিবেশনত কংগ্ৰেছী সকলক লেজি চলেটিভ কাউন্সিলৰ নিৰ্বাচনত নিজাকৈ উঠিবলৈ স্বাধীনতা দিয়া হৈছিল। তাত এইটোও সিদ্ধান্ত লোৱা হৈছিল, চৰকাৰৰ সকলোবোৰ দমনমূলক ব্যৱস্থা প্ৰতিহত কৰাৰ একমাত্ৰ উপায় হ'ল অহিংস সত্যাগ্ৰহ ।

মৌলানা আবুল কালাম আজা

১৯২৪ চনত এইটো উপলব্ধি কৰা হৈছিল যে স্বাধীনতাৰ বাবে যুদ্ধ কৰা বিভিন্ন দল আৰু গোষ্ঠীৰ মাজত কোনো সমন্বয় নাই । গান্ধীজীয়ে কংগ্ৰেছৰ পৰা ফাটি যোৱা এটা গোট, স্বৰাজ পাৰ্টিৰ নেতা-সকলৰ লগত এখন সভা পাতিছিল আৰু তাত সহযোগি তাৰ মনোভাবেৰে কাম কৰাৰ ওপৰত গুৰুত্ব দিয়া হছিল । অসহযোগ আন্দোলন স্থগিত ৰখাৰো সিদ্ধান্ত লোৱা হৈছিল ।

পিছত কংগ্ৰেছৰ বেলগাম অধিবেশনত সভাপতিত্ব কৰি গান্ধীজীয়ে কৈছিল যে, অসহযোগ আন্দোলন আৰু আইন অমান্য আন্দোলন হ'ল 'কল্প বৃক্ষ'ৰ দুটা ডাল আৰু তাৰ পৰাই ফল আশা কৰিব পাৰি । হিন্দু মুছলমানৰ মাজত একতা বঢ়োৱা মদ নিবাৰণ আৰু অস্পৃশ্যতা বৰ্জণৰ ওপৰতো সিদ্ধান্ত লোৱা হৈছিল ।

পূৰ্ণ স্বাধীনতা, অলপো কম নহয়

সৰোজিনী নাইডু

১৯২৫ চনৰ ২৬ ডিচেম্বৰত বহা কংগ্ৰেছৰ ৪০ তম অধিবেশনত সভাপতি সৰোজিনী নাইডুয়ে কংগ্ৰেছী সকলক কৈছিল যে, স্বাধীনতাৰ বাবে যুদ্ধ কৰাত তেওঁলোকৰ মনত ভয় আৰু সন্দেহৰ ভাব থাকিব নালাগে; নহলে এইটো হব আত্মপ্ৰবঞ্চনা । তেওঁ স্বাধীনতা লাভৰ লক্ষ্যত আগবাঢ়ি যাবলৈ জনসাধাৰণক উদগণি দিছিল ।

১৯২৬ চনত কংগ্ৰেছৰ বাৰ্ষিক অধিবেশনৰ লগতে অল ইণ্ডিয়া কলেজ ষ্টুডেন্টচ্ কনফাৰেন্স এখনো পতা হৈছিল । তাত চৰকাৰৰ দ্বাৰা পৰিচালিত শিক্ষানুষ্ঠানবোৰ বৰ্জন কৰাৰ সিদ্ধান্ত লোৱা হৈছিল । যিসকল ছাত্ৰই অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰি স্কুল কলেজ ত্যাগ কৰিছিল তেওঁলোকৰ বাবে স্কুল কলেজ পতাৰো সিদ্ধান্ত লোৱা হৈছিল ।

১৯২৭ চনত মাদ্ৰাজত বহা কংগ্ৰেছৰ অধিবেশনত জৱাহৰলাল নেহৰুৱে উত্থাপন কৰা প্ৰস্তাৱ এটা গ্ৰহণ কৰা হৈছিল । প্ৰস্তাৱটোত কোৱা হৈছিল ভাৰতে যেতিয়ালৈকে পূৰ্ণ স্বাধীনতা নাপায় তেতিয়ালৈকে জিৰণি নলয় । প্ৰথমবাৰৰ বাবে আনুষ্ঠানিক প্ৰস্তাৱৰ যোগেদি এনে এটা দাবী উত্থাপন কৰা হৈছিল । এই অধিবেশনতে চাইমন কমিচন বৰ্জন কৰাৰ সিদ্ধান্ত লোৱা হয় । এই কমিচনে মিন্টো-মোৰলে সংস্কাৰৰ কামৰ উন্নতি আৰু কাৰ্য্যকাৰীতা সম্পৰ্কে অধ্যয়ন কৰিবলৈ গোটেই ভাৰত ভ্ৰমণ কৰিছিল ।

১৯২৮ চনত দিল্লীত বহা সৰ্বদলীয় বৈঠকত এইটো সিদ্ধান্ত লোৱা হৈছিল, এখন স্বাধীন আৰু দায়িত্বশীল চৰকাৰৰ ভেঁটিত ভাৰতৰ এখন সংবিধান থকা উচিত । ইয়াতেই সংবিধান এখনৰ খচৰা প্ৰস্তুত কৰিবলৈ মতিলাল নেহৰুৰ নেতৃত্বত এখন কমিটি নিয়োগ কৰা হৈছিল ।

জিন্না

ইয়াৰ পিছৰ সভাত জমা দিয়া খচৰা মুছলিম লিগৰ বাহিৰে সকলো দলেই গ্ৰহণ কৰিছিল । মুছলিম লিগৰ সভাপতি এম.এ.জিন্নাই দাবী কৰিছিল মুছলমান সকলৰ বাবে কিছুমান সমষ্টি সংৰক্ষিত ৰাখিব লাগে। তেওঁৰ দাবী খাৰিজ কৰা হৈছিল । ভাৰতবৰ্ষ আনৰ শাসনাধীন ৰাজ্যৰ মৰ্য্যাদা পালেও সন্তুষ্ট থাকিব, এই কথাত অনুমোদন জনোৱা বাবে কিছুমান কংগ্ৰেছী লোকে আপত্তি তুলিছিল । গান্ধীজীৰ দৰে জ্যেষ্ঠ নেতাসকলে এই পৰামৰ্শ গ্ৰহণ কৰিছিল, কিন্তু জৱাহৰলাল নেহৰু আৰু সুভাষ চন্দ্ৰ বসুৰ দৰে কনিষ্ঠ সদস্যসকলে দাবী

কৰিছিল পূৰ্ণ স্বাধীনতাকৈ অলপো কম নহয়। ১৯২৮ চনত বল্লভ্‌ভাই পেটেলৰ নেতৃত্বত গুজৰাটৰ বৰদলিৰ কৃষকসকলে যেতিয়া কৰ দিবলৈ অস্বীকাৰ কৰিছিল, স্বাধীনতা আন্দোলনে এটা নতুন মোৰ লৈছিল । তেওঁলোকে আনকি কৰ সংগ্ৰহকাৰী সকলক খাদ্য আৰু যান-বাহনৰ যোগান ধৰিবলৈও অস্বীকাৰ কৰিছিল। চৰকাৰে তেওঁলোকৰ খেতিৰ মাটিৰ সৈতে জাৰিত অস্থাৱৰ সম্পত্তিবোৰ বাজেয়াপ্ত কৰিছিল । চাৰকাৰে কৰৰ গাঠণি পুনৰ বিবেচনা কৰা হব বলি কোৱাত আন্দোলন উঠাই লোৱা হৈছিল।

বল্লভাই পটেল

১৯২৯ চনত ৩১ ডিচেম্বৰত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত লাহোৰত বহা ৪৪ তম জাতীয় কংগ্ৰেছৰ অধিবেশনত ভাৰতক স্বাধীন বুলি ঘোষণা কৰা হৈছিল আৰু মাজ নিশাৰ অনুষ্ঠানত ত্ৰিৰঙ্গ পতাকা তোলা হৈছিল । তেওঁ কৈছিল ভাৰতে বৃটিচ সাম্ৰাজ্যবাদৰ পৰা স্বাধীনতা বিচাৰে আৰু সেই সাম্ৰাজ্যৰ পৰা আঁতৰি আহিব খোজে । ২৬ জানুৱাৰীৰ দিনটো স্বাধীনতা দিৱস হিচাবে পালন কৰাৰ বাবে তাত সিদ্ধান্ত লোৱা হৈছিল ।

পৃথিৱীৰ অন্যান্য ঠাইত ...



- ১৯২৫ চনৰ ২ অক্টোবৰত যেতিয়া জন লগি বেয়াৰ্ডে দূৰত থকা পৰ্দাত চলমান চিত্ৰ দেখুৱাত কৃতকাৰ্য্য হৈছিল তেতিয়াই টেলিভিছনৰ জন্ম হৈছিল ।

- ১৯২৭ চনত ২১ মেত চাৰ্লত লিন্ডবাৰ্গে নিউ ইয়ৰ্কৰ লং আইলেন্ডৰ পৰা পেৰিছলৈ (৩৩ ½ ঘন্টা) একেৰাহে অকলে এটা ইঞ্জিনযুক্ত স্পিৰিট অফ চেন্ট লুইচত ৩,৬০০ মাইল উৰি গৈ বিমান বিদ্যাৰ এক ইতিহাস সৃষ্টি কৰিছিল ।

আইন অমান্য আন্দোলনৰ আৰম্ভণি

১৯৩০ চনৰ ফেব্ৰুৱাৰী মাহত সবৰমতীত বহা কংগ্ৰেছ ওৱাৰ্কিং কমিটিৰ সভাত আইন অমান্য আন্দোলন আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হয় আৰু ইয়াৰ নেতৃত্ব গান্ধীজীৰ হাতত অৰ্পণ কৰা হয়। ইয়াৰ উদ্দেশ্য আছিল লোন

আইন অমান্য কৰা। ১২ মাৰ্চত গান্ধীজীয়ে ৭৮ জন অনুগামী লগত লৈ সবৰমতীৰ পৰা ২০০ মাইল দূৰত থকা ডাণ্ডীলৈ পদব্ৰজে যাত্ৰা আৰম্ভ কৰিছিল। ২৪ দিন পিছত তেওঁলোক গৈ ডাণ্ডীত উপস্থিত হৈছিল। ৬ এপ্ৰিল তাৰিখে তেওঁলোকে সাগৰৰ পৰা লোন সংগ্ৰহ কৰি লোনৰ ওপৰত কৰ লগোৱা আইন অগ্ৰাহ্য কৰিছিল।

তাৰ এমাহ পিছত তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল।

কংগ্ৰেছ পাৰ্টিয়ে ১২ নৱেম্বৰত লণ্ডনত পতা প্ৰথম ঘূৰণীয়া মেজ মেল বৰ্জন কৰিছিল। জিন্নাই মুছলিম লিগক প্ৰতিনিধিত্ব কৰি সকলোবোৰ লেজিচলেটিভ বডিতে মুছলমানসকলৰ বাবে তিনিভাগৰ এভাগ অসন সংৰক্ষিত ৰকাতো বিচাৰিছিল। হিন্দু মহাসভাই এই দাবীটোত অপত্তি কৰিছিল।

পিছত গান্ধীজী আৰু বৃটিচ ভাইচৰয়, লৰ্ড ৱাৰউইনৰ মাজত হোৱা চুক্তি অনুসৰি আইন অমান্য আন্দোলন উঠাই লোৱা হৈছিল। চৰকাৰে সকলোবোৰ দমনমূলক ব্যৱস্থা উঠাই লোৱাৰ প্ৰতিশ্ৰুতি দিছিল।

১৯৩১ চনত লণ্ডনত বহা দ্বিতীয় ঘূৰণীয়া মেজ মেলত গান্ধীজীয়ে কংগ্ৰেছক প্ৰতিনিধিত্ব কৰিছিল। চৰকাৰে কৈছিল যে সামাজিক সংস্কাৰবোৰ কাৰ্য্যকৰী কৰাৰ পিছতহে স্বীয়ত্ব শাসিত চৰকাৰ অনুমোদন

কৰিব পৰা যাব । গান্ধীজীয়ে কৈছিল ৰাজনৈতিক সংস্কাৰ প্ৰবৰ্তন নকৰালৈকে সামাজিক সংস্কাৰ স্থগিত ৰাখিব পাৰি ।

১৯৩২ চনত জানুৱাৰী মাহত নতুন ভাইচৰয়, লৰ্ড উইলিংডনে চাৰিখন অধ্যাদেশ জাৰী কৰিছিল । সেইমতে গান্ধীজী-ব্ৰাৰউৱ চুক্তিৰ অৱমাননা কৰি আন্দোলন, প্ৰতিবাদ অথবা বিক্ষোভ প্ৰদৰ্শন বন্ধ কৰিছিল । কংগ্ৰেছে আকৌ আইন অমান্য আন্দোলন আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছিল । পাৰ্টিয়ে বেআইনি গোট এটা ঘোষণা কৰিছিল । দেশৰ বিভিন্ন ঠাইৰ পৰা প্ৰায় ৪০০ জন কংগ্ৰেছ কৰ্মীক গ্ৰেপ্তাৰ কৰিছিল ।

- ১৯৩০ চনত ভাৰতৰ বিশিষ্ট পদাৰ্থ বিজ্ঞানী চি.ভি.ৰমনক পদাৰ্থ বিজ্ঞানৰ বাবে নবেল পুৰস্কাৰ দিয়া হৈছিল, যিটোক কোৱা হৈছিল'ৰমন এফেক্ট' এনে সন্মানজনক পুৰস্কাৰ পোৱা এচিয়াৰ ভিতৰত এওঁৱেই প্ৰথম ব্যক্তি।

পৃথিৱীৰ অন্যান্য ঠাইত ...

- ১৯২৮ চনত চেপ্তেম্বৰ মাহত নিউ ইয়ৰ্কত মিকি মাউচ নামৰ সবাক কাৰ্টুন চলচিত্ৰখন পৰ্দাত দেখুৱা হৈছিল । ইয়াৰ আগতে তৈয়াৰ কৰা দুখন অবাক চলচিত্ৰই কোনো ডিষ্ট্ৰিবিউটৰকে আকৰ্ষণ কৰিব পৰা নাছিল ।

- আলেকজেন্ডাৰ ফ্লেমিডে পেনিচিলিন আৱিষ্কাৰ কৰিছিল পেনিচিলিনে ঘা আৰু জখম আৰোগ্য কৰাত কৃতকাৰ্য্য হৈছিল । (১৯২৮)

- এলিচ ইন ৱন্ডাৰ লেন্ডৰ মূল পাণ্ডুলিপিটো ১৫,৪০০ ডলাৰত বিক্ৰী কৰিছিল । (১৯২৮)

প্ৰদেশবোৰত প্ৰথম মন্ত্ৰীসভা

১৯৩৩ চনৰ মে মাহত গান্ধীজীয়ে জেলৰ ভিতৰতে অনশন ধৰ্মঘট কৰিছিল । এই অনশন ২১ দিন চলিছিল । তেওঁ দ্বিতীয় বাৰৰ বাবে আইন অমান্য আন্দোলন স্থগিত ৰাখাৰ কথা ঘোষণা কৰিছিল মুক্তি পোৱাৰ পিছত তেওঁ ঘোষনা কৰিছিল যে, তেওঁ এতিয়া নিম্ন জাতৰ লোকসকল, যাক তেওঁ হৰিজন বুলি কৈছিল, সেইসকলৰ উন্নতিৰ বাবে চেষ্টা কৰি যাব ।

জয়প্ৰকাশ নাৰায়ণ

১৯৩৪ চনৰ মে মাহত পাটনাত বহা কংগ্ৰেছ অধিবেশনত কিছুমান সদস্যই, যিসকলে নিজকে সমাজবাদী বুলি কৈছিল, তেওঁলোকে বেলেগে সভা এখন পাতি কংগ্ৰেছ চোচিয়েলিষ্ট পাৰ্টি গঠন কৰিছিল । তেওঁলোকৰ দাবীবোৰ আছিল ভাৰতৰ বাবে পূৰ্ণ স্বাধীনতা, কনষ্টিটুৱেণ্ট এচেম্বলি গঠন, আৰু সমাজবাদী আৰ্হিৰ সমাজ প্ৰতিষ্ঠা কৰা । জয়প্ৰকাশ নাৰায়ণক সেই দলৰ সভাপতি পতা হৈছিল।

অক্টোবৰ মাহত বোম্বাইত বহা কংগ্ৰেছৰ ৪৮ তম অধিবেশলত গান্ধীজয়ে পাৰ্টিৰ পৰা পদত্যাগ কৰাৰ কথা ঘোষণা কৰিছিল । নৱেম্বৰ মাহত হোৱা চেন্ট্ৰেল লেজিচলেটিভ কাউন্সিলৰ নিৰ্বাচনত কংগ্ৰেছে সংখ্যা গৰিষ্ঠতা লাভ কৰিছিল ।

১৯৩৬ চনত লক্ষ্ণৌত বহা কংগ্ৰেছ অধিবেশনত জৱাহৰলাল নেহৰুৱে সভাপতিত্ব কৰিছিল । তেওঁ প্ৰস্তাৱ আগবঢ়াইছিল যে শ্ৰমিক সংগঠন আৰু কৃষক সংগঠনৰ লোকৰ বাবেও পাৰ্টিৰ সদস্য পদ মুকলি ৰাখিব লাগে । সেই অধিবেশনত বামপন্থি সদস্যসকলৰ সংখ্যাগৰিষ্ঠতা সুস্পষ্ট আছিল । জয়প্ৰকাশ নাৰায়ণ আৰু অচ্যুত পটৱৰ্দ্ধনৰ দৰে ডেকা সমাজবাদী মানোভাবাপন্ন লোকসকলক ওৱাৰ্কিং কমিটিত অন্তৰ্ভূক্ত কৰা হৈছিল ।

ছাত্ৰসকলক স্বাধীনতা আন্দোলনত যোগ দিয়াত অনুপ্ৰেৰণা যোগাবলৈ অল ইণ্ডিয়া ষ্টুডেন্টচ্ ফেডাৰেশ্যন গঠন কৰা হৈছিল ।

১৯৩৭ চনত হোৱা নিৰ্বাচনত যিবোৰ ৰাজ্যত কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল সেইবোৰ ৰাজ্যত কংগ্ৰেছে মন্ত্ৰীসভা গঠন কৰিছিল । ১,৫৮৫ আসনৰ ভিতৰত কংগ্ৰেছে ৭১৫ আৰু মুছলিম লিগে ১২৩ খন আসন পাইছিল । ইউনাইটেড প্ৰভিন্সত জৱাহৰলাল নেহৰুৰ ভনীয়েক বিজয় লক্ষী পণ্ডিতে প্ৰথম মহিলা কেবিনেট মন্ত্ৰী হৈছিল।

বিজয়লক্ষী পণ্ডিত

তেওঁ স্বাস্থ্য মন্ত্ৰী আছিল ।

অক্টোবৰ মাহত গান্ধীজীয়ে ওৱৰ্দ্ধাত বহা এখন সম্মিলনত সভাপতিত্ব কৰিছিল । তাত তেওঁ বুনিয়াদী শিক্ষা নামৰ নতুন শিক্ষা আঁচনি এখন প্ৰবৰ্তন কৰিছিল । এই আঁচনিত কাৰিকৰী শিক্ষা আৰু ভাৰতীয় পৰমপৰাৰ অধ্যয়ণৰ ওপৰত গুৰুত্ব দিয়া হৈছিল । প্ৰথম বুনিয়াদী বিদ্যালয়খন ওৱাৰ্দ্ধাত স্থাপন কৰা হৈছিল ।

জাতীয়তাবাদী আন্দোলন ৫০০ খন সামন্ত ৰাজ্যত বিয়পি পৰিছিল । তাত কংগ্ৰেছীসকলে একোটা সৰু গোট গঠণ কৰিছিল । কিছুমান ৰাজ্যৰ শাসকে কংগ্ৰেছৰ কামবোৰৰ সমৰ্থন কৰা ৱাছিল, যিহেতু তেওঁলোকে বৃটিছৰ আনুগত্য লাভ কৰিছিল। মহীশূৰ আৰু ত্ৰিৱাঙ্কুৰৰ দৰে ৰাজ্যবোৰে কংগ্ৰেছৰ কাৰ্য্যৰ হিংসমূলক ভাবে বিৰোধিতা কৰিছিল । কংগ্ৰেছৰ হৰিপুৰা অধিবেশনত (১৯৩৮) ৰাজ্যবোৰত কংগ্ৰেছীসকলে সম্মুখীন হোৱা দমনমূলক ব্যৱস্থাৰ বাবে উদ্বেগ প্ৰকাশ কৰা হৈছিল । জৱাহৰলাল নেহৰুৱে ৰাজ্যবোৰৰ কংগ্ৰেছৰ গোটবোৰলৈ পাৰ্টিয়ে পূৰ্ণ সমৰ্থন জনোৱাটো বিচাৰিছিল।

- ১৯৩৩ চনত জানুৱাৰীৰ ৮ তাৰিখটো এটা উল্লেখযোগ্য দিন আছিল । কংগ্ৰেছৰ পৰামৰ্শ মতে সেইদিন সকলোবোৰ হিন্দু লোককে মন্দিৰত প্ৰৱেশ কৰাৰ অনুমতি দিয়া হৈছিল ।

পৃথিবীৰ অন্যান্য ঠাইত ...

- জাৰ্মানত নিৰ্মাণ কৰা আকাশীজাহাজ জেপেলিনে ২১ দিনত পৃথিবীৰ চাৰিওফালে এবাৰ ভ্ৰমণ কৰিছিল । (১৯২৯)
- আমেৰিকাৰ জ্যোতিৰ্বিদ ক্লাইড টম্বাগে নবম গ্ৰহ, প্লুটো আৱিষ্কাৰ কৰিছিল । (১৯৩০)
- ডন ব্ৰেডমেনে এটা ইনিংচত ৪৫২ ৰাণ কৰি নট আউট হৈ থাকি বিশ্ব অভিলেখ সৃষ্টি কৰিছিল ।

- "হেপি বাৰ্থডে টু ইউ" গীতটো ক্লেটন এফ.স্মাম্মীয়ে ৰচনা কৰিছিল। (১৯২৪)
- গাৰট্ৰুড এডাৰলে সাতুৰি ইংলিচ চেনেল পাৰ হোৱা প্ৰথম মহিলা আছিল । (১৯২৬)

কংগ্ৰেছ দলত নেতৃত্ব লৈ অৰিয়াতাৰি

কংগ্ৰেছৰ সভাপতি পদৰ বাবে প্ৰথমবাৰৰ বাবে হেটো-ওপৰা লাগিছিল । গান্ধীজীৰ সমৰ্থনত সোঁপন্থী সকলে পট্টভি সীতাৰামায়াক মনোনীত কৰিছিল । বাওঁপন্থী সকলৰ সমৰ্থনত সুভাষ চন্দ্ৰ বসুয়ে নিজৰ প্ৰাৰ্থীত্ব ঘোষণা কৰিছিল । তেওঁৱেই বচি ভোট পাই নিৰ্বাচিত হৈছিল । গান্ধীজীয়ে এইটো তেওঁৰ ব্যক্তিগত পৰাজয় বুলি মানি লৈছিল ।

সুভাষ চন্দ্ৰ বসু

১৯৩৯ চনৰ মাৰ্চ মাহত ত্ৰিপুৰাত ৫২ তম কংগ্ৰেছ অধিবেশন বহিছিল । গান্ধীজীৰ ওপৰত আস্থা সমৰ্থন কৰি আৰু তেওঁক ওৱাকিং কমিটিৰ সদস্য সকলক মনোনীত কৰাৰ ভাৰ দিব লাগে বুলি এটা প্ৰস্তাৱ অনুমোদন কৰা হৈছিল । বসুৰ সমৰ্থকসকলে এই কথাটোক সভাপতিৰ ওপৰত আস্থা নাই বুলি ধৰি লৈছিল । যেতিয়া তেওঁ বুজিব পাৰিছিল তেওঁ মুকলি ভাৱে কাম কৰিব নোৱাৰিব, তেতিয়া তেওঁ পদত্যাগ কৰিছিল আৰু ফৰৱাৰ্ড ব্লক গঠন কৰিছিল । তেওঁক কংগ্ৰেছৰ পৰা বহিষ্কাৰ কৰা হৈছিল ।

চেপ্তেম্বৰ মাহত দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাত ভাইচৰয়ে প্ৰাদেশিক চৰকাৰবোৰ নিলম্বিত কৰিছিল এইটো ঘোষণা কৰা হৈছিল যে, এই যুদ্ধত ভাৰতে বৃটেনক সমৰ্থন কৰিব লাগে । কংগ্ৰেছ ওৱাকিং কমিটিয়ে কৈছিল মানুহে বৃটিছক তেতিয়াহে সমৰ্থন কৰিব, যদি তেওঁলোকে ভালদৰে বুজাই কয় এই যুদ্ধই মানুহৰ ওপৰত কি প্ৰভাৱ পেলাব । অতি সোনকালে ভাৰতৰ স্বাধীনতা ঘোষণা কৰিব লাগে আৰু সংখ্যালঘুসকলৰ স্বাৰ্থ ৰক্ষা কৰিব লাগে ।

যুদ্ধৰ এবছৰৰ ভিতৰত অতি সোনকালে এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰিব লাগে বুলি কংগ্ৰেছে বাৰে বাৰে দাবী উত্থাপন কৰিছিল । যদি এইটো কৰা নহয়, ইয়াৰ বিকল্প ব্যৱস্থা হব আইন অমান্য, কিন্তু গান্ধীজী আৰু জৱাহৰলাল নেহৰুৱে কৈছিল যে যিহেতু বৃটেন যুদ্ধত ব্যস্ত আছে মানুহে আইন অমান্য আন্দোলন কৰাতো উচিত নহব ।

ভাইচৰয় লিন্‌লিথগ'ই কংগ্ৰেছক প্ৰতিশ্ৰুতি দিছিল যে, যুদ্ধ শেষ হোৱাৰ পাছত ভাৰতৰ বাবে সংবিধান এখনৰ সিদ্ধান্ত লবলৈ এখন প্ৰতিনিধি সভা গঠন কৰা হব ।

চেপ্তেম্বৰ মাহত বোম্বাইত বহা কংগ্ৰেছ কমিটিৰ সভাত গান্ধীজীৰ পৰামৰ্শ মানি লোৱা হৈছিল । তেওঁ কৈছিল গণআন্দোলনৰ পৰিবৰ্তে ব্যক্তিসকলে আইন অমান্য কৰিব

বিনোৱা ভাবে

পাৰে আৰু সত্যাগ্ৰহ কৰাৰ বাবে তেওঁ কিছুমান ব্যক্তি বাছিলব । বিনোৱা ভাৱেক প্ৰথম সত্যাগ্ৰহী হিচাবে মনোনীত কৰিছিল । তেওঁ ওৱাৰ্দ্ধাৰ ওচৰৰ পানৱাৰৰ পৰা পদযাত্ৰা আৰম্ভ কৰিছিল । যাত্ৰাৰ চতুৰ্থদিন তেওঁক পুলিচৰ জিম্মাত ৰখা হৈছিল। জৱাহৰলাল নেহৰুক সত্যাগ্ৰহ কৰাৰ আগতেই গ্ৰেপ্তাৰ কৰা হৈছিল । বল্লভভাই পেটেল, চি. ৰাজাগোপালাচাৰী আৰু মৌলানা আবুল কালাম আজাদৰ দৰে বেচিভাগ নেতাকে জেলত ৰখা হৈছিল ।

- ১৯৩১ চনত নতুনকৈ নিৰ্মাণ কৰা নগৰ নতুন দিল্লীলৈ ৰাজধানী স্থানান্তৰ কৰা হৈছিল ।
- নতুন ৰাজধানী উদ্বোধন কৰা উপলক্ষে নতুন দিল্লীৰ ওপৰত ভাৰতৰ পথম সচিত্ৰ ডাক টিকট (৬টা) মুকলি কৰা হৈছিল ।

পৃথিবীৰ অন্যান্য ঠাইত ...

- বাতৰি কাকতত যদিও মাজে সময়ে কাৰ্টুন আৰু কমিকচ্ ওলাইছিল, কমিক্‌চৰ সম্পূৰ্ণ কিতাপ এখন প্ৰথমবাৰৰ বাবে ১৯৩৪ চনত প্ৰকাশিত হৈছিল । ৬৮ পৃষ্ঠাৰ এই কিতাপখনৰ নাম আছিল 'ফেমাচ ফানিজ' ।

- পৃথিবীৰ ভিতৰত দীঘল ওলোমা দলং (৪,২০০ ফুট) 'গোল্ডেন গেট ব্ৰীজ'খন চান ফ্ৰানচিচ্‌কোত ১৯৩৭ চনত যানবাহনৰ বাবে মুকলি কৰিদিয়া হৈছিল ।
- ব্ৰহ্মদেশ (এতিয়াৰ মিয়ানমাৰ) ভাৰতৰ পৰা পৃথক হৈ গৈছিল । (১৯৩৭)
- আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাৰ্নাৰ্ড ফষ্টেচে প্ৰথম ব্লাড বেঙ্ক স্থাপন কৰিছিল (তেওঁ দিয়া বিবৃত্তি মতে) । (১৯৩৭)

ভাৰতে স্বাধীনতা আন্দোলনলৈ সমৰ্থন

কলিকতাত গৃহবন্দী হৈ থকা সুভাষ চন্দ্ৰ বসুয়ে ১৯৪১ চনৰ ১৭ জানুৱাৰীৰ দিনা পলাই গৈছিল আৰু ছদ্মবেশে পেচোৱাৰ, কাবুল আৰু মস্কো ভ্ৰমণ কৰি বাৰ্লিনত গৈ উপস্থিত হৈছিল। তাত তেওঁ ফ্ৰি ইন্ডিয়া চেন্টাৰ এটা খুলিছিল, ইয়াৰ সামৰিক শাখাটোৰ নাম আছিল ইন্ডিয়া লিজন। তেওঁ আজাদ হিন্দ ৰেডিঅ'ৰ পৰা ভাষণ সম্প্ৰচাৰ কৰিছিল।

স্বাধীনতাৰ বাবে ভাৰতৰ দাবীৰ ন্যায্যতা আৰু যি অতুলনীয় অহিংস পদ্ধতিৰে আন্দোলন চলাইছিল সেই কথাবোৰ চাৰিওদিশে বিয়পি পৰিছিল। চীন গণৰাজ্যৰ ৰাষ্ট্ৰপতি চিয়াং কাই-চেকে ১৯৪২ চনত ভাৰত ভ্ৰমন কৰাৰ পিছত জনগণৰ মাজত ক্ষমতা হস্তান্তৰ কৰিবলৈ বৃটেনক অনুৰোধ কৰিছিল। আমেৰিকাৰ ৰাষ্ট্ৰপতি ফ্ৰেঙ্কলিন ৰুচভেল্টে বৃটিছ প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিলক তাৰ বাৰ্তা যোগে কৈছিল ভাৰতক স্বায়ত্বশাসিত ৰাজ্যৰ মৰ্য্যাদা দিয়াৰ পিছত তাত এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰিব লাগে। বৃটিছ সংসদৰ এক গৰিষ্ঠ সংখ্যক সদস্যয়ো সোনকালে এখন জাতীয় চৰকাৰ গঠন হোৱাতো বিচাৰিছিল।

বোম্বাইত বহা কংগ্ৰছ অধিবেশনত ওৱাৰ্কিং কমিটিৰ প্ৰস্তাৱবোৰ সমৰ্থন কৰা হৈছিল আৰু অতি সোনকালে বৃটিছক ভাৰত এৰি যাবলৈ কোৱা হৈছিল। গান্ধীজীৰ নেতৃত্বত এটা গণআন্দোলন আৰম্ভ কৰাৰ বিষয়েও সিদ্ধান্ত লোৱা হৈছিল। তেওঁ ৯ আগষ্ট তাৰিখে 'ভাৰত ত্যাগ'ৰ ধ্বনি তুলিছিল। এই শ্লোগানটো ইমানেই জনপ্ৰিয় হৈছিল যে ইয়াৰ ধ্বনি গোটেই ভাৰতবৰ্ষতে শুনা গৈছিল। ৰাতিৰ ভিতৰতে প্ৰায় গোটেইবোৰ নেতাকে গ্ৰেপ্তাৰ কৰিছিল। চাৰিওফালে হিংসা বিয়পি পৰিছিল।

গান্ধীজীয়ে জেলৰ পৰাই ভাইচৰয়ৰ লগত কথা বতৰা চলাইছিল। তেওঁৰ পৰা কোনো সন্তোষজনক সঁহাৰি নাপায় ১৯৪৩ চনৰ ফেব্ৰুৱাৰী মাহত গান্ধীজীয়ে ২১ দিন জুৰি অনশন ধৰ্মঘট কৰাৰ কথা ঘোষণা কৰিছিল। দিনে দিনে তেওঁৰ অৱস্থাৰ অৱনতি ঘটিছিল। ৰাজনীতিৰ লগত জৰিত নথকা কিছুমান বিশিষ্ট ব্যক্তিয়ে গান্ধীজী আৰু অন্য নেতাসকলক মুকলি কৰি দিবলৈ চৰকাৰৰ ওচৰত আবেদন জনাইছিল। ভাইচৰয়ৰ এক্সিকি উটিভ কাউন্সিলৰ কেইজনমান ভাৰতীয় সদস্যই পদত্যাগ কৰিছিল।

চাবমেৰিন আৰু আকাশী জাহাজেৰে বিপদজনক যাত্ৰা কৰি সুভাষ চন্দ্ৰ বসুয়ে জাপানত গৈ উপস্থিত হৈছিল। জাপানৰ প্ৰধান মন্ত্ৰী টোজোৱে ভাৰতৰ স্বাধীনতা যুদ্ধত

সুভাষ চন্দ্ৰ বসু

সকলো প্ৰকাৰ সহায় কৰিবলৈ প্ৰতিশ্ৰুতি দিছিল । ইতিমধ্যে ৰাসবিহাৰী বসুয়ে ইণ্ডিয়া ইণ্ডিপেণ্ডেন্স লিগক থাইলেণ্ডৰ ৰাজধানী বেংককৰ পৰা চিঙ্গাপুৰলৈ লৈগৈছিল । ২ জুলাইত তেওঁ গৈ পোৱাত সুভাষ চন্দ্ৰ বসুয়ে ইণ্ডিয়ান নেচনেল আৰ্মিৰ দ্বাৰা তেওঁক গাৰ্ড অব অনাৰ দিছিল । তেওঁক 'নেতাজী' বুলি কোৱা হৈছিল আৰু তেওঁ 'চলো দিল্লী' আহবান জনাইছিল । ২ অক্টোবৰ তাৰিখে তেওঁ চিঙ্গাপুৰত আজাদ হিন্দ চৰকাৰ গঠণৰ কথা ঘোষণা কৰিছল ।

- ১৯৩৫ চনত দিল্লী নৈনিতাল ৰোডত প্ৰথম জাতীয় উদ্যান পতা হৈছিল । ১৯৫৭ চনত হেইলি নেচনেল পাৰ্কৰ নাম কোৰবেট নেচনেল পাৰ্ক ৰখা হৈছিল ।

- কুলপতি কে.এম.মুন্সিয়ে ভাৰতীয় বিদ্যা ভৱন স্থাপন কৰিছিল । (১৯৩৮)

পৃথিবীৰ অন্যান্য ঠাইত ...

- থাইলেণ্ড, মালয় আৰু জাপানত বাস কৰা ভাৰতীয় সকল ইণ্ডিয়া ইণ্ডিপেণ্ডেন্স লিগ গঠন কৰিছিল আৰু সুভাষ চন্দ্ৰ বসুক ইয়াৰ নেতৃত্ব লবলৈ অনুৰোধ কৰিছিল । (১৯৪২)

- দ্বিতীয় মহাযুদ্ধৰ দুজন প্ৰধান হোতাৰ জীৱনৰ দঃখজনক পৰিসমাপ্তি ঘটিছিল । জাৰ্মানীৰ নাৰী শাসক আদলফ হিটলাৰে আত্মহত্যা কৰিছিল আৰু ইটালীৰ মুছলিনিক হত্যা কৰা হৈছিল । ১৯৪৫ চনৰ ৭ মে তাৰিখে জাৰ্মানীয়ে আত্মসমৰ্পন কৰিছিল । তেতিয়াও জাপানে যুদ্ধ চলায়ে আছিল, কিন্তু আগষ্টৰ ৬ আৰু ৯ তাৰিখে জাপানৰ হিৰোচিমা আৰু নাগাচাকিত এটম বোম পেলোৱাত প্ৰচুৰ জীৱন আৰু সম্পত্তিৰ হানি হয় আৰু তেতিয়া জাপানে সেও মানিবলৈ বাধ্য হয় । ১৪ আগষ্টত জাপানে আত্মসমৰ্পন কৰে ।

ক্ষমতা হস্তান্তৰৰ পৰিকল্পনা

বৃটিছ চৰকাৰে সকলো সময়তে যুক্তি দৰ্শাইছিল যে মুছলিম লিগ জাতীয় চৰকাৰৰ সমৰ্থনত নাই । চি.ৰাজাগোপালচাৰীয়ে কিছুমান মুছলমান নেতাক লগ ধৰি আলোচনা কৰিছিল আৰু সেইটোকে



ৰাজাগোপালচাৰী

চি.আৰ সূত্ৰ বুলি কোৱা হয় । সেই সূত্ৰত কোৱা হৈছিল মুছলিম লিগে অন্তৰ্বৰ্তী চৰকাৰ এখন গঠন কৰাত সহায় কৰিব লাগে আৰু যুদ্ধৰ পিচতাত মুছলমান জনসংখ্যা বেচি থকা অঞ্চলসমূহ পৃথক কৰি এখন পৃথক চাৰকাৰ গঠন কৰা হব । লিগৰ সভাপতি জিন্নাই সেই সূত্ৰ গ্ৰহণ নকৰিলে । তেওঁৰ মতে প্ৰথমতে 'পাকিস্তান'হব লাগে তাৰ পিছতহে স্বাধীনতা। ১৯৪৪ চনৰ চেপ্তেম্বৰ মাহত গান্ধীজীয়ে জিন্নাৰ লগত আলোচনা কৰিছিল কিন্তু তেওঁলোকৰ আলোচনা ফলৱতী নহল । কংগ্ৰেছৰ হৈ ভূলাভাই দেশায়ে কংগ্ৰেছ আৰু মুছলিম লিগৰ সমান সমান সদস্য লৈ এখন অন্তৰ্বৰ্তী চৰকাৰ গঠন কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়াইছিল ।

আজাদ হিন্দ চৰকাৰৰ কেন্দ্ৰ চিঙ্গাপুৰৰ পৰা ব্ৰহ্মদেশৰ ৰাজধানী ৰেঙ্গুনলৈ স্থানাপুৰিত কৰা হৈছিল । ইণ্ডিয়ান নেচনেল আৰ্মিয়ে অতি সোনকালে ভাৰতৰ সীমান্ত অঞ্চল আহি পাইছিল আৰু মনিপুৰৰ মইৰাঙত ভাৰতীয় ত্ৰিৰঙ্গ পতাকা তুলিছিল। ১৯৪৪ চনৰ ৬ জুনত নেতাজীয়ে ৰেঙ্গুন ৰেডিঅ'ৰ পৰা ভাষণ দিছিল আৰু তাত তেওঁ গান্ধীজীক জাতিৰ পিতা বুলি কৈছিল ।

নতুন ভাইচৰয় লৰ্ড ওৱাভেলে ইংলন্ডত আলোচনা কৰি আহি ১৯৪৫ চনত ক্ষমতা হস্তান্তৰৰ এক আঁচনি ঘোষনা কৰিছিল । এইটোক সম্পূৰ্ণৰূপে অন্তৰ্বৰ্তী ব্যৱস্থা বুলি কোৱা হৈছিল আৰু পিছত সংবিধানৰ খচৰা প্ৰস্তুত কৰাত ই কোনো বাধা নহব । এক্‌জিকিউটিভ কাউন্সিলত কংগ্ৰেছ আৰু মুছলিম লিগৰ সমান সমান সদস্য থাকিব, কিন্তু ভাইচৰয় আৰু সেনা প্ৰধানজন ইংৰাজ হব । চিমলাত এখন সৰ্বদলীয় সভা পতা হৈছিল । তাত জিন্নাই মত প্ৰকাশ কৰি কৈছিল যে পাকিস্থান গঠনৰ বাহিৰে লিগে কোনো প্ৰস্থাৱেই গ্ৰহণ নকৰে । সেই সভাখনৰ একমাত্ৰ ফলাফল আছিল ভাৰত ত্যাগ আং

দালনত যিসকলক গ্ৰেপ্তাৰ কৰা হৈছিল তেওঁলোকক মুক্তি দিয়া হৈছিল ।

প্ৰাদেশিক গৱৰ্ণৰসকলৰ এখন সভাত সাধাৰণ নিৰ্বাচনৰ বাবে অনুমেদন জনাইছিল। ভাইচৰয়ো সন্মত হৈছিল । কংগ্ৰেছে সাধাৰণ নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছিল, কিন্তু অন্যান্য পৰামৰ্শবোৰত একমত হোৱা নাছিল ।

- ১৯৪০ চনত লন্ডন থিয়েটাৰত শিখ নেতা চৰ্দাৰ উধম সিঙে প্ৰাক্তন পঞ্জাৱৰ গৱৰ্ণৰ মাইকেল অ'ডায়াৰক গুলিয়াই হত্যা কৰি জালিৱনৱালা বাগ হত্যাকান্ডৰ প্ৰতিশোধ লৈছিল । ২১ বছৰ আগতে সেই ঘটনাত উধম সিং নিজেও আহত হৈছিল ।

পৃথিৱীৰ অন্যান্য ঠাইত ...

- ১৯৪৬ চনৰ ১০ জানুৱাৰীত ৰাষ্ট্ৰসংঘৰ প্ৰথম অধিবেশন লন্ডনত বহিছিল । ৫১ খন দেশৰ প্ৰতিনিধিয়ে তাত ভাগ লৈছিল । নিউ ইয়ৰ্কত ৰাষ্ট্ৰসংঘৰ স্থায়ী কেন্দ্ৰ পতাৰ সিদ্ধান্ত লোৱা হৈছিল । আমেৰিকাৰ এটা কোম্পানীয়ে বৈদ্যুতিক ব্লেঙ্কেট আৱিষ্কাৰ কৰিছিল
- প্ৰথম শব্দতকৈও বেগবান উৰাজাহাজ এখন ঘন্টাত ১,২০০ কি.মি.বেগে উৰি গৈছিল । (১৯৪৭)
- পাৰিপাৰ্শ্বিক সমস্যাসমূহ চোৱা-চিতাৰ বাবে ৰাষ্ট্ৰসংঘই 'ইণ্টাৰনেশ্বনেল ইউনিয়ন ফৰ দি কনজাৰ্ভেশ্বন অব নেচাৰ' গঠন কৰিছিল । (১৯৪৮)

- আমেৰিকাৰ নিউ জাৰ্চিত প্ৰথম ড্ৰাইভ-ইন থিয়েটাৰ মুকলি কৰা হৈছিল । (১৯৩৩)
- মস্কোত মেট্ৰো (প্ৰথম পাতাল ৰেল) চলাচল আৰম্ভ হৈছিল । (১৯৩৫)
- জাৰ্মানীত প্ৰথম যাত্ৰীবাহী হেলিকপ্তাৰৰ উৰাণ আৰম্ভ হৈছিল । (১৯৩৬)

অৱশেষত স্বাধীনতা !

ইতিমধ্যে আই.এন.এৰ নতুন দিল্লী যাত্ৰা বৃটিছ সৈন্যৰ দ্বাৰা বাধাপ্ৰাপ্ত হৈছিল । যেতিয়া নেতাজীয়ে জানিব পাৰিলে বৃটিছ সৈন্যসকল ব্ৰহ্মদেশৰ ফালে আগবাঢ়ি আহিছে, তেতিয়া তেওঁ ৰেঙ্গুন এৰি বেংককলৈ যায় । তাতেই তেওঁ জাৰ্মানীয়ে আত্মসমৰ্পন কৰাৰ কথা জানিব পাৰিলে । তাৰ পাছত তেওঁ মালয়লৈ যায় তাতে তেওঁক জাপানে আত্মসমৰ্পন কৰাৰ কথা কোৱা হৈছিল । তেওঁ চিঙ্গাপুৰলৈ উভতি গৈ তাৰ মন্ত্ৰীসকলৰ লগত আলোচনা কৰিছিল। তেওঁলোকে তেওঁক আত্মগোপন কৰিবলৈ পৰামৰ্শ দিছিল আৰু পিছত আহি লিবাৰেশ্বন আৰ্মিক নেতৃত্ব দিয়াৰ কথা কৈছিল । তেওঁ ৰাছিয়ালৈ যোৱাৰ পথত মানছুৰিয়াত ৰৈছিল, যত তেওঁক জাপানে সাহায্য কৰাৰ প্ৰতিশ্ৰুতি দিছিল । ১৯৪৫ চনৰ ২২ আগষ্টত তেওঁ যোৱা উৰাজাহাজখন টেইপীত দুৰ্ঘটনাগ্ৰস্ত হৈছিল । তাতেই তেওঁৰ জীৱনৰ পৰিসমাপ্তি ঘটা বুলি জনোৱা হৈছিল । সেই বাতিৰিটো আজিলৈকে ৰহস্যৰ আঁৰতে আছে ।

১৯৪৬ চনৰ চেন্ট্ৰেল লেজিচলেটিভ কাউন্সিলৰ নিৰ্বাচনত কংগ্ৰেছে ৫৬ খন আসনত আৰু মুছলিম লিগে ৩০ খন আসনত জয়লাভ কৰিছিল । প্ৰাদেশিক কাউন্সিলত কংগ্ৰেছে ৯২৩ খন আৰু লিগে ৪২৫ খন আসন পাইপছিল । বঙ্গদেশত লিগে মন্ত্ৰীসভা গঠন কৰিছিল, পঞ্জাৱত সম্মিলিত চৰকাৰ গঠন হৈছিল, বাকী ৰাজ্যবোৰত কংগ্ৰেছে মন্ত্ৰীসভা গঠন কৰিছিল । সিন্ধু প্ৰদেশত যদিও লিগৰ সংখ্যাগৰিষ্ঠতা আছিল, পিছত নিৰ্বাচিত সদস্যবোৰে কংগ্ৰেছত যোগ দিছিল ।

ভাৰতীয় নেতাসকলৰ লগত আলোচনাৰ বাবে ইংলণ্ডৰ পৰা ৩ জন সদস্যৰ কেবিনেট মিচন এটা আহিছিল । তেওঁলোকে মুছলমানৰ বাবে বেলেগ প্ৰদেশ গঠন নকৰি ভাৰতীয় যুক্তৰাষ্ট্ৰ গঠনৰ বাবে পৰামৰ্শ দিছিল । তেওঁলোকৰ মতে তিনিটা প্ৰাদেশিক গোট গঠন কৰা হব আৰু তাৰ প্ৰতিনিধিবোৰেই সংবিধান খচৰা কমিটিৰ সদস্য হব । সেই খচৰা বৃটিছ চৰকাৰৰ বাবে গ্ৰহণযোগ্য হব ।

জুন মাহত অন্তৰ্বৰ্তী চৰকাৰ এখন গঠন কৰাৰ কথা ঘোষণা কৰা হৈছিল । জিন্নাই হিন্দু মুছলমান লগ লগি চৰকাৰ গঠনত একমত হোৱা নাছিল। নেহৰুক মন্ত্ৰীসভা গটন কৰিবলৈ অনুৰোধ কৰা হৈছিল । সেই মন্ত্ৰীসভাই ২ চেপ্তেম্বৰত শপত গ্ৰহণ কৰিছিল ।

নেহৰু

মুছলমান সকলে সেইদিন শোকদিবস পালন কৰিছিল । যিহওক, ১৩ অক্টোবৰৰ দিনা লিগে মন্ত্ৰীসভাত যোগ দিয়াৰ কথা ঘোষণা কৰে । তেওঁলোকৰ মতে এইটো পাকিস্থান গঠনৰ প্ৰথম পদক্ষেপ ।

একশ্ৰেণী মুছলমান লোক এই কথাত সুখী

হোৱা নাছিল । ফলস্বৰূপে কলিকতা আৰু বঙ্গদেশৰ বহুতো ঠাইত সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল । হিন্দুসকলে পোটক তুলিছিল । মুছলমান সংখ্যাগৰিষ্ঠ থকা নোৱাখালিত হিন্দুসকলক ব্যাপক ভাবে হত্যা কৰা হৈছিল । শান্তিৰ বাতলি লৈ গান্ধীজী তালৈ ঢাপলি মেলিছিল । তেওঁ ১২০ মাইল বাট খোৰ্ঝ কাঢ়ি ১৭ খন গাওঁ ভ্ৰমণ কৰি হিন্দু মুছলমানৰ মাজত বন্ধুত্বৰ কথা কৈ ফুৰিছিল ।

ৰাজেন্দ্ৰ প্ৰসাদ

১৯৪৬ চনৰ ১১ ডিচেম্বৰত বাবু ৰাজেন্দ্ৰ প্ৰসাদ সংবিধান সভাৰ সভাপতি নিৰ্বাচিত হৈছিল ।

১৯৪৭ চনৰ ২ জুনত ভাইচৰয় লৰ্ড মাউন্টবেটেনে তিনিটা প্ৰধান দল-কংগ্ৰেছ, মুছলিম লিগ আৰু শিখ নেতাসকলক লগ ধৰিছিল আৰু ক্ষমতা হস্তান্তৰৰ চূড়ান্ত ৰূপ দিছিল । পিছাদিনা, তেওঁ বিখ্যাত ৩ জুনৰ ঘোষণাত কৈছিল যে দেশখনক ভাৰত আৰু পাকিস্তান দুটা ভাগত ভাগ কৰা হ'ব আৰু তেওঁলোকক স্বায়ত্ব শাসিত ৰাজ্যৰ মৰ্যাদা দি বৃটিছ কমনওৱেলথৰ ভিতৰত ৰখা হ'ব । চৰকাৰে সামন্ত ৰাজ্যবোৰক যিকোনো এখন দেশৰ লগত মিলিত হ'বলৈ স্বাধীনতা দিছিল। ১৬ জুলাইত বৃটিছ সংসদত ভাৰতৰ স্বাধীনতা বিল মঞ্জুৰ হৈছিল । ১৫ আগষ্টৰ দিনা ক্ষমতা হস্তান্তৰৰ সিদ্ধান্ত কৰা হৈছিল ।

ভাৰতৰ প্ৰথমবোৰ

- ভাৰতৰ প্ৰথম শিশু গৃহ (children's home) ওমেন্‌চ ইণ্ডিয়া এচোচিয়েচনে মাদ্ৰাজত (বৰ্ত্তমানৰ চেন্নাই) ১৯২৩ চনত আৰম্ভ কৰিছিল ।
- ভাৰতৰ প্ৰথম চাইকেল ফেক্টৰী কলিকতাত স্থাপন হৈছিল । (১৯৩৮)
- ভাৰতৰ প্ৰথম (বিশ্বত দ্বিতীয়) ব্লাড বেঙ্ক আৰম্ভ কৰিছিল ইড.এন. ব্ৰহ্মচাৰীয়ে । (১৯৩৯)
- চান্দমামা প্ৰথম তেলেগু ভাষাত প্ৰকাশ কৰা হয় (১৯৪৭) । পিছত এই জনপ্ৰিয় শিশু আলোচনীখন ১২ টা ভাষাত প্ৰকাশ কৰা হয় ।
- স্বাধীন ভাৰতৰ পতাকাৰ ছবি থকা প্ৰথম ডাক টিকট প্ৰকাশ কৰা হয় ১৯৪৭ চনত । ইয়াৰ মূল্য আছিল ৩$^{১}/_{২}$ অনা (প্ৰায় ২০ পইচাৰ সমান) ।
- চি. ৰাজাগোপালাচাৰী প্ৰথম আৰু একমাত্ৰ ভাৰতীয় গৱৰ্ণৰ জেনেৰেল হয়। (১৯৪৮)
- জেনেৰেল কে.এম.কৰিয়াপ্পা ভাৰতৰ সৈন্য বাহিনীৰ প্ৰথম ভাৰতীয় কমান্ডাৰ-ইন-চিফ নিযুক্ত হয় । (১৯৪৯)

এখন সাৰ্বভৌম গণৰাজ্য স্থাপন হয়

জিন্নাক গৱৰ্ণৰ জেনেৰেল আৰু লিয়াকত আলি খানক প্ৰধান মন্ত্ৰী হিচাবে লৈ ১৪ আগষ্টত পাকিস্তান গঠন হয়। মাজনিশা জৱাহৰলাল নেহৰুৱে ঐতিহাস ভষণটো দিয়ে।

জৱাহৰলাল নেহৰু

লৰ্ড মাউন্টবেটেনক গৱৰ্ণৰ জেনেৰেল আৰু জৱাহৰলাল নেহৰুক প্ৰথম প্ৰধান মন্ত্ৰী পতা হয়।

যদিও দিল্লীত শান্তি স্থাপন হয়, ১৯৪৮ চনৰ জানুৱাৰী মাহত আকৌ সংঘৰ্ষ আৰম্ভ হয়। গান্ধীজীয়ে অনশন আৰম্ভ কৰে। পাঁচ দিন পিছত হিন্দু মুছলমান উভয় নেতাৰে প্ৰতিশ্ৰুতি পোৱাত ১৮ জানুৱাৰীৰ দিনা অনশন ভঙ্গ কৰে। দুৰ্ভাগ্যবসতঃ নাথুৰাম গডচেৰ হাতত ৩০ জানুৱাৰী তাৰিখে তেওঁৰ ইহ জীৱনৰ সমাপ্তি ঘটে।

গান্ধীজী

১৯৪৯ চনৰ ৬ নবেম্বৰত সংবিধান সভাই ইয়াৰ কাৰ্য্য সম্পূৰ্ণ কৰে; সংসদে খচৰা সংবিধানত অনুমোদন জনায়।

১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা এই সংবিধান কাৰ্য্যকৰী কৰা হয় আৰু ন্যায়পৰায়নতা, স্বাধীনতা, সমতা আৰু বন্ধুত্বৰ ভেটিৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰী ভাবে ভাৰতক এখন সাৰ্বভৌম গণৰাজ্য হিচাবে ঘোষণা কৰা হয়।

১৯৪৮ চনৰ ১ জানুৱাৰীত কাশ্মীৰত যুদ্ধ বন্ধ কৰিবলৈ ভাৰত আৰু পাকিস্তান একমত হয় আৰু ইয়াৰ ভৱিষ্যত নিৰ্দ্ধাৰণৰ বাবে গণভোটৰ সিদ্ধান্ত লোৱা হয়।

৪ চেপ্তেম্বৰ তাৰিখে দিল্লীত সাম্প্ৰায়িক সংঘৰ্ষ হয়। গান্ধীজী নোৱাখালিৰ পৰা লৰালৰিকৈ উভতি যায়। মুছলনাৰ জনসংখ্যা বেচি থকা হিন্দু শাসিত সামন্ত ৰাজ্য কাশ্মীৰতো সংঘৰ্ষ হয়। কাশ্মীৰক ভাৰতৰ ভিতৰত থকাত বাধা দিয়া হৈছিল, কিন্তু শাসকসকলে একচেশ্বন্ অৰ্ডাৰত চহী কৰিছিল। পাঠান ভেৰোণীয়া সৈন্য পাকিস্তানৰ পৰা কাশ্মীৰত প্ৰৱেশ কৰিছিল। তাৰপৰাই ভাৰত পাকিস্তান যুদ্ধ আৰম্ভ হয়।

(অহা মাহতঃ ভাৰতৰ উন্নতি পথত অগ্ৰসৰ, ১৯৫১-২০০০)

৫৯. যুদ্ধত
পাণ্ডৱসকলৰ জয়

মহাভাৰত

দহ দিন যুদ্ধ কৰাৰ পাছত পিতামহ ভীষ্ম যুদ্ধক্ষেত্ৰত ধৰাশায়ী হৈ গ'ল । তেওঁ শিখণ্ডীৰ সৈতে যুদ্ধ কৰা নাছিল । সেয়েহে অৰ্জুনে শিখণ্ডীক সন্মুখত ৰাখি পিছফালৰ পৰা বাণ বৰ্ষণ কৰি ভীষ্মক পেলাই দিলে। ভীষ্ম পিতামহ পৰি গলেও কিন্তু তেওঁৰ মৃত্যু নহল । তেওঁৰ গোটেই শৰীৰতে শৰ সোমাই আছিল । সেয়েহে তেওঁ যেতিয়া পৰি গ'ল তেতিয়া তেওঁৰ শৰীৰে মাটি পৰ্শ নকৰিলে । সেই অৱস্থাতে তেওঁৰ পিয়াহ লাগিল । তেতিয়া অৰ্জুনে এপাত শৰ মাৰি পাতাল গঙ্গা ওপৰলৈ বোৱাই আনিলে । সূৰ্য্য উত্তৰায়ণ হোৱাৰ সময়লৈকে পিতামহ ভীষ্ম শৰশয্যাৰ ওপৰতে নিজৰ ইচ্ছামতে জীয়াই থাকিল ।

ভীষ্মৰ পাছত দ্ৰোণাচাৰ্য্যই কৌৰৱ সেনাসকলৰ সেনাপতিত্ব গ্ৰহণ কৰে আৰু তেওঁ পাঁচ দিনলৈ যুদ্ধ কৰিছিল । তেওঁ পদ্মবেহু ৰচনা কৰিলে । তাৰ ভিতৰত প্ৰৱেশ কৰি অৰ্জুনৰ পুত্ৰ অভিমন্যুৰ শত্ৰু যোদ্ধাসকলৰ হাতত মৃত্যু হয় । সেই সময়ত অৰ্জুন দূৰৰ ফালে অন্য যুদ্ধক্ষেত্ৰত যুদ্ধ কৰি আছিল । অভিমন্যুৰ পিছত শেষ পান্ডৱ পদ্মবেহুৰ ভিতৰত প্ৰৱেশ কৰিব খুজিছিল, কিন্তু সৈন্ধৱে (জয়দ্ৰথ) তেওঁক বাধা দিলে । সেই কাৰণে অভিমন্যুক কোনেও সহায় কৰিব নোৱাৰিলে ।

এই বাতৰি শুনাৰ পিছত অৰ্জুনে প্ৰতিজ্ঞা কৰিলে পিছদিনা তেওঁ জয়দ্ৰথক বধ কৰিব । পিছদিনা অৰ্জুনে জয়দ্ৰথক বধ

করিলেও । ইয়াৰ পিছত দ্ৰোণ আৰু ধৃষ্টদ্যুম্নৰ মাজত ঘোৰতৰ যুদ্ধ চলি আছিল। তেতিয়া যুধিষ্ঠিৰৰ মুখে অশ্বত্থামাৰ মৃত্যু হোৱা বুলি মিছা খবৰটো শুনি দ্ৰোণে অস্ত্ৰ ত্যাগ কৰিলে । সেই সময়তে ধৃষ্টদ্যুম্নই তেওঁক বধ কৰিলে ।

দ্ৰোণাচাৰ্য্যৰ মৃত্যুৰ পাছত কৰ্ণই কৌৰৱসকলৰ সেনাপতিত্ব গ্ৰহণ কৰে । কৰ্ণই দুৰ্যোধনক কলে, তেওঁ শল্যক তেওঁৰ সাৰথি কৰিব । শল্যাই কৰ্ণৰ সাৰথি হবলৈ স্বীকাৰ কৰিলে । কৰ্ণই দুদিন যুদ্ধ কৰিলে। এই দুয়োদিনে শল্যাই কৰ্ণক অপমান কৰি তেওঁক নিৰুৎসাহিত কৰিছিল । পিছদিনা কৰ্ণই অৰ্জুনৰ সৈতে যুদ্ধ কৰি থাকোতে তেওঁৰ ৰথৰ চকা বোকাৰ মাজত সোমাই যায় । কৰ্ণ তাৰ ওপৰতে উঠি আছিল, তেতিয়া অৰ্জুনে তেওঁক বধ কৰে ।

কৰ্ণৰ মৃত্যুৰ পিছত শল্য কৌৰৱ সেনাদলৰ সেনাপতি হয় । সেইদিনাই তেওঁ যুধিষ্ঠিৰৰ লদত যুদ্ধ কৰি মৃত্যুৰ মুখত পাৰে ।

ওঠৰ দিনৰ দিনাখন যুদ্ধ সমাপ্ত হ'ল । সেই যুদ্ধত ওঠৰ অক্ষৌহিণী সেনাৰ মৃত্যু হয় । দুৰ্যোধনৰ বাহিৰে তেওঁৰ সকলোবোৰ ভাতৃৰে সেই যুদ্ধত মৃত্যু হয় । ভীমে দুঃশাসনক বধ কৰি সকলোৰে আগত তেওঁ দুঃশাসনৰ ৰক্ত পান কৰে ।

সেই যুদ্ধত দুয়ো দলৰ বহুতো যোদ্ধাৰ মৃত্যু হয় । পাণ্ডৱসকলৰ পক্ষত পাণ্ডৱ, উপ পাণ্ডৱ, যুযুৎস, সাত্যকী, ধৃষ্টদ্যুম্ন আৰু শিখণ্ডী জীয়াই থাকে ।

যুযুৎস ধৃতৰাষ্ট্ৰৰ ঔৰষত জন্ম হৈছিল । সেয়েহে যুদ্ধ সমাপ্ত হোৱাত তেওঁ হস্তিনাপুৰলৈ গুচি গ'ল ।

কৌৰৱৰ পক্ষত অশ্বত্থামা, কৃপাচাৰ্য, কৃতবৰ্মা আৰু দুৰ্যোধন জীয়াই থাকে । যুদ্ধৰ অন্তিম দিনা কৃপাচাৰ্য, অশ্বত্থামা আৰু কৃতবৰ্মাই দুৰ্যোধনক বিচাৰিলে, কিন্তু তেওঁক কতো দেখা নাপালে । তেওঁ কান্ধত গদালৈ এটা ডাঙৰ পুখুৰীৰ ওচৰ পালে । তেওঁ এইটো জনা নাছিল কৃতবৰ্মা, কৃপাচাৰ্য আৰু অশ্বত্থামা এতিয়াও জীয়াই আছে ।

পুখুৰীৰ পাৰত বহি থকা দুৰ্যোধনৰ ওচৰলৈ সঞ্জয় গৈ পালে । দুৰ্যোধনে নিজৰ পৰাজয় আৰু নিজৰ দলৰ সকলো যোদ্ধাৰ মৃত্যু শোকত ডুব গৈ আছিল । সেই সময়ত সঞ্জয়ক দেখিবলৈ পাই তেওঁ কলে "আমাৰ পক্ষৰ মানুহৰ ভিতৰত তোমাৰ বাহিৰে আৰু কোনো জীয়াই নাই নেকি ? মোৰ

পিতাৰ আগত কবা মই এই পুখুৰীত লুকাই আছো।" ইয়াকে কৈ তেওঁ পুখুৰীত প্ৰৱেশ কৰিলে।

সঞ্জয় দুৰ্যোধনৰ ওচৰৰ পৰা উলতি আহি আছিল, তেতিয়া কৃতবৰ্মা,কৃপাচাৰ্য আৰু অশ্বত্থামাই তেওঁক বাটতে দেখিবলৈ পাই সুধিলে -"সঞ্জয়, দুৰ্যোধন ক'ত ?"

সঞ্জয়ে তেওঁলোকক পুখুৰীটোৰ ফালে দেখুৱাই কলে যে, দুৰ্যোধন সেই পুখুৰীৰ পানীৰ মাজত লুকাই আছে।

অশ্বত্থামাই তেতিয়া কলে -"আহ! দুৰ্যোধনে বোধহয় জানিব পৰা নাই আমিও জীয়াই আছো। আমি চাৰিওজন লগলাগি পান্ডৱসকলক পৰাজিত কৰিব নোৱাৰি মনে ?" ইয়াৰ পাছত তেওঁলোক তিনিও পান্ডৱসকলৰ লগত যুদ্ধ কৰিবলৈ আগবাঢ়িল। কিন্তু তেওঁলোকে গৈ যুদ্ধক্ষেত্ৰত উপস্থিত হওতে এন্ধাৰ হলেই।

যুদ্ধ সমাপ্ত হোৱাৰ পিছত কৃষ্ণৰ লগত গৈ পান্ডৱসকলে দুৰ্যোধনক বিচাৰিবলৈ ধৰিলে। দুৰ্যোধনক বধ কৰাৰ তেওঁলোকৰ সংকল্প আছিল। শেষত তেওঁলোকে জানিব পাৰিলে দুৰ্যোধন পুখুৰীত লুকাই আছে, তেতিয়া তেওঁলোকে সেই ঠাইত গৈ উপস্থিত হ'ল।

যুধিষ্ঠিৰে দুৰ্যোধনক কলে - "তোমাৰ বংশৰ সকলোৰে মৃত্যু হোৱাৰ পাছত নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ তুমি আহি এই পুখুৰীত লুকাই আছা কিয় ? এয়াতো অন্যায়, তুমি বাহিৰলৈ আহি আমাৰ লগত যুদ্ধ কৰা। তোমাৰ দৰে অহংকাৰীৰ বাবে এই কাপুৰুষালীয়ে শোভা নাপায়। আমাক



পৰাজিত নকৰাকৈ তুমি কেনেকৈ ৰাজ্য অধিকাৰ কৰিবা ? আহা, আমাক পৰাজিত কৰাহি।

"মোক ৰাজ্যৰ কোনো আৱশ্যক নাই, তোমালোকেই সেই ৰাজ্য শাসন কৰা।" দুৰ্যোধনে উত্তৰ দিলে।

তোমাৰ পৰা দান হিচাবে মই ৰাজ্য বিচৰা নাই। ইয়াৰ বাহিৰে ৰাজ্য দান দিবলৈ তোমাৰ হাতত এতিয়া ৰাজ্যই বা আছে কি ? আমাক পৰাজিত কৰি ৰাজ্য লৈ লোৱা। নহলে পৰাজয় স্বীকাৰ কৰা।" যুধিষ্ঠিৰে কলে।

পান্ডৱসকলৰ কটু উক্তি শুনি দুৰ্যোধনে ক্ৰোধিত হৈ পুখুৰীৰ পৰা ওলাই আহিল। তেতিয়া ভীম আৰু দুৰ্যোধনৰ মাজত গদা যুদ্ধ হয়। সেই যুদ্ধত ভীমে দুৰ্যোধনৰ উৰু ভাঙি দিয়ে।

উৰু ভঙ্গ হোৱা বাবে দুৰ্যোধন বাগৰি

পৰিল, কিন্তু তেওঁৰ মৃত্যু হোৱা নাছিল। তেতিয়া কৃপাচাৰ্য, অশ্বত্থামা আৰু কৃতবৰ্মা তেওঁৰ ওচৰলৈ আহে আৰু তেওঁৰ অৱস্থা দেখি দুখ প্ৰকাশ কৰে। অশ্বত্থামাই দুৰ্যোধনৰ সন্মুখত প্ৰতিজ্ঞা কৰি কয় তেওঁ সেই ৰাতিয়ে পান্ডৱ আৰু জীৱিত থকা সকলো পাঞ্চালকে বধ কৰিব। সেই কথাত সন্তুষ্ট হৈ দুৰ্যোধনে অশ্বত্থামাক নিজ সেনাপতি নিযুক্ত কৰিলে।

ইয়াৰ পাছত সেই তিনিও যোদ্ধাই তাৰ পৰা আহি পান্ডৱৰ শিৱিৰৰ ফালে গৈ এডোখৰ ঠাইত লুকাই থাকিল। তাৰ ওচৰতে এহেজাৰ শাখাযুক্ত এডাল বটগছ আছিল। তাৰ তলতগৈ তিনিওজনে বিশ্ৰাম ললে। অশ্বত্থামাই ঠিক কৰিলে পান্ডৱ-সকল শুই থকাৰ সময়ত অন্যায় ভাবে হলেও তেওঁলোকক বধ কৰিব। কাৰণ পান্ডৱসকলে যুদ্ধত তেনে ধৰণৰ বহুত অন্যায় কৰিছে। অশ্বত্থামাই কৃপাচাৰ্য আৰু কৃতবৰ্মাক লগত লৈ পান্ডৱৰ শিৱিৰৰ ওচৰ আহি পালে। তেওঁলোক দুযোজনক দুৱাৰমুখত থিয় কৈ থৈ অশ্বত্থামাই হাতত তৰোৱাল লৈ শিৱিৰৰ ভিতৰলৈ সোমাই গ'ল। প্ৰথমতে তেওঁ ধৃষ্টদ্যুম্নৰ ওপৰত আঘাত হানিলে ধৃষ্টদ্যুম্নই আহত হৈ কিছুমান লোকক জগায় দিয়াত সকলোৱে তেওঁৰ ওপৰত জাপিয়াই পৰে। অশ্বত্থামাই সকলোকে বধ কৰে। ইয়াৰ পিছত তিনিওজনে লগলাগি শিৱিৰত জুই লগাই দিয়ে। এই বাতৰিতো দুৰ্যোধনক দিয়াৰ বাবে তেওঁলোক দুৰ্যোধনৰ ওচৰলৈ আহে।

সেই ৰাতি পান্ডৱসকল শিৱিৰত নাছিল। থকা হলে হয়তো তেওঁলোকৰো মৃত্যু হলহেতেন অথবা অশ্বত্থামাৰ এই হত্যাকান্ড বাধা দিব পাৰিলে হেতেন।

কৃপাচাৰ্য, কৃতবৰ্মা আৰু অশ্বত্থামা যেতিয়া দুৰ্যোধনৰ ওচৰ আহি পালে তেতিয়া তেওঁৰ জীৱনৰ অন্তিম অৱস্থা। তেওঁলোকৰ মুখত পান্ডৱসকলৰ মৃত্যুৰ বাতৰি শুনি দুৰ্যোধন খুব সন্তুষ্ট হ'ল আৰু নিজৰ প্ৰাণ ত্যাগ কৰিলে।

অশ্বত্থামাৰ হাতত নিজৰ পুত্ৰ আৰু আত্মীয় স্বজনৰ মৃত্যুৰ বাতৰি পাই পাঞ্চপান্ডৱ আৰু দ্ৰৌপদীৰ মনত খুব দুখ লাগিল। ভীমে ক্ৰোধিত হৈ অশ্বত্থামাক বধ কৰিবলৈ আগবাঢ়ি গল। তেতিয়া দ্ৰৌপদীয়ে ভীমক কলে -"মই শুনিবলৈ

পাইছো অশ্বত্থামাৰ মূৰত এটা মণি আছে, তেওঁক বধ কৰি সেই মণিটো মোক আনি দিলে মই সন্তুষ্ট হম।”

ইয়াৰ পিছত ভীমে ধনুশৰ লৈ ৰথত উঠি গ'ল। ইয়াকে দেখি কৃষ্ণই ভীমক সহায় কৰিবলৈ অৰ্জুনকো লগত যাবলৈ আদেশ দিলে। কৃষ্ণৰ সৈতে যুধিষ্ঠিৰ আৰু অৰ্জুনো সেই একেখন ৰথত উঠি আগবাঢ়ি গ'ল। তেওঁলোকে অতি শীঘ্ৰে ভীমৰ ওচৰ গৈ পালে। কিন্তু তেওঁলোকে ভীমক ওভতাই আনিব নোৱাৰিলে।

যেতিয়া তেওঁলোক গৈ গঙ্গাৰ পাৰ পালে, তেতেয়া মহৰ্ষি ব্যাস, তেওঁৰ অনুচৰ কিছুমান ঋষি আৰু তেওঁৰ লগত অশ্বত্থামাক দেখিবলৈ পালে। অশ্বত্থামাই বাকলি বসন পিন্ধিছিল আৰু তেওঁৰ দেহ ধূলি-ধূসৰিত আছিল। অশ্বত্থামাক দেখিবলৈ পাই ভীমে ভয়ঙ্কৰ গৰ্জন কৰি উঠিল। অশ্বত্থামাই ভীম আৰু তেওঁৰ পিছে পিছে আহি থকা কৃষ্ণ, যুধিষ্ঠিৰ আৰু অৰ্জুনক দেখি ভয় খাই গ'ল। তেওঁ বুজিব নোৱাৰিলে এতিয়া কি কৰা যায়। তেতিয়া অশ্বত্থামাই পিতাকৰ দ্বাৰা প্ৰাপ্ত ভয়ঙ্কৰ ব্ৰহ্মশিৰো নামৰ অস্ত্ৰক আহবান কৰিলে আৰু তাক প্ৰয়োগ কৰিলে। ইয়াৰ পাছত কৃষ্ণৰ পৰামৰ্শ মতে অৰ্জুনেও সেই অস্ত্ৰ প্ৰয়োগ কৰিলে। দুয়োৰে অস্ত্ৰ ঠেকা খাই ভীষণ শব্দ কৰি জুই উঠি যায়।

তেতিয়া নাৰদ আৰু ব্যাস আগবাঢ়ি আহি দুয়োজনকে নিজৰ নিজৰ অস্ত্ৰ সম্বৰণ কৰিবলৈ পৰামৰ্শ দিলে। অৰ্জুনে নিজৰ অস্ত্ৰ ঘুৰাই ললে, কিন্তু অশ্বত্থামাৰ দ্বাৰা

সেইটো সম্ভৱ নহল। তেওঁ ব্যাসদেৱৰ আগত নম্ৰভাৱে কলে - “মহৰ্ষি, মই ভীমৰ ক্ৰোধ দেখি ভয়তে এই অস্ত্ৰ প্ৰয়োগ কৰিলো। ইয়াক ঘূৰাই লোৱা মোৰ বাবে সম্ভৱ নহব। ইয়ে পাণ্ডৱক নিৰ্মূল কৰিহে এৰিব।”

সেই কথা শুনি কৃষ্ণই কলে - “তেতিয়াহলে ভাল কথা। এই সময়ত পাণ্ডৱৰ বংশধৰ উত্তৰাৰ গৰ্ভত আছে। তেওঁৰ ওপৰত তোমাৰ অস্ত্ৰ প্ৰয়োগ কৰা।”

শেষত ঋষিসকলে এইটো সিদ্ধান্ত কৰিলে অশ্বত্থামাই নিজৰ মস্তক মণি অৰ্জুনক দিব আৰু অৰ্জুনে তেওঁক এৰি দিব। তেতিয়া অশ্বত্থামাই নিজৰ মস্তক মণি অৰ্জুনৰ হাতত দিলে আৰু নিজে জঙ্ঘলৰ মাজলৈ তপস্যা কৰিবলৈ গুচি গ'ল। ভীমে সেই মণি লৈ গৈ দ্ৰৌপদীৰ হাতত দিলে

আৰু এইবুলি বুজালে তেওঁ যেন আৰু চিন্তা নকৰে । দ্ৰৌপদীয়ে সেই মণিটো যুধিষ্ঠিৰৰ মস্তকত ধাৰণ কৰিবলৈ দিলে ।

সিফালে হস্তিনাপুৰত ধৃতৰাষ্ট্ৰই নিজৰ এশ পুত্ৰ যুদ্ধত মৰাৰ বাতৰি পাই গভীৰ দুখত ডুব গ'ল । সঞ্জয়ে তেওঁক বুজালে - " অকল তোমাৰ পুত্ৰসকলেই নেকি ? এই যুদ্ধত ওঠৰ অক্ষৌহিণী সৈন্যৰ মৃত্যু হৈছে। গোটেই বিশ্বৰ ৰজাসকলৰ মৃত্যু হৈছে । সেই সকলোৰে প্ৰেত সংকাৰ কৰোৱা । "

ধৃতৰাষ্ট্ৰৰ পিছত গান্ধাৰী কুন্তী আৰু অন্তঃপুৰৰ অন্যান্য তিৰোতাসকল কান্দি কান্দি যুদ্ধভূমিলৈ আহিল । এই কথা জানিব পাৰি পাণ্ডৱে কৃষ্ণ, সাত্যকী আৰু যুযুৎসক লগতলৈ সেই ঠাইত গৈ উপস্থিত হ'ল ।

যুধিষ্ঠিৰে ধৃতৰাষ্ট্ৰক প্ৰণাম কৰিলে আৰু তালৈ অহা সকলোবোৰকে পৰিচয় কৰাই দিলে । ধৃতৰাষ্ট্ৰই ভিতৰে ভিতৰে জ্বলি আছিল । তেওঁ প্ৰথমতে যুধিষ্ঠিৰক আলিঙ্গন কৰিলে আৰু পিছৰ ভীমৰ সৈতে আলিঙ্গন কৰিবলৈ আগবাঢ়ি গ'ল । তেতিয়া কৃষ্ণই ভীমক পিছত ফালে ঠেলি দিলে আৰু ভীমৰ লৌহ মূৰ্ত্তি এটা আগত ৰাখিলে । ধৃতৰাষ্ট্ৰই সেই মূৰ্ত্তিটো শৰীৰৰ গোটেই শক্তি প্ৰয়োগ কৰি আলিঙ্গন কৰিলে লগে লগে সেই মূৰ্ত্তিটো চূৰমাৰ হৈ গ'ল । যদি সেই মূৰ্ত্তিটোৰ ঠাইত ভীম থাকিল হেতেন তেতিয়াহলে ভীমৰ নিশ্চিত মৃত্যু আছিল । কাৰণ ধৃতৰাষ্ট্ৰৰ এহেজাৰ হাতীৰ সমান বল আছিল । সেই বাবে ধৃতৰাষ্ট্ৰই লৌহ মূৰ্ত্তি এটা চুৰমাৰ কৰি ভাঙি দিব পাৰিছিল । ইয়াৰ পাছত ধৃতৰাষ্ট্ৰই মিছাকৈয়ে কান্দি কান্দি কবলৈ ধৰিলে - "হে ভীম, তোমাৰ কি অৱস্থা হ'ল ?"

কৃষ্ণই ধৃতৰাষ্ট্ৰক বুজাবলৈ ধৰিলে - "ৰাজন, চিন্তা নকৰিবা । তুমি ভীমক চূৰ্ণ কৰা নাই, ভীমৰ লৌহ মূৰ্ত্তি এটাহে চূৰ্ণ কৰিছা ।" সেই মূৰ্ত্তিটো দুৰ্যোধনে গদা যুদ্ধ অভ্যাস কৰিবলৈ তৈয়াৰ কৰাইছিল ।

ইয়াৰ পিছত কৃষ্ণই ধৃতৰাষ্ট্ৰক সান্ত্বনা দিলে । "এতিয়া পাণ্ডৱৰ বাহিৰে মোৰ পুত্ৰ আৰু কোন আছে ?" ইয়াকে কৈ ধৃতৰাষ্ট্ৰই ভীম, অৰ্জুন, নকুল আৰু সহদেৱৰ শৰীৰত হাত বুলাবলৈ ধৰিলে । (ক্ৰমশঃ)

অষ্টাৱধান

অৱধানী পাণ্ডিত্যত পিতাকতকৈও এখোপ আগবঢ়া আছিল । যদিও পিতাকে তেওঁৰ নাম সদানন্দ ৰাখিছিল, অৱধান বিদ্যাত তেওঁ অসাধাৰণ প্ৰতিভা দেখুৱা বাবে সকলোৱে তেওঁক অৱধানী বুলি মাতিছিল ।

অৱধান বিদ্যাৰ ভিতৰত অষ্টাৱধান যথেষ্ট কঠিন । শতাৱধানত তেওঁৰ চাৰিওফালে বিদ্যান লোক বহে । এজন এজনকৈ একোটা প্ৰশ্ন সোধে । সেই প্ৰশ্নৰ উত্তৰ পদ্যতে দিব লাগে। সাধাৰণতে একোটা পদ্যত চাৰিটাকৈ পদ থাকে । অৱধানীক সোধআ পদ্য একেলগে কব নালাগে । প্ৰথমে প্ৰতিটো পদ্যৰ প্ৰথম পদ শুনাব লাগে । আকৌ ইয়াক মনত ৰাখিব লাগিব কোনে কোনে কি কি প্ৰশ্ন সুধিছে । প্ৰতিজনকে দুটা পদ শুনাব লাগিব । এইদৰে তৃতীয় আৰু চতুৰ্থ পদ শুনোৱাৰ পাছত তেওঁৰ চাৰিওফালে বহি থকা বিদ্যানসকলক চাৰিওটা পদ শুনাব লাগিব । ইয়াৰ বাবে আৱশ্যক স্মৰণশক্তি, মেধাশক্তি আৰু পাণ্ডিত্যৰ । এনেদৰে অপূৰ্ব শতাৱধান কৰে অৱধানীয়ে ।

শতাৱধানতকৈ গভীৰ আৰু কঠিন হ'ল অষ্টাৱধান । ইয়াতে অৱধানীৰ চাৰিওফালে প্ৰশ্ন কৰা আঠজন পণ্ডিত ব্যক্তি থাকে । এওঁলোকক পৃচ্ছক বুলি কোৱা হয় । পৃচ্ছকসকলে পাণ্ডিত্যপূৰ্ণ নানা ধৰণৰ প্ৰশ্ন সোধে আৰু তেওঁৰ পৰীক্ষা লয় । এজনে সমস্যা এটা দি তাক পুৰণ কৰিবলৈ কয়, দ্বিতীয়জনে বা ফুল এটা লৈ অৱধানীক স্পৰ্শ কৰি থাকে । তৃতীয়জনে বা আগগুৰি নোহোৱা প্ৰশ্ন সুধি হায়ৰান কৰে । চতুৰ্থজনে সন্মুখতে বহি দাবা খেলি থাকে । পঞ্চমজনে চৌষষ্ঠিটা আখৰ থকা শ্লোক পঢ়ি থাকে । কিন্তু সেই আখৰ এটা ক্ৰমত নাথাকে । তেওঁ যেনেদৰে বিচাৰে তেনেদৰেই শুনায় । যেতিয়াই যি মন যায় তাকে শুনায় । ষষ্ঠ পণ্ডিতজনে পদ্য পঢ়ি থকাৰ মাজতে বন্ধ কৰি

মনোহৰ শুক্লা

দিয়ে আৰু প্ৰথমৰ পৰাই আন্দাজ কৰি থাকে এই স্থানত অৱধানীয়ে কি পদ ব্যৱহাৰ কৰিব। সেই বাবে সেই পদ ব্যৱহাৰ নকৰি অন্য কোনো পদ তাৰ ঠাইত ব্যৱহাৰ কৰিবলৈ বাধ্য কৰায়। সপ্তমজনে বৈ বৈ ঘন্টা বজায় থাকে। অষ্টমজনে ব্যাকৰণ সম্বন্ধীয় প্ৰশ্ন সুধি থাকে। শেষত অৱধানীয়ে এই আতাইবোৰ ব্যক্তিৰে প্ৰশ্নৰ উত্তৰ সুন্দৰ ভাবে দিব লাগে। তেওঁ সচাঁকৈ কব লাগিব ফুলেৰে তেওঁক কিমানবাৰ স্পৰ্শ কৰা হৈছে ? ব্যৰ্থ কথাৰ উত্তৰ অতি সৱধানে দিব লাগিব । দবা খেলত চালৰ পাচত চাল দি প্ৰতিপক্ষক বাধা দিব লাগিব। শ্লোকৰ প্ৰতিটো আখৰেই মনত ৰাখিব লাগিব আৰু সেইবোৰ ক্ৰম মতে সজাব লাগিব । পৃচ্ছকৰ নিসিদ্ধ পদ বাদ দি সেই শব্দৰ অৰ্থপূৰ্ণ কোনো শব্দ ব্যৱহাৰ কৰি সম্পূৰ্ণ পদ্যটো কব লাগিব ।তেওঁ সেইটোও কব লাগিব কিমান বাৰ ঘন্টা বজোৱা হৈছিল। ব্যাকৰণ সম্বন্ধীয় সকলো প্ৰশ্নৰ শুদ্ধ উত্তৰ দিব লাগিব । একে সময়তে আঠ প্ৰকাৰ বিভিন্ন কাৰ্য্যৰ বিষয়ে মনত ৰখা শক্তি থাকিব লাগিব । এনে অদ্ভুত আৰু কঠিন অষ্টাৱধানক অৱধানীয়ে অতি সহজে কৰি যায় । তেওঁৰ এই প্ৰতিভাই সকলোকে আচৰিত কৰি দিয়ে ।

তেওঁৰ পিতাকে পাণ্ডিত্য পূৰ্ণ অৱধানীৰ বিয়াৰ প্ৰস্তাৱ তেওঁৰ আগত উত্থাপন কৰিলে। পিতাকৰ ইচ্ছা আছিল শ্ৰীধামত বাস কৰা সুমতি তেওঁৰ যোগ্য বোৱাৰী হব । কিন্তু অৱধানীয়ে ইমান সোনকালে বিবাহ কৰাব বিচৰা নাছিল । তেওঁৰ ইচ্ছা আছিল কোনো বিদুষী কন্যাৰ লগত বিবাহ হলে তেওঁৰ লগত





গোটেই দিন সাহিত্য আলোচনা কৰিব পাৰিব আৰু অধিক জ্ঞান বাঢ়িব । ঘৰুৱা কাম তথা ৰন্ধাবঢ়া কামৰ বাবে চাকৰ ৰাখিব পৰা যাব।

এদিন পিতাকে অৰধানীক কলে-"বাচা, ঘৰুৱা কামৰ বাবে চাকৰ ৰাখিলে অথবা ৰন্ধবঢ়া কামৰ বাবে ৰান্ধনী ৰাখিলে ইয়াক ঘৰ বুলি কোৱা নহয় বৰং ইয়াক ৰাজহুৱা ভোজনালয় বুলিহে কোৱা হয় । যাৰ যিটো কাম সি সেইটো কৰিলেহে তাক ঘৰ বুলি কোৱা হয় । বিবাহৰ পাছত পতি পত্নীয়ে ইজনে সিজনক সহায় কৰিব লাগে আৰু ঘৰুৱা কামবোৰ সুচাৰুৰূপে সম্পাদন কৰিব লাগে । সাহিত্য কৰ্মই জীৱনৰ একমাত্ৰ লক্ষ্য বুলি ভুল কৰা যদি ডালত ফুলো নুফুলিব গছত ফলো নালাগিব ।"

অৰধানীয়ে কলে "আপুনি কোৱা কথা উচিত যেন লাগিছে, কিন্তু এইটো সাধাৰণ মানুহৰ ক্ষেত্ৰতহে প্ৰযোজ্য, মোৰ দৰে পণ্ডিতৰ বাবে নহয় । মই অষ্টাৱধানী । মোৰ পত্নীয়ো মোৰ দৰে বিদুষী হয় যদি আৰু বিদ্যাত পাৰ্গত হয় যদি ভাল নহব নে বাৰু ? মই এইটো বিচাৰো যদি তাত ভুল কি ?অৰধানীৰ পিতাকে বুজিব পাৰিলে যে তেওঁৰ পুত্ৰ কেবল মাত্ৰ পণ্ডিত হে ব্যৱহাৰিৰ জ্ঞানত একেবাৰে অনভিজ্ঞ । তেওঁ হাঁহিমাৰি পুতেকক কলে "এবাৰ সুমতিক চাই অহা । যদি তোমাৰ ছোৱালী পছন্দ নহয় অন্য ছোৱালী চাবা ।" সুমতি অতি ধুনিয়া ছোৱালী । পিতাকৰ বিশ্বাস আছিল এবাৰ যদি পুতেকে সুমতিক দেখে তেতিয়াহলে বিবাহ কৰিবলৈ নিশ্চয় ৰাজি হব ।

অৰধানীয়ে পিতাকৰ কথা অৱজ্ঞা কৰিব নোৱাৰিলে, তেওঁ সুমতিক চাবলৈ গাঁৱলৈ গ'ল । সুমতিৰ পিতাকে তেওঁক অতি আদৰ সাদৰ কৰিলে । পিছত তেওঁ সুমতিক মাতি আনি কলে "এওঁ মোৰ বন্ধু পুত্ৰ, অৰধানী । আমাৰ ঘৰত এওঁ চাৰি পাঁচদিন থাকিব । এওঁৰ ভাল দৰে যত্ন লবা যাতে কোনো ত্ৰুতি নহয়।"

সুমতিৰ সৌন্দৰ্য্য দেখি অৰধানী আচৰিত হৈ গ'ল । তেওঁ থৰ লাগি সুমতিৰ ফালে চাই ৰল । তেওঁ জানিব প্মাৰিলে সুমতিৰ পিতাকে জানি বুজিয়ে তেওঁক চোৱাচিতা কৰাৰ ভাৰ সুমতিক অৰ্পণ কৰিছে । কাৰণ এইদৰে দুয়ো দুয়োৰে সংস্পৰ্শলৈ আহিব পাৰিব । অৰধানীয়ে মনতে ভাবিলে "সৌন্দৰ্য্যৰ প্ৰতি মোৰ কোনো আশক্তি নাই, মই বিচাৰো পাণ্ডিত্য যাৰ বিষয়ে এওঁলোকে একো নাজানে । উভতি যাবৰ সময়ত মোৰ মনৰ কথা এওঁলোকক কৈ দিম ।"

কিন্তু পিছদিনা সুমতিৰ ব্যৱহাৰত তেওঁ মোহিত হ'ল। তেওঁ ভাবিলে তেওঁৰ অনুমান ভুল।

কুকুৰাই ডাক দিয়াৰ লগে লগে সুমতিয়ে টোপনিৰ পৰা উঠে। ঘৰ চোতাল পৰিষ্কাৰ কৰে। বিচনাত শুই থকা আইতাকক সময়মতে ঔষধ খুৱায়। পূজাৰ বাবে আৱশ্যকীয় সামগ্ৰী যা যোগাৰ কৰে। ৰান্ধনী ঘৰত বৌয়েকক সহায় কৰে। ৰাতিপুৱাৰ জলপান সকলোকে দিয়াৰ পাছত তাই পুখুৰীৰ পৰা পানী আনে। পিতাক আৰু ককায়েকৰ আৱশ্যকীয় যা যোগাৰ ধৰে।

ভতিজাকে আহি মাজে মাজে আগ গুৰি নোহোৱা নানা প্ৰশ্ন সোধে, তাই ধৈৰ্য্যসহকাৰে সেই প্ৰশ্নবোৰৰ উত্তৰ দিয়ে। ককায়েকৰ ল'ৰাক নিচুকনি গীত গাই শুৱাই থয়। কোনো মানুহ ঘৰলৈ আহিলে তেওঁৰ অহাৰ কাৰণ জানি লৈ তেওঁৰ আৱশ্যকতা পুৰণ কৰে। ইমান কামৰ মাজত থাকিও অৰধানীৰ আদৰ যত্ন লোৱাত ক্ৰুতি কৰা নাছিল। তাৰ মাজতে নিজও সজ্জিত হৈছিল। তেওঁৰ মুখত সদাহাস্য ভাব এটা আছিল। যদি কোনোবাই তাইক ঠাট্টা মাস্কৰা কৰিলে তাক উচিত কথা কৈ মুখ বন্ধ কৰি দিয়ে। তাইৰ ব্যৱহাৰত মুগ্ধ হৈ অৰধানীয়ে ভাবিলে সুমতিয়েই বিয়াৰ বাবে যোগ্য কন্যা।

আবেলি সুমতিয়ে অৰধানীক গাওঁ দেখুৱাবলৈ লৈ গ'ল। তাই তেওঁক গাঁৱৰ বিশেষত্বৰ কথা কলে আৰু বিষ্ণু মন্দিৰৰ মাহাত্ম্য বৰ্ণনা কৰিলে। অৰধানীয়ে তাইৰ সাংস্কৃতিক জ্ঞানৰ প্ৰশংসা কৰি কলে "তুমি নিজৰ গাঁৱৰ বহুতো কথাই জানা, কিন্তু মই



নিজৰ গাঁৱৰ সিমান কথা নাজানো ।”

সুমতিয়ে হাঁহিমাৰি কলে “তুমিতো মোক মিছাকৈয়ে প্ৰশংসা কৰিছা । তোমাৰ পাণ্ডিত্যৰ আগত মোৰ জ্ঞান তেনেই শূন্য । তুমি নিজৰ বিষয়ে মোক কোৱা, মোৰ শুনিবলৈ বহুত ইচ্ছা ।”

অৱধানীয়ে নিজৰ অষ্টাৱধানৰ বিষয়ে সবিশেষ বুজাই কলে । সুমতিয়ে অতি মনোযোগেৰে তেওঁৰ কথা শুনিলে । অৱধানীয়ে তেওঁৰ হাতৰ খাৰুপাত দেখুৱাই কলে “এই সোণৰ খাৰুপাত মই অষ্টাৱধানৰ বাবে পাইছো ।”

সুমতিয়ে এটা দীঘল হুমুনিয়াহ কাঢ়ি কলে,“কবনোৱাৰো, কেতিয়া মোৰ এনে সৌভাগ্য হব । ”

“সুমতি, মই গোটেই দিনটো তোমাৰ প্ৰতিভা দেখিলো । তুমি কৰা কামবোৰ অষ্টাৱধানতকৈও আৰু মহৎ । তোমাৰ স্মৰণ শক্তি, সহনশীল শক্তি আৰু সামৰ্থ্য আচৰিত ধৰণৰ। তুমি যদি বিচৰা মই তোমাক প্ৰশিক্ষণ দিম আৰু এবছৰৰ ভিতৰতে তোমাক বিদুষী কৰি তোমাক বিবাহ কৰাম ”-অৱধানীয়ে কলে ।

সুমতিয়ে মূৰ জোকাৰি কলে-“মই অৱধানী হব নিবিচাৰো । মই স্বীকাৰ কৰো শ্ৰোতাক আনন্দিত কৰা এইটো এটা উত্তম কলা; কিন্তু মানুহৰ আৱশ্যকতা পুৰণ কৰিয়ে মোৰ ভাল লাগে । সেই বাবে মই ঘৰৰ সকলোকে সহায় কৰো ।”

তাইৰ এই কথা শুনি অৱধানী অবাক হৈ গ’ল । তেওঁ কলে “তুমি ঠিকেই কৈছা । মোৰ বিদ্যা আনন্দৰ কাৰণে, আজৰি সময় কটাবৰ কাৰণে । কিন্তু তোমাৰ বিদ্যা হৈছে আনক সুখী ৰখা আৰু সহায় কৰা । মোৰ অষ্টাৱধানতকৈ তোমাৰ অষ্টাৱধান অতি উত্তম । তোমাক বিদুষী কৰা মোৰ ইচ্ছা অবিবেক-পূৰ্ণ । সঁচা কবলৈ হলে এই সোণৰ খাৰু পিন্ধাৰ যোগ্য তুমিহে ।”অৱধানীয়ে নিজৰ হাতৰ খাৰুপাত খুলি সুমতিক পিন্ধাই দিলে ।

ইয়াৰ কিছুদিন পাছতে তেওঁলোকৰ বিবাহ হৈ গ’ল ।



চান্দমামাৰ নিবেদন
পৰোপকাৰী সমীৰ
চিত্ৰঃপাণি
ভূতৰ নাটক
মংগাপুৰত মংগা নামৰ এজন সুদখোৰ আছিল । তেওঁ বহুতো ধন অৰ্জন কৰি সেইবোৰ পুতেক গোবিন্দক সপি দি মৃত্যুৰ মুখত পৰে । গোবিন্দই বাকচ খুলি বাপেকে এৰি যোৱা ধনবোৰ দেখি আনন্দতে নাচি উঠিল ।
তেওঁ ভাবিবলৈ ধৰিলে এই ধনবোৰ কেনেকৈ চোৰৰ পৰা ৰক্ষা কৰিব পৰা যায় ! গোটেই ধনখিনি দুটা মাটিৰ কলহত ভগাই থলে ।
পিছত সেইদিনা ৰাতিয়ে কোনেও নেদেখাকৈ তেওঁ ভূতে বাহ লোৱা বটগছ জোপাৰ তলত পুতি থলে ।
মই ভূতৰ দৰে নাটক কৰি সকলোকে ভয়খুৱাই খেদিম । তেতিয়া মোৰ ধন সুৰক্ষিত থাকিব ।
আন্ধাৰ হোৱাৰ পিছত তেওঁ সদায় গছডালৰ তললৈ অহা কৰিছিল ।
HRI !
HRU !
তেওঁ পিশাচৰ ৰূপ ধাৰণ কৰি, বগা কাপোৰ পিন্ধিছিল আৰু বিকট বিকট শব্দ কৰিছিল । মানুহক ভয় খুৱাবলৈ তেওঁ এনেকুৱা কাম কৰিছিল । ভুলতে কোনোবা আহিলেও সঁচা পিশাচ বুলি দৌৰি পলাইছিল ।


ৰাতিপুৱাৰ আগতে গোবিন্দই ঘৰ গৈ পাইছিল ।
মই ভাবো মোক কোনেও দেখা নাই ।
ভাই, মই এটা ভূত দেখিছো ।
হা, বটগছ জোপাৰ কাষত
এই কথা কোৱা তুমিয়েই প্ৰথম ব্যক্তি নহয়! এতিয়া কি কৰা যায় ।
আপুনি পিশাচৰ বিষয়ে কিবা শুনিছেনে?
বটগছ জোপাৰ কাষত ?
কোনোবাই কৈছে পিশাচটো মোৰ পিতাৰ দৰে ।
ভূত! ভূত! বচোৱা! মোক বচোৱা !
গোটেই গাঁৱতে পিশাচৰ জনৰৱ উঠিল । কোনো মানুহৰে গছৰ তললৈ যাবলৈ সাহস নহ'ল ।
মানুহে ৰাতি বাহিৰলৈ ওলাবলৈ ভয় কৰা হ'ল ।
ইয়াত কোনো ভূত নাই । তাৰাতাৰি উঠা আৰু খাবলৈ কিবা লৈ আহা ।
কি, ভূত দূৰলৈ গলনেকি ?

মংগাৰ ভূতে সকলোকে মাৰিব ধৰিছে।
যদি কোনোবাই পিশাচ দেখেও তাৰ বেমাৰ হয়।
খেতি পথাৰ আৰু ঘৰত দিনে দিনে চোৰৰ উংপাত বাঢ়ি যাব ধৰিলে।
মৃতকৰ সংখ্যা বাঢ়ি যাব ধৰিলে। গাওঁবাসীৰ জীৱন অস্থিৰ হৈ গ'ল।
এইবোৰ কেনেকৈ শেষ হব?
সোনকালে কিবা এটা কৰিব লাগে।
এইবোৰৰ সুবিধা লৈ গোবিন্দই বেচি দামত বস্তুবাহিনী বেচিবলৈ ধৰিলে।

গোবিন্দই সদায় পুতি থোৱা ধনৰ ওপৰত দৃষ্টি ৰাখিবলৈ ধৰিলে ।
কি ? কি কথা ?
ভাই, এই ঠাই সুৰক্ষিত নহয়। বিশেষকৈ অচিনাকিৰ বাবে ।
কি কম ভাই ? আমি এটা পিশাচৰ ভয়ত আছো ।
সমীৰ আৰু শেৰু ঘূৰি ঘূৰি আহি মংগাপুৰ পালে । সোনকালেই সমীৰে বুজিব পাৰিলে এই গাঁৱত গন্দগোল চলিছে ।
মানুহৰ মুখত বটগছত থকা ভূতৰ কথা শুনি সমীৰ গৈ সেই বটগছত উঠি ভূতৰ প্ৰতিক্ষা কৰিবলৈ ধৰিলে।
মাজৰাতি এটা ছাঁ গছজোপাৰ ফালে আহিব ধৰিলে আৰু এনেকুৱা লাগিল যেন ছাঁটো নাচি আছে ।
এইটো মানুহৰ নে পিশাচৰ ছাঁ!মানুহক ভয় খুৱাবৰ কাৰণে ই এনেকুৱা নাটক কৰিছে । ই যিয়েই নহওক মই ইয়াক মানুহৰ আগলৈ আনিমেই ।

এদিন পিছত সমীৰে গাঁৱত সেই ছাঁটোৰ পিচ ললে ।
এইটো কাৰ ঘৰ ?
ইয়াত গোবিন্দ মহাজন থাকে ।
তেওঁ দৃষ্টি ৰাখিবলৈ ধৰিলে তেওঁ কলৈ যায়। পিছত সমীৰ এজন চুবুৰীয়াৰ ঘৰলৈ গ'ল ।
মংগা মহাজন জীয়াই থাকোতেও মানুহক বিৰক্ত কৰিছিল ....
...ধাৰলৈ লোৱা পইচাৰ ওপৰত অধিক সুত লৈছিল । এতিয়া তাৰ ভূতে মানুহক হায়ৰাণ কৰিব ধৰিছে ।
অ', তাৰ মানে গোবিন্দই নিজৰ পৰিয়াল আৰু ঘৰখন চোৱাচিতাৰ পৰিবৰ্তে ৰাতি আহি বটগছৰ তলত কটায় । তেওঁ ভূতৰ নাটক কৰাৰ কি আৱশ্যক? তেওঁৰ কি উদ্দেশ্য হব পাৰে? মই অনুসন্ধান কৰিব লাগিব ।
সমীৰে সন্ধ্যা হোৱালৈ অপেক্ষা কৰিলে । তেওঁ নিজৰ বেশ সলাই গোবিন্দৰ ঘৰলৈ গ'ল ।
ক্ৰমশঃ

ভাৰতৰ বিষয়ে জানি লোৱা

প্ৰশ্নাৱলী

এই সংখ্যাৰে অন্য ঠাইত তুমি সৰোজিনী নাইডুৰ বিষয়ে পঢ়িবলৈ পাবা, যাক মহাত্মা গান্ধীয়ে 'দি নাইটেঙ্গল্ অফ ইণ্ডিয়া' বুলি কৈছিল। আমাৰ দেশৰ অন্য মহিলাসকলৰ বিষয়ে তুমি কিমান জানা বাৰু?

১. ভাৰতৰ ৰাজধানী হোৱাৰ আগতে দিল্লী এগৰাকী মহিলাই শাসন কৰিছিল। তেওঁ কোন আছিল ? তেওঁ কিমান দিন শাসন কৰিছিল ?

২. ভাৰতত বাস কৰা এগৰাকী বিদেশী মহিলাই ভাৰত ৰত্ন আৰু নবেল পুৰস্কাৰ উভয়কে পাইছিল । তেওঁ কোন আছিল?

৩. ভাৰতে এগৰাকী মহিলাৰ সন্মানাৰ্থে এটা মুদ্ৰা উলিয়াইছিল। তেওঁ কোন আছিল ?

৪. জৱাহৰলাল নেহৰুৰ দ্বাৰা গঠিত প্ৰথম মন্ত্ৰীসভাত কোন মহিলা সদস্য আছিল ?

৫. নেতাজী সুভাস চন্দ্ৰ বসুৰ নেতৃত্বত গঠিত আজাদ হিন্দ চৰকাৰৰ মহিলা সদস্য কোন আছিল ?

৬. ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম মহিলা সভাপতি কোন আছিল ?

৭. এজনী অভিনেত্ৰীক প্ৰথম বাৰৰ বাবে ৰাজ্য সভালৈ মনোনীত কৰা হৈছিল। তেওঁ কোন আছিল ?

৮. এজনী দক্ষিণ ভাৰতীয় গায়িকাই হিন্দী ভক্তিমূলক চলচিত্ৰ "ভক্ত মীৰা"ৰ প্ৰধান ভাৱত অৱতীৰ্ণ হৈছিল। তেওঁৰ নাম কোৱা।

৯. কোন গৰাকী ভাৰতীয় মহিলা লিখিকাই তেওঁৰ প্ৰথম উপন্যাসখনৰ বাবে 'বুকাৰ পুৰস্কাৰ' লাভ কৰিছিল ?

১০. কোনজনী মহিলা সাহিত্যিকে প্ৰথমতে জ্ঞানপীঠ পুৰস্কাৰ লাভ কৰিছিল ?

১১. কোনজনী মহিলা শিল্পীয়ে গ্ৰেন্ড চেলন অফ পেৰিছৰ প্ৰথম ভাৰতীয় তথা এচীয় সদস্য হৈছিল ?

১২. ভাৰতৰ কোনগৰাকী গায়িকাৰ নাম গিনিজ বুক অফ ৰেকৰ্ডচত অন্তৰ্ভূক্ত হৈছে ? তেওঁৰ অৱদান কি আছিল ?

(উত্তৰ অহা সংখ্যাত)

কাহিনীটো ঠিকমতে শেষ কৰা আৰু পুৰস্কাৰ লাভ কৰা

সৃজনাত্মক প্ৰতিযোগিতা

তলত এটা কাহিনীৰ আৰম্ভণি দিয়া আছে। তাত কাহিনীটোৰ সকলো উপাদানেই আছে। কিন্তু তুমি নিজ হাতে সেইটো ৰচনা কৰিব লাগিব। তুমি কাহিনীটো কল্পনা কৰি ভালদৰে সজাই লৈ সেইটো শেষ কৰিব লাগিব। লগতে এটা আকৰ্ষণীয় নামো। কাহিনীটো দুশৰ পৰা তিনিশ শব্দৰ ভিতৰত শেষ কৰিব লাগিব। ইয়াৰ কম বা বেচি হ'ব নোৱাৰিব। সৰ্বশ্ৰেষ্ঠ প্ৰতযোগীক আকৰ্ষণীয় পুৰস্কাৰ দিয়া হ'ব আৰু কাহিনীটো এই পত্ৰিকাত প্ৰকাশ কৰা হ'ব। এই প্ৰতিযোগিতা আমাৰ শিশু পাঠকসকলৰ বাবেহে। নিজৰ ঠিকনা (পিন কোডসহ) লিখিবলৈ নাপাহৰিবা।

বীৰবাবু বিক্ৰমপুৰীৰ এজন ডেকা কৃষক আছিল। তেওঁ এটা সুখী জীৱন যাপন কৰিছিল। তেওঁৰ এডৰা সাৰুৱা মাটি আছিল। তাত তেওঁ পৰিশ্ৰম কৰি শস্য উৎপাদন কৰিছিল আৰু সেইবোৰ বজাৰত ভাল দামত বিক্ৰী কৰিছিল। ইয়াত একো আচৰিত হ'ব লগা কথা নাই যে তেওঁ নিজৰ খেতি নিজেই চোৱাচিতা কৰিছিল।

এবছৰ বৰষুণ কম হোৱা বাবে গোটেইখেতি নষ্ট হৈ গ'ল। অকল সেইটোৱে নহয়, আকালৰ দিনৰ বাবে যিখিনি শস্য সাঁচি ৰাখিছিল সিও চুৰি হৈ গ'ল। পিছৰবাৰ সৌভাগ্যক্ৰমে প্ৰচুৰ বৰষুণ হোৱা বাবে পথাৰত ভাল খেতি হ'ল। বীৰবাবুৰ খেতি পথাৰত বিশেষকৈ মাকৈ খেতি ভাল হ'ল।

যোৱাবাৰৰ খেতি অনুমান কৰি তেওঁ পথাৰৰ একোণত এটা জুপুৰী সজালে আৰু তাৰ পৰা তেওঁ নিজৰ খেতি চোৱাচিতা কৰিলে। এদিন ৰাতি তেওঁ খেতি পথাৰৰ পৰা অহা কিবা শব্দ শুনিবলৈ পালে। তেওঁ বুজিব পাৰিলে তাত কোনোবা সোমাইছে। এডাল লাঠি হাতত লৈ তাক খেদি পঠাবলৈ তেওঁ দৌৰি গ'ল।

তেওঁ দেখিবলৈ পালে চাৰিজন মানুহে তেওঁৰ মাকৈৰ গছবোৰ খৰধৰকৈ কাটিব ধৰিছে। জোনৰ পোহৰত বীৰে সিহঁতক চিনিব পাৰিলে। সিহঁত ওচৰৰ গাওঁখনৰে বাসীন্দা। সিহঁতৰ ভিতৰত এজন ব্ৰাহ্মণ আছিল, দ্বিতীয়জন সোণাৰী, তৃতীয়জন মহাজন আৰু চতুৰ্থজন তেওঁৰ দৰেই এজন কৃষক আছিল। তেওঁ অকলে চাৰিজন মানুহৰ সন্মুখীন হ'বলৈ ভয় পাইছিল। তেওঁ সহায় বিচাৰি চিঞৰাতো উচিত বুলি বিবেচনা নকৰিলে। সিহঁত হয়তো পলাই যাব পাৰে। তেওঁ এটা নতুন পৰিকল্পনাৰ কথা ভাবিলে। তেওঁ হাতৰ পৰা লাঠি পেলাই দিলে আৰু সাহসেৰে সিহঁতৰ সন্মুখীন হ'ল।

"বীৰবাবুয়ে সেই চাৰিজন মানুহক কেনেদৰে দমন কৰিলে? সিহঁত চাৰিজনে নিজৰ কাৰ্য্যৰ বাবে লজ্জিত হ'ল নে? তোমাৰ কাহিনী বিশ্বাসযোগ্য হোৱা উচিত আৰু কাহিনীটোৰ নাম এটা দিবলৈ নাপাহৰিবা। প্ৰতিযোগিতালৈ পঠোৱা কাহিনীৰ ওপৰত "সৃজনাত্মক প্ৰতিযোগিতা" বুলি লিখিবা। শেষ তাৰিখ ২৫ ফেব্ৰুৱাৰী, ২০০১।

ভাৰত আৱিষ্কাৰ প্ৰশ্নৱলীৰ উত্তৰ (জানুৱাৰী, ২০০১)

১. অ) সুদাম, তেওঁক কুচেলা নামেও জনা যায়।
আ) প্ৰহ্লাদ (ই) ধ্ৰুৱ (ঈ) ৰোহিতাশ্ব, ৰজা হৰিশ্চন্দ্ৰ আৰু ৰাণী তাৰামতীৰ পুত্ৰ।
উ) অভিমন্যু।

২. মেয়কন্দৰ আৰু সদাশিৱ আচাৰ্য্য।

পুত্ৰৰ সিদ্ধান্ত

আফ্ৰিকাৰ এখন দেশৰ এখন হাবিৰ ওচৰত ডোটুন নামৰ এজন দুখীয়া মানুহে বাস কৰিছিল। হাবিৰ কাঠ কাটি তেওঁ জীৱন নিৰ্বাহ কৰিছিল । তেওঁৰ পুতেক টুন্ডি লাহে লাহে ডাঙৰ হৈ অহা বাবে তেওঁৰ মনত আনন্দ লাগিছিল । টুন্ডিৰ বয়স এতিয়া বাৰ বছৰ পূৰ্ণ হ'ল । তেওঁৰ বিশ্বাস টুন্ডি ডাঙৰ হৈ তেওঁক সহায় কৰিব আৰু ভৱিষ্যতে সুখেৰে জীৱন কটাব পাৰিব। টুন্ডিয়েও পিতাকৰ লগত হাবিলৈ যায় আৰু গছ কটাত পিতাকক সহায় কৰি দিয়ে ।

এদিন ডোটুনৰ অসুখ হ'ল । তেওঁ বিচনাৰ পৰাই উঠিব নোৱাৰে । সেয়েহে পুতেকক হাবিলৈ গৈ কাঠ কাটি আনিবলৈ কলে । পিতাকৰ কথা মতে টুন্ডি হাবিলৈ কাঠ কাটিবলৈ গ'ল । বাটতে তেওঁ এজন বন্ধুক লগ পালে । তাৰ লগত খেলোতেই টুন্ডিৰ বহুতো সময় গ'ল। দুপৰীয়া তেওঁ কিছু কাঠ কাটিলৈ ঘৰলৈ উভতি গ'ল ।

পুতেকক দেখি ডোটুন বাহিৰলৈ আহিল। তেওঁ খুব খঙেৰে কলে "তই এজন অকৰ্মণ্য । কোনো কামৰে তই উপযুক্ত নহয় । এইখিনি মাত্ৰ কাঠ আনিছা । এইখিনিৰে কি হব ?আজি কাঠ নেবেচিলে কালিলৈ কি খাবি ?কি কিনিব পাৰিবি?" এইবুলি তেওঁ পুতেকক খুব গালি পাৰিলে আৰু মাৰিলে । টুন্ডিয়ে কান্দি কান্দি ঘৰৰ পৰা ওলাই গ'ল ।

"যা বেটা যা, ঘৰত আৰু ভৰি দিলে কোবাই তোৰ ঠেং ভাঙি দিম । তই নিজকে কি বুলি ভাব?" চিঞৰি চিঞৰি তেওঁৰ ভাগৰ লগত কম্বল এখন উৰি তেওঁ শুই পৰিল । টুন্ডিয়ে মনতে ভাবিবলৈ ধৰিলে সি এতিয়া কি কৰিব । সি হাবিৰ ফালে যাবলৈ ধৰিলে । বহুদূৰ যোৱাৰ পাছত সি ভাগৰি পৰিল । তাৰ খুব ভোকো লাগিল । ভোকে পিয়াহে সি এখোজো আগবাঢ়িব নোৱাৰি এডাল গছৰ তলত শুই পৰিল ।

লাহে লাহে সন্ধিয়া হ'ল । এজন বেপাৰী চাকৰ কেইজনমান লগতলৈ চহৰৰ পৰা সেই বাটেৰে উলতি আহিছিল । তেওঁ গছৰ তলত এটা ল'ৰা শুই থকা দেখিবলৈ পালে । তেওঁ ল'ৰাজনক মাতি সুধিলে-"তুমি কোন? এই

আফ্ৰিকাৰ লোক কথা

সময়ত হাবিৰ মাজত তুমি অকলে কিয় শুই আছা?”

“মোৰ কোনো ঘৰ নাই, মোৰ খুব ভোক লাগিছে”টুন্ডিয়ে খুব দুখেৰে ক’লে। বেপাৰীজনে তাক কিছু খোৱা বস্তু দিলে। সেইখিনি খাই সি পানী খালে। এতিয়াহে সি অলপ বল পালে। বেপাৰীজৰ সেই অনাথ ল’ৰাটোৰ প্ৰতি দয়া উপজিল। তেওঁৰ কোনো সন্তান নাছিল। সেয়েহে তাক তেওঁ নিজৰ লগত লৈ গ’ল।

সন্ধিয়া হ’ল, তথাপি টুন্ডি ঘৰলৈ অহা নাই। ডোটুনৰ চিন্তা ক্ষণে ক্ষণে বাঢ়ি যাবলৈ ধৰিলে। তেওঁ ভাবিলে টুন্ডিক আজি বহুত বেচি গালি দিয়া হ’ল। দিনে দিনে তেওঁৰ কষ্ট বাঢ়িবলৈ ধৰিলে। বহুদিন গ’ল, কিন্তু তেওঁৰ পুতেকৰ কোনো সন্ধান নাপালে। তেওঁ খুব ব্যাকুল ভাবে পুতেক ঘূৰি অহাৰ বাবে অপেক্ষা কৰিবলৈ ধৰিলে।

ইফালে বেপাৰীজনে টুন্ডিক তোলনীয়া পুতেকৰ দৰেকৈ নিজৰ ঘৰতে ৰাখিলে। তাক বেপাৰৰ আদপ কায়দাবোৰো শিকালে। টুন্ডিৰ দিনবোৰ ভালদৰেই পাৰ হৈছিল। তাৰ কোনো বস্তুৰে অভাব নাছিল। কিন্তু যেতিয়া মাক পিতাকৰ কথা মনত পৰিছিল তেতিয়া তাৰ মনত বহুত দুখ লাগিছিল। তেওঁলোকৰ কথা মনত পৰিলে কোনো ঠাইত অকলে গৈ মনে মনে বহি আছিল। সি মাক বাপেক আৰু ঘৰখনৰ কথা পাহৰিব নোৱাৰে।

বেপাৰীৰ ঘৈণীয়েকেও তাক খুব মৰম কৰিছিল, কাৰণ সি খুব বিশ্বাসী ল’ৰা আছিল। নিজৰ তোলনীয়া পুতেকৰ দৰে তাক লালন পালন কৰিবলৈ ধৰিলে। সিও তেওঁলোকৰ পৰিয়ালৰে এজন হৈ পৰিল। এইদৰেই কিছু বছৰ পাৰ হৈ গ’ল।

ডোটুনে এদিন হাবিত পোৱা হাতী দাঁত বিক্ৰী কৰি চহৰৰ পৰা ঘৰলৈ আহি আছিল, তেতিয়া তেওঁৰ পুতেকৰ নিচিনা অবিকল যুৱক এজনে ঘোঁৰাত উঠি চিগাৰেট খাই গৈ থকা দেখি তেওঁ চিঞৰি মাতিলে-“বাচা, ৰবাচোন”। সি ঘূৰি চাই ৰৈ গ’ল। তেওঁ যুৱকজনৰ ওচৰলৈ গৈ ভালদৰে নিৰিক্ষণ কৰি সুধিলে “তই টুন্ডি নহয়নে? মোৰেই সেই হেৰোৱা পুত্ৰ নহয়নে?”

টুন্ডিয়ে ঘোঁৰাৰ পৰা নামি কলে “হয়, ময়েই টুন্ডি”। এইবুলি কৈ পিতাকক নমস্কাৰ কৰিলে।

বুঢ়া পিতাকৰ অৱস্থা দেখি টুন্ডিৰ মনত বহুত দুখ লাগিল। সি কলে, “পিতাদেউ, এতিয়া মই যিঘৰ মানুহৰ ঘৰত থাকো তালৈকে মোৰ লগত যাও বলা। কিছুদিন তাত থাকি ঘৰলৈ যাব।”

ডোটুনে পুতেকৰ কথাত মান্তি হ,ল। দুয়ো গৈ বেপাৰীজনৰ ঘৰ পালে। টুন্ডিয়ে বেপাৰী জনৰ লগত নিজ পিতাকক চিনাকিৰ কৰি দিলে। বেপাৰীজনেও ডোটুনৰ লগত ভাল ব্যৱহাৰেই কৰিলে। পিছদিনা ৰাতিপুৱা ডোটুনে বেপাৰীজনক কলে “মই এতিয়া মোৰ নিজৰ ল’ৰাক ঘৰলৈ লৈ যাব বিচাৰিছো।”

“ডাঙৰীয়া, এইটো কেনেকৈ সম্ভৱ হব পাৰে। ই এতিয়া আপোনাৰ পুত্ৰ নহয়, মোৰ



হে পুত্ৰ । তুমি ইয়াক ঘৰৰ পৰা উলিয়াই দিছা । যেতিয়া মই ইয়াক হাবিৰ মাজত পাই ঘৰলৈ লৈ আহো তেতিয়া ইয়াৰ কোনো ঘৰ নাছিল । এতিয়া এইখনেই হ'ল টুন্ডিৰ ঘৰ ।" বেপাৰী জনে নম্ৰভাবে ডোটুনক কলে ।

"ভগবানৰ কৃপাত এতিয়া মোৰ পুত্ৰক ঘূৰাই পাইছো । তাক ইয়াতে এৰিনো মই কেনেকৈ ঘৰলৈ যাও । এইটো সত্য যে মই তাৰ ওপৰত খং কৰি মই তাক গালি পৰিছিলো, তেতিয়াই সি ঘৰ এৰি গুচি যায় । কিন্তু পিতা পুত্ৰৰ মাজততো মাজে সময়ে কজিয়া হয়েই । এইটোতো তেনেই স্বাভাৱিক কথা ।"

এইদৰে দুয়োৰে মাজত এই বিষয় লৈ বাক বিতন্ডা হ'ল । অৱশেষত বেপাৰীজনে কলে "এই সমস্যাৰ সমাধান টুন্ডিয়ে নিজেই কৰিব । সিয়েই ঠিক কৰিব সি ইয়াতে থাকে নে তোমাৰ লগত ঘৰলৈ যায় । তাৰ সিদ্ধান্তৰ ওপৰতে নিৰ্ভৰ কৰিছে তাৰ ভৱিষ্যতৰ ।"

"হয়, মোৰো এই কথাত মত আছে । টুন্ডিয়ে নিজেই সিদ্ধান্ত লব"ডোটুনে আনন্দ মনে মানি ললে ।"ঠিক আছে, অহাকালি ৰাতিপুৱা ইয়াৰ সিদ্ধান্ত হব ।"বেপাৰীজনে কলে ।

পিছদিনা বেপাৰীজনে পিতা পুত্ৰক লৈ আগে আগে যাবলৈ ধৰিলে । তেওঁৰ হাতত এখন চিক্‌মিকিয়া তৰোৱাল আছিল । পিতা পুত্ৰই বুজিব পৰা নাই বেপাৰীয়ে তেওঁলোকক কি কৰিব বিচাৰিছে আৰু কলৈ লৈ যাব বিচাৰিছে । তেওঁলোকে আচৰিত হৈ মাথোঁ গৈ থাকিল ।

হাবি আৰু নদীৰ মাজত থকা এখন নিৰ্জন ঠাইত বেপাৰীজন গৈ ৰল । তেওঁ টুন্ডিৰ হাতত তৰোৱালখন দি কলে "বাচা, তুমি তোমাৰ নিজৰ কৰ্ত্তব্য কৰা ।"

টুন্ডিয়ে বিনীতভাবে সুধিলে "কোৱাচোন, এতিয়া মই কি কৰিব লাগে ?"

যদি তুমি তোমাৰ জন্মদাতা পিতাৰ লগত যোৱাতো সিদ্ধান্ত কৰা তেতিয়াহলে মোৰ শিৰশ্ছেদ কৰা । আকৌ যদি তুমি তোমাৰ পালনীয়া পিতাৰ লগত থাকিব খোজা তেতিয়াহলে তেওঁৰ শিৰশ্ছেদ কৰা ।" বেপাৰী-জনে স্পষ্ট ভাবে কলে ।

টুন্ডি কিছু সময় মনে মনে থাকিল । সি কোনো সিদ্ধান্ত লব পৰা নাছিল । তাৰ পিছত সি দুয়ো-জনকে প্ৰণাম কৰি কলে "এতিয়া মই বুজিব পাৰিছো মোৰ কৰ্ত্তব্য কি? মই নিজৰ মূৰ নিজেই কাটিদিম ।" ইয়াকে কৈ সি তৰোৱালখন দাঙি ললে ।

তেতিয়া দুয়োজন চিঞৰ মাৰি আগবাঢ়ি আহি কলে "বাচা,ৰবা । তেনেকুৱা নকৰিবা ।" তিনিওজনৰে চকুপানী ওলাল ।

পুনৰ তেওঁলোকে এই সমস্যা সমাধান কৰিবলৈ অন্য উপায় বিচাৰিলে। ডোটুন আৰু তেওঁৰ পত্নী বেপাৰীজনৰ ঘৰলৈ আহিল । এইদৰে টুন্ডিয়ে জন্মদাতা আৰু পালনীয়া পিতাৰ মাজত সমস্যাৰ মিমাংসা কৰি দিলে । দুয়োজনকে সন্তুষ্ট কৰিলে। এতিয়া দুয়োজনৰ ফালৰপৰা কোনো অভিযোগ নাই । এতিয়া টুন্ডিৰ দুজন মাক আৰু দুজন পিতেক । দুয়োপক্ষৰ ফালৰ পৰাই সি প্ৰচুৰ মৰম পায় ।

ঘোচখোৰ

পুৰণি কালত এখন ৰাজ্যত ঘোচখোৰৰ উৎপাত বাঢ়ি গৈছিল । ৰাজই সিহঁতক কেইবাবাৰো সাৱধান কৰি দিলে, কিন্তু কোনো লাভ নহ'ল । সেয়েহে যিবোৰ ঘোচখোৰক বন্দী কৰা হৈছিল ৰজাই সিহঁতক নিৰ্দয়ভাবে টুকুৰা-টুকুৰকৈ কাটি পেলাই দিবলৈ হুকুম দিলে । কটা কামটো এজন নাপিতক কৰিবলৈ দিয়া হৈছিল ।

এদিন ৰজাই ৰাজপ্ৰাসাদত থিয় হৈ তললৈ চাই দেখিবলৈ পালে নাপিতে এজন অপৰাধীৰ লগত কথা বতৰা পাতি আছে । ৰজাৰ সন্দেহ হ'ল । তেওঁ দুয়োকে ওপৰলৈ মাতিনি সুধিলে "তোমালোকে কি কথা লৈ তৰ্ক বিতৰ্ক কৰি আছা ?"

অপৰাধীজনে ৰজাক কলে-"মহাৰাজ, নাপিতে কৈছে তেওঁৰ দুখন চুৰিকটাৰি আছে । এখন চোকা আৰু আনখন ধাৰ নথকা । তেওঁ কৈছে তেওঁক দুটকা দিলে চোকা চুৰিখনেৰে তৎক্ষণাত মোক কাটিব, নহলে ধাৰ নথকা চুৰিখনেৰে মোক বহুসময় ধৰি কাটি মোক কষ্ট দিব ।"



ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?
সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোস্টকাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,

৮২, (পুৰাতন ৯২), ডিফেন্স আফিসাৰ্স কলোনী, একাতু থাঙ্গাল, চেন্নাই - ৬০০ ০৯৭



এই মাহৰ ২৫ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

অভিনন্দন

ঋতু লহকৰ
গুৱাহাটী বিশ্ববিদ্যালয় চৌহদ
জালুকবাৰী
গুৱাহাটী - ১৪

প্ৰথম ফটো : সৃষ্টিৰ সন্ধানত

দ্বিতীয় ফটো : ধ্বংসৰ গৰাহত

চান্দমামাৰ বছৰেকিয়া বৰঙনি

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

Payment in favour of CHANDAMAMA INDIA LIMITED

New 82 (Old 92) Defence Officers Colony, Ekkatuthangal, Chennai -600 097

TONS OF THANKS

Chandamama thanks all its readers who have availed the millennium subscription offer.

Did you miss the offer?

Here's the next one!

Attractive Year Planner with a one year subscription!

Offer valid only on inland subscriptions till Feb 28, 2001*

**Till stocks last. Conditions apply.*

CHANDAMAMA
AVAILABLE IN 12 LANGUAGES

Remit Rs. 120/- by Draft or M.O. favouring
Chandamama India Limited
to the Subscription Cell,
Chandamama India Limited,
82, Defence Officers' Colony, Ekkatuthangal,
Chennai - 600 097.

CHANDAMAMA (Assamese) FEBRUARY 2001 Registrar of Newspapers, India RN30278/76



Nutrine Maha Lacto. The Best Lacto in Town.